নীলাচৰাই
www.nilacharai.com ▶ অসমীয়া ই-আলোচনী



# নীলা চৰাইৰ গল্প

# ১

সম্পাদনা: পল্লৱপ্ৰাণ গোস্বামী

http://www.nilacharai.com

# NILACHARAIR GALPA

An anthology of short stories by various writers in
Assamese Language.

Version 1.0, January 2014

Published by **Nilacharai.Com**
Copyright © Nilacharai.Com, All rights reserved
Cover Image © Pallabi Sharma


You may freely copy and distribute this eBook as long as you do
not modify the text or remove this copyright notice.
You must not make any charge for this eBook.

# সম্পাদকৰ এষাৰ

‘নীলা চৰাই’ ৱেব আলোচনীত ইতিমধ্যে প্ৰকাশিত কেইটিমান গল্প একত্ৰ কৰি ই-বুক ৰূপত পাঠক সমাজলৈ আগবঢ়োৱা হ’ল। পৰ্যায়ক্ৰমে আৰু অধিক গল্প তথা অন্যান্য লেখা ই-বুক ৰূপত উপলব্ধ কৰোৱা হ’ব।

এই সংকলনটোত দৃষ্টিগোচৰ হোৱা ভুল-ভ্ৰান্তি আঙুলিয়াই দিলে পৰৱৰ্তী সংস্কৰণত সেইসমূহ আঁতৰ কৰিবলৈ যত্নপৰ হ’ম। আপোনাসৱৰ দিহা-পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিলো।

নীলা চৰাই পৰিয়ালৰ হৈ—



(পল্লৱপ্ৰাণ গোস্বামী)


http://www.nilacharai.com
https://facebook.com/nilacharai
https://facebook.com/groups/nilaacharai
https://twitter.com/nilacharai
Mail: editor@nilacharai.com, nilacharai@yahoo.com

# সূচী

বাঁক. ইমৰান হুছেইন ৫
অনুৰাগ. কুসুম বৰা ২৭
আপোচ. ধ্ৰুৱজ্যোতি শৰ্মা ৩৬
বিচ্ছিন্নতা. ভূপেন শৰ্মা ৪৫
পোষ্ট মডাৰ্ন: এটা গল্প অথবা অগল্প. লিখন নীল কোঁৱৰ ৫১
যাত্ৰা. ৰিপুঞ্জিত হাজৰিকা ৫৭
প্ৰয়াণ. তুলিকা নিৰ্মলীয়া ৬০
চকু. অমিয়া বৰগোঁহাই ৬৭
বাঘ. বনপংখী গোস্বামী ৭৪
দাপোণ. মালিনী গোস্বামী ৭৯
বৃষভ. কবিতা বৰা কলিতা ৮৬
আবেলি. ধনজিৎ কলিতা ৯৪
আধালিখা গল্পটো. মনোৰঞ্জন মজুমদাৰ ১০২

# বাঁক

## ইমৰান হুছেইন

আৰু আটোম-টোকাৰিকৈ জালখন দুভাগ কৰি, হাতৰ মুঠিত সজাই লৈ পানীত খেও দিবলৈ যাওঁতেই হৰেন থমকি ৰ'ল। কুঁৱলীত ওপঙি থকা গাঁৱৰ ঠেক গৰু-বাটটোৰে সি আহি আছে। খোজকঢ়াৰ অদ্ভুত ভংগী আৰু ভাঁজলগা বিকৃত অৱয়বটোৰ বাবে বহুত দূৰৈৰ পৰাই তাক অনায়াসে ধৰিব পাৰি। পাতল বাঁহনিৰ ছিৰলা-ছিৰিলি পাতৰ মাজেদি নামি অহা জোনাকত ক্ৰমে উজলি উঠিছে তাৰ নিয়ৰত তিতা কুৎসিত শৰীৰ। শৰীৰী হৈও সি আচৰিত ধৰণে অশৰীৰী হৈ উঠিছে।

পানীৰ ওপৰত থূপ খোৱা ঘন কুঁৱলীৰ চামনি আৰু বাঁহনিৰ সোঁ-সোঁৱনিৰ লগতে সৰকি অহা জোনাকৰ ছঁয়ামৱাত মায়াবী হৈ উঠিছে বিলৰ দুয়ো পাৰ। দিনতে জয়াল হৈ থকা বিলখন কুঁৱলীসনা জোনাক নিশা আৰু ৰহস্যময় হৈ উঠে। চিনাকি বাট-পথ, গছ-বিৰিখ, পাৰতে ওলোটাই থোৱা সৰু-বৰ নাও হঠাতে যেন অচিনাকি হৈ যায়।

নৈ দূৰত নহয়, বিলৰে এসোঁতা গৈ লাগিছে কলঙত। তথাপি কেউকাষে আগুৰি থকা কৈৱৰ্ত, কলিতা আৰু লালুং গাঁৱৰ সৰল জন-জীৱনৰ প্ৰাণকেন্দ্ৰ এই বিলখন। গা-পা ধুবলৈ অহা গাঁৱৰ জীয়ৰী-বোৱাৰীহঁতৰ কলৰব আৰু সাঁতুৰি-মেলি উৎপাত কৰি থকা চেঙেলীয়া ল'ৰাজাকৰ কিৰীলিত বিলৰ পশ্চিমফালটো দিনত গমগমাই থাকে। তদুপৰি সৰু-বৰ নাও লৈ, সৰু-বৰ

জাল লৈ প্ৰায় গোটেই বিলখনতে মাছুৱৈসকলে মাছ মাৰি ফুৰে। তথাপি সকলোৰে ভয় এই ঈশান দিশটোলৈ— বিশেষকৈ মৰিশালীৰ পৰা সহস্ৰ বাহু মেলি থিয় হৈ থকা ঔজোপাৰ গুৰিলৈকে। ৰাতি-বিয়লি জাল মাৰি থকা মহলদাৰৰ চিলটীয়া মাছুৱৈকেইটায়ো সাহস নকৰে বিলৰ ইটো মূৰলৈ আহিবলৈ।

বুঢ়া-মেথাই কয় বৰ দেওলগা এই ঠাইডোখৰ। এইখিনিতে পূৰ্ণিমাৰ ফৰিংফুটা জোনাকত মাছ মাৰিবলৈ আহি সোণৰ নাও ওপঙি উঠা দেখা পাইছিল ৰত্নেশ্বৰ বৰাই। কোনোমতে ঘৰলৈ উভতি আহি তেওঁ নঙলামুখ পাইছিল মাত্ৰ— তাতেই মূৰ্চ্ছা গ'ল। যেতিয়া সাৰ পালে গাত ভীষণ জ্বৰ; ঐদেহি-বৈদেহি গাবলৈ ধৰিলে— সোণৰ নাৱৰ কথা ক'লে, ৰূপৰ বঠাৰ কথা ক'লে, ঔৰ গুৰিত কোনোবাই পুতি থোৱা গুপুত ধনৰ কথা ক'লে। মানুহে কয়, ৰত্নেশ্বৰ বৰা নাবাচিলেহেঁতেন, যদিহে ককায়েক সুৰেনে সিদিনাই ৰজামায়ঙলৈ গৈ চুৰাবেজৰ পৰা জৰা তেল আনি নিদিলেহেঁতেন। তেতিয়াৰ তজবজীয়া ৰত্নেশ্বৰ এতিয়া বুঢ়া হ'ল; দাঢ়ি-চুলি পকিল, গাল-মুখ শোটোৰা-শোটোৰ হ'ল। পিছে সেইদিনাখনৰ কথা কেতিয়াবা ওলালে তেওঁ এনেকৈ কয় যেন যোৱাৰাতিৰহে ঘটনা। মানুহে ভয়তে বহু বছৰলৈকে সিমুখ হোৱাই নাছিল, ক্ৰমে এৰাবাৰীলৈ সলনি হৈছিল ঠাইডোখৰ। কিন্তু লোকৰ বাৰীত তামোল চুৰ কৰি ন-কইনাৰ আবদাৰ পূৰোৱা অলপ অসুবিধা বুলিহে হেবাঙে ঔৰ গুৰিত এদিন চিপৰাং মাৰিলে। সোণৰ কলহ সি নাপালেও দুটামান মোহৰ পাইছিল হেনো। পিছে ভোগ কৰিব নোৱাৰিলে। নতুন কইনাৰ কপালখন চিৰদিনৰ বাবে উকা কৰি সেই ৰাতিয়েই তেজ বতিয়াই সি ঢুকাল।

কিন্তু বিলপৰীয়া ৰাইজৰ বাবে আটাইতকৈ আচৰিত কথা হ'ল তীখাৰুক বাঁকে মাৰি তাৰ ৰূপ লৈ পদুমীৰ লগত সংসাৰ কৰাৰ ঘটনাটো। এদিন সুযোগ বুজি বাঁকে সৰিয়হৰ ডুলিত থৈ দিয়া তাৰ জোলোঙাটো তীখাৰুৰ মাকৰ পৰা ফুচুলাই লৈ গ'ল বুলিহে সাৰিলে, নহ'লে আজিও হৰেন মহলদাৰৰ বহতীয়া হৈ বিল পহৰা দি থাকিবলগীয়া হ'লহেতেন। বাঁক বহতীয়া হৈ থকা দিনকেইটাত মহলদাৰৰ অৱস্থা মাছে-ধানে একেবাৰে উভৈনদী হৈছিল। পিছে বাঁক পলাই

পত্ৰং দিয়াৰ পাছত তাৰ অৱস্থা তেনেই পৰি আহিল। জুৱা আৰু কানিৰ খোলাই তাক শেষ কৰি দিলে। তেতিয়াৰ হৰেন মহলদাৰ, যি বছৰেকীয়া উছব-পাৰ্বণৰ বাবেও ৰাইজক খেৱালি পৰ্যন্ত মাৰিবলৈ নিদিছিল, এতিয়া দুটামান মাছৰ আশাত নিজেই লোকৰ বিলত লুকাই-চুৰকৈ জাল মাৰি ফুৰে।

বাঁক নাই, ৰূপহী পদুমীও সিপুৰী পোৱা আজি সাত বছৰমান হ'ল। কিন্তু বাঁকৰ ল'ৰা গৰৈ আছে। গঞাই কয়, বাঁকৰ ল'ৰা একপ্ৰকাৰ বাঁকেই, নহ'লেনো দিনে-ৰাতিয়ে অকলে এনেকৈ বিলৰ পাৰে পাৰে ঘূৰি ফুৰিব পাৰেনে?

আজি পাঁচ-ছবছৰ মানৰ পৰা হৰেনে ঔজোপাৰ আশে-পাশে শিয়ালকেইটাৰ উৎপাতৰ বাহিৰে বিশেষ একো অসুবিধা নোহোৱাকৈ মাছ-পুঠি কেইটামান চুৰ কৰি বৰলা-ভাতকেইটা মোকলাই আছিল। কিন্তু আজি এবছৰমানৰ পৰা বিলৰ পাৰত গৰৈৰ ৰহস্যময় উপস্থিতিয়ে তাক বৰ অসুবিধাত পেলাইছে। কৃষ্ণপক্ষৰ ঘন আন্ধাৰত হৰেন সাধাৰণতে এইফালে মাছ মাৰিবলৈ নাহে, গাঁৱৰ ওচৰে-পাঁজৰে সুযোগ বুজি খেও দিয়ে। কিন্তু শুক্লপক্ষত মৰিগঞা মহলদাৰৰ সজাগ ৰখীয়াকেইটাৰ হাতত ধৰা পৰাৰ ভয়তহে সি এৰাবাৰীলৈ আহে। আৰু দোভাগ ৰাতি জোপোহাত জালখন লুকুৱাই থৈ সেই গৰু বাটটোৰে ঘৰলৈ বুলি খোজ লয়। কিন্তু এতিয়া গৰৈৰ লগত বাটতে ভেটা-ভেটি হোৱাৰ ভয়তে সি পোন বাট এৰি জাৰণি-তৰাণি ফালি বহুদূৰ ঘূৰিহে ঘৰলৈ যাব লাগে। কাৰণ প্ৰায় সেইখিনি সময়তে গৰৈয়ে সেই বাটটোৰে টোপনিত খোজকঢ়া মানুহৰ দৰে ধীৰ, গধুৰ অথচ চিনাকি খোজেৰে আহি ঔৰ গুৰিত থিয় হয় আৰু বিলৰ চিকমিক পানীলৈ থৰ লাগি চাই থাকে। গালে-মূৰে হাত দি বহুত চিন্তা কৰিও হৰেনে তাৰ বাৰীৰ পিছপিনে ডাঙৰ হোৱা ল'ৰাটোৰ এই ৰহস্যময় বিচৰণৰ কোনো তলা-নলা পোৱা নাই।

গৰৈৰ অদ্ভুত আচৰণক লৈ গাঁৱত বহুত কথাই শুনা যায়। নানাজনৰ নানা মত। চিলটীয়া মাছুৱৈ নিতাই আৰু পৰাণৰ মাক মায়াৰাণীয়ে ফুচফুচাই কয়, 'নিশিৰ ডাক লো নিশিৰ ডাক, ওৰে নিশিয়ে ডাইক্ কা লয়।' আজি কিছুদিনৰ আগতে গাওঁবুঢ়াৰ ঘৰলৈ বাগানৰ এলএমপি ডাক্তৰ এজন আহিছিল;

তেওঁ কৈছিল মানুহে বোলে কেতিয়াবা টোপনিতে খোজ কাঢ়ে। গঞাৰ অৱশ্যে এইধৰণৰ ভেকুলীৰ পিঠিত নোম গজা কথাত বিশ্বাস নাই। সিহঁতে কয় বেলেগ কথা। জোনাক নিশা বাঁকে হেনো তাক বিলৰ পাৰলৈ মাতি আনে, ঔৰ গুৰিত বাপেক-পুতেকে কেঁচা মাছ খায় আৰু কুকুৰাই ডাক দিয়াৰ আগতে বাঁকে তাক ঘৰলৈ পঠিয়াই দিয়ে। দুই-এজনে আনকি তাক বাঁকৰ পিছে পিছে বিলৰ পিনে যোৱাও দেখা পাইছে। তাৰে ভিতৰত হেৰম্বৰ সৰস বৰ্ণনাত গঞাই ৰাতি সৰু-পানী চুবলৈও বাহিৰলৈ নোলোৱা হ'ল। যোৱা একাদশীতে বৰ-কানীয়াৰ কানিৰ খোলাৰ পৰা ওলাই সৰু-পানী চুবলৈ যাওঁতেই হেৰম্বই হেনো অস্পষ্ট, দীঘল ছায়ামূৰ্তি এটাৰ পিছপিনে গৰৈকো দেখা পালে। সি বোলে সেই ছায়ামূৰ্তিটোৰ কান্ধৰ পৰা বৈ অহা দীঘলীয়া জাল এখনৰ গুৰিত ধৰি পিছে পিছে থপথপাই গৈ আছিল সেই বিলৰ পিনে। সকলোৰে এটাই কথা, নাযাবনো কিয়? সি যে বাঁকৰ ল'ৰা।

ৰৌ-চিতলৰ পৰা পুঠি-খলিহনালৈকে এই কথা ক'লেও পাভৈ বুঢ়ীয়ে সৈ নাকাঢ়ে। বুঢ়ীৰ কলা কাণত কোনোবাই এইষাৰ কথা কোৱা যেন পালেই বুঢ়ীয়ে আঙুলি ফুটাই ফুটাই শাও দিব, 'গৰৈ মোৰ নাতি— আমাৰ তীখাৰুৰ ল'ৰা। কোন মতাছাৰীয়ে কৈছে বাঁকৰ ল'ৰা বুলি? কোন পদুলিশুঙাই কৈছে, মাতি আন তাক— মেখেলাৰে কোবাওঁ। বাৰীত তিতালাও গজিব, মুখত পোক লাগি মৰিব জহৰাহঁত।'

দৰাচলতে তাহানিতে মাছ মাৰিবলৈ গৈ পুতেক নোহোৱা হোৱা কথাষাৰ বুঢ়ীয়ে এতিয়াও মানি ল'ব নোৱাৰে। মানিনো ল'ব কেনেকৈ? এই বিলপৰীয়া আটাইকেইখন গাঁৱতে তীখাৰুৰ দৰে কোনোবাই সাঁতুৰিব পাৰিছিলনে? এতিয়াও পাৰিবনে কোনোবাই এই দীঘলীয়া বিলখন এবাৰো থিৰ নিদিয়াকৈ সাঁতুৰি পাৰ হ'ব? তাৰ দৰে দিনটো পানীৰ তলত সোমাই থাকি জেং দিব? বাঁকে-দ'তে নো কেনেকৈ মাৰিব পাৰে তাক? পানীতে আছিল যাৰ ঘৰ!

দেখাজনৰ মনৰ পৰা তীখাৰু কেতিয়াও মচ খাব নোৱাৰে। সি আছিল এই অঞ্চলৰ আটাইতকৈ পাকৈত জালোৱা। পুঠি-খলিহনা বাদেই, সিয়ান ৰৌ-বৰালিও সাৰি নগৈছিল তাৰ পুৰণি খেৱালিখনৰ পৰা। মাঘবিহুৰ সময়ত

গোটেই গাঁৱৰ ৰাইজে পল, জুলুকি লৈ বিলৰ পানী ঘোলা কৰিলেও তিনিহতীয়া ৰৌটো আহি সোমাবহি সেই তীখাৰুৰ পলত। সি বজাৰ, হাট অথবা দূৰৰ হেন্দু গাঁৱত মাছ বেচি খালেও উছব-পাৰ্বণৰ সময়ত প্ৰায় আটাইখিনি মাছকে ৰাইজক ভগাই দিছিল। অৱশ্যে বিলপৰীয়াই তীখাৰুৰ মাছ এনেকৈ বৰ বেছিদিন খাবলৈ নাপালে আৰু নিজে মৰাতোন দূৰৰে কথা। চৰকাৰে কৰ বহুৱালে ৰাইজৰ হেঁপাহৰ বিলত।

বিল ডাক হ'ব বুলি শুনি গঞাই প্ৰবল আপত্তি কৰিছিল, কিন্তু সিহঁতৰ কোনো ওজৰ-আপত্তিয়েই নৰজিল। বিলৰ মহলদাৰ হোৱাৰ আশাত গাঁৱৰ বৰমূৰীয়াসকলে ৰাইজৰ দুৰ্দশালৈ পিঠি দিলে। সেয়ে বৰ স্বাভাৱিকভাৱে এদিন বিলৰ ডাক হ'ল। আৰু আটাইকেইখন বিলপৰীয়া গাঁৱৰ মানুহক আচৰিত কৰি দিনটো হাই-কাজিয়া আৰু কানিৰ খোলাতে কটোৱা তীখাৰুৰ খুৰায়েকৰ ল'ৰা হৰেন এৰাতিৰ ভিতৰতে বিলৰ মহলদাৰ হৈ পৰিল। অৱশ্যে সি অকলে নহয়, তাৰ লগত মৰিগাঁৱৰ দুজন বেপাৰীয়ে বিলৰ অংশ ডাকত পালে। কিন্তু আটাইতকৈ লাভ হ'ল হৰেনৰ; সি পালে পূবৰ আটাইতকৈ ভোগালী অংশটো— সিহঁতৰ গাঁৱৰ পৰা ঔৰ গুৰি পাৰ হৈ একেবাৰে মৰিশালিলৈকে।

ডাকৰ পাছদিনাখনেই মৰিগঞা মহলদাৰৰ লগতে হৰেনেও ৰাইজক বিলৰ মাছ মাৰিবলৈ হাক দিলে। দুই-এজন দুখীয়া মাছুৱৈয়ে বাধা নেওচি জাল মাৰিবলৈ যোৱাত হৰেনে পানীমড়লীয়া সাপৰ দৰে ফোঁচ ফোঁচাই সিহঁতক মাৰিবলৈ খেদি গ'ল। দেখ দেখকৈ ডাঙৰ কাজিয়া এখন লাগিল, সেই কাজিয়া পানী বাগৰাদি বহুদূৰ বাগৰিলহেঁতেন যদিহে গাওঁবুঢ়াকেইজনে চৰকাৰী নিয়ম-নীতিৰ কথা বুজাই ৰাইজক সৈমান নকৰালেহেঁতেন। তাৰ তিনিদিন পাছতেই চিলটীয়া আৰু দেচোৱালী জালোৱাৰে খলখলাই উঠিল বিলৰ নিজান বুকু। তাৰ মাজত অবাক হৈ গঞাই দেখিলে পুৱাৰ ৰ'দত চিকমিক কৰিছে তীখাৰুৰ দীঘল, শ'লমাছৰ দৰে ক'লা শৰীৰটো।

সিহঁতৰ মাজত তীখাৰুক দেখা পাই বিলপৰীয়া ৰাইজ বৰ আচৰিত হৈছিল। তীখাৰুহঁতৰ লগত হৰেনহঁতৰ অহা-যোৱা, মতা-বোলা নোহোৱা আজি বহু বছৰ হ'ল। গাঁৱৰ এচুকত অনাহাৰে দিনকেইটা নিয়ালেও পাভৈয়ে

কেতিয়াও হৰেনহঁতৰ চোতালত ভৰি দিয়া নাছিল। তীখাৰুৰ দেউতাক বেথাৰাম জীয়াই থাকোঁতে ইমান দুখৰ দিন নাছিল সিহঁতৰ। কিন্তু ভাগ্যৰ লিখন, অকালতে ক্ষয় ৰোগে তেওঁক গ্ৰাস কৰিলে। আৰু বেথাৰামৰ শৰীৰ পঞ্চভূতত মিলি যোৱাৰ আগতে সৰু ভায়েক পানীৰামে গ্ৰাস কৰিলে সকলো মাটি-বাৰী। ঘৰৰ পৰা বিতাড়িত হৈ পাভৈয়ে বহুত দুখ-কষ্টেৰে তীখাৰুক ডাঙৰ কৰিছিল। এইবোৰ কথা কাৰো নজনা নহয়।

যি কি নহওক, অচিনাকি মাছুৱৈকেইজনৰ মাজত তীখাৰুক দেখা পাই গাঁৱৰ মাছুৱৈকেইজনে অলপ হ'লেও সকাহ পাইছিল সেইদিনা। কিন্তু জীৱিকা হেৰুৱাই ক্ৰমে সিহঁতৰ পানীত হাঁহ নচৰা অৱস্থা হোৱাত তীখাৰুকে পানীৰ তলত কাঁইট বুলি ভাবিলে। বিহমেটেকাৰ দৰে ক্ৰোধ আৰু ঘৃণাই সিহঁতৰ মনবোৰ ছাটি পেলালে। বৰ স্বাভাৱিকভাৱে, তীখাৰুৰ লগত থকা ইমান দিনৰ আওপুৰণি সম্পৰ্কটো পানীত ডুব যোৱা মানুহৰ দৰে ক্ৰমে তল যাবলৈ ধৰিলে আৰু তাৰ বিপৰীতে সি যে মহলদাৰৰ খুৱায়েকৰ ল'ৰা, এই কথাটো সিহঁতৰ মনত পানীত ভাহি উঠা ফুলা মৃতদেহ এটাৰ দৰে ভাহি উঠিল।

আচলতে কোনো সম্পৰ্কৰ বাবে নহয়, দিনটো কানিৰ খোলাত কাহি থাকিলেও তীখাৰুৱে আচৰিত ধৰণে মাছ পোৱাৰ খবৰ হৰেনেও ৰাখিছিল। আৰু সি লগত থাকিলে এই ব্যৱসায়ত বহুত সুবিধা হ'ব, এই কথা বুজি বিল 'বাইচ' কৰাৰ আগদিনাই তীখাৰুহঁতৰ ঘৰলৈ গৈ পাভৈৰ ভৰিত পৰি ক'লে, আই-পিতাই কোনো নাই, পুৰণি কথাবোৰ এতিয়া আৰু ধৰিব নালাগে। ঘৈণীয়েকৰ অসুখ, বৰমাকে গৈ সংসাৰৰ জেঙা মাৰিব লাগে। হৰেনৰ বহুত কাকুতি-মিনতিতো প্ৰথমতে মান্তি হোৱা নাছিল। কিন্তু বোকোচাত লৈ ডাঙৰ-দীঘল কৰা ঘাট-মাউৰা ল'ৰাটোৱে যেতিয়া সৰু ল'ৰা-ছোৱালীৰ দৰে ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে, বুঢ়ীৰ মন কুমলিল। হৰেনৰ লগতে সিদিনা ৰাতিয়েই মাক-পুতেক উভতি আহিল নিজ ভেটিলৈ।

চৰকাৰী নিয়মত বান্ধ খাই বিলপৰীয়াৰ পানীত কোব মাৰি থাকোঁতেই গ'ল। পাছদিনা ধলফাট দিয়াৰ আগতে হৰেনে বিল 'বাইচ' কৰালে। তীখাৰুৰ জালতে উঠা ডাঙৰ বৰালি মাছ এজনীক মাছুৱৈসকলে পূজাৰ কাৰণে বাছিলে—

মাছজনীৰ শিৰত সেন্দূৰ দি সেৱা-সৎকাৰ কৰি আকৌ পানীত এৰি দিলে, কিছুমানে বিলৰ পানীত নিমখ আৰু এৱাঁ গাখীৰ ঢালিলে, চিলটীয়া মাছুৱৈসকলে বেলেগে গংগাদেৱীৰ পূজা কৰিলে। সিদিনাৰ পৰাই মাছ মৰা আৰম্ভ হ'ল। তীখাৰুৱে দেচোৱালী আৰু চিলটীয়া মাছুৱৈসকলৰ লগত ফেৰ মাৰি বেছি মাছ মৰাই নহয়, সিহঁতকো জেং দিয়া আৰু মাছ মৰাৰ বহুত অভিনৱ পদ্ধতি শিকালে। পাকৈত হালদাৰকেইজনে প্ৰথমতে তীখাৰুক অলপ হেয়জ্ঞান কৰিলেও এসপ্তাহমানৰ ভিতৰতে তাৰ ভক্ত হৈ উঠিল। হৰেনে তাৰ নতুন ব্যৱসায়ৰ সিমান আওভাও পোৱা নাছিল যদিও তীখাৰুৰ সততা আৰু তৎপৰতাৰ বাবেই সি আন দুজন মহলদাৰতকৈ বেছি লাভবান হ'ল। কষ্ট নকৰাকৈ আৰু অধিক লাভবান হোৱাৰ আশাত সি তীখাৰুক বাৰীৰ পিছফালটো ঘৰ তুলিবলৈ এৰি দি হালদাৰ, মাছমৰীয়া আৰু লগতে বিল চোৱা-চিতা কৰাৰ দায়িত্বও তাৰ কান্ধত জাপি দিলে।

বছৰ ঘূৰোঁতেই হৰেনে গাঁৱৰ আশে-পাশে বহুত মাটি কিনিলে, ভঁৰাল ধানেৰে উপচি পৰিল, মাছৰ ব্যৱসায় মৰিগাঁও, জাগীৰোড, আনকি গুৱাহাটীলৈকে বিয়পিল। পইছা হোৱাৰ লগে লগে হৰেন মহলদাৰৰ বেশভূষাও সলনি হ'ল। বাগানৰ জামাদাৰবাবুৰ দৰে ধুন-পেঁচ মাৰি ধুতি-পাঞ্জাৱী পিন্ধিবলৈ ল'লে। বৰষুণ দিলে মূৰত জাপি লোৱাৰ সলনি কলিকতীয়া ছাতি লোৱা হ'ল। হালোৱা-জালোৱাৰ লগত একেলগে বহিব লাগে বুলি পুৰণি কানিৰ খোলাও সি এৰিলে। চেহেৰা-পাতিৰ লগতে তাৰ কথা-বতৰাও সলনি হ'ল। ভাব এনে, যেন ভোলা সাউদহে।

ইফালে অত্যধিক খাটনিৰ ফলত তীখাৰুৰ স্বাস্থ্য ভাগি পৰিল। অনবৰতে পানীত থকাৰ বাবে কাণেৰে কম শুনা হ'ল, কাহটোৱেও নেৰা হ'ল। তথাপি কামলৈ হেলা নাছিল তাৰ; নৰিয়া গাৰেই সেই ৰাতিপুৱাৰ পৰা ৰাতিলৈকে পানীত মাছ মাৰি থাকিছিল। বিল পহৰা দিয়া টঙিঘৰত মাছখিনি মোকলাই থৈ মাছুৱৈকেইজনে গাঁৱে গাঁৱে উভতি গ'লেও তীখাৰু সেই কেঁচা মাছৰ দ'মৰ মাজতে পৰি থাকিবলৈ ভাল পাইছিল। কেঁচা মাছৰ কেচেমাকেচেম গোন্ধেৰে খালি পেট পূৰাই উজাই সি নিছিল তাৰ সজাগ, উজাগৰী নিশা।

ঘৰত থকা সময়খিনিতো তীখাৰুৰ উপস্থিতি একেবাৰে গম পোৱা নগৈছিল। বাৰীৰ পিছপিনে চিকুণাই থোৱা অকমানি ঠাইডোখৰতে সি আপোনমনে মহলদাৰৰ পুৰণি জালবোৰ মেৰামতি কৰি দিব, নহ'লে নতুন জাল এখনকে গুঁঠি থাকিব। পাভৈৰ বাবে পুতেক ঘৰত থকা-নথকা একে কথা। বয়সো হৈ আহিছে তেওঁৰ— আগৰ দৰে কাম-বন কৰিব নোৱাৰে। প্ৰায়েই মূৰ-ফুৰণিত কাহিল হৈ পৰে, কঁকালৰ বিষে খামোচ মাৰি ধৰে। হৰেনৰ ঘৈণীয়েকো অসুখীয়া, ঢৌতে খৰ মাৰি তাতো লাগি দিব লাগে। বোৱাৰীও নাই যে কামত সহায় হ'ব। বহুত কৈ-মেলিও তেওঁ তীখাৰুক বিয়াৰ কাৰণে মান্তি কৰাব পৰা নাই। নানা অজুহাতেৰে সি মাকৰ কথা এৰাই গৈছে। চাওঁতে চাওঁতে বয়সে তাৰ দুকুৰি চুলেগৈ। পাভৈয়ে বোৱৰীয়েকৰ হাতৰ ভাত খোৱাৰ আশা বাদেই দিছিল। কিন্তু এদিনাখন সকলোকে আচৰিত কৰি তীখাৰুৱে জলকুঁৱৰীৰ দৰে ৰূপহী ছোৱালী এজনী বিয়া কৰাই আনিলে মায়ঙৰ পৰা।

হৰেনৰ ঘৈণীয়েক সেউতীয়ে চাৰি বছৰমানৰ আগতে এটি ল'ৰা জন্ম দিছিল। কিন্তু সেয়া আছিল লালুকীৰ দৰে আধাফুলা, মৃত। তাৰ পাছত আৰু নাই। বিলপৰীয়া বেজ-কবিৰাজে কত ঔষধ দিলে— কিন্তু কোনো কামেই নিদিলে। সেইসোপা খাই হৰেনৰ কাউৰ-বাঁজী ঘৈণীয়েক আৰু খীণাইহে গ'ল— নানানটা ৰোগে হেঁচা মাৰি ধৰিলে। ইমান প্ৰাচুৰ্যৰ মাজতো ল'ৰা-ছোৱালী নথকাৰ অশান্তিটোৱে হৰেনক কুটকুটাই খাবলৈ ধৰিলে। দিনটো কেনেবাকৈ ব্যস্ততাত পাৰ হয়গৈ, কিন্তু ৰাতি অস্থিচৰ্মসাৰ ঘৈণীয়েকৰ কাষত শুলেই এইবোৰ চিন্তাই তাক জুমুৰিয়াই ধৰে। সিহঁতৰ হুমুনিয়াহত মজবুত পালেংখনেই দোঁ খাই যায়। সেইবাবেই হৰেনে তীখাৰুক পঠাইছিল মায়ঙলৈ। পাছদিনাই অহা মানুহজন আহিল সেই তিনিদিনৰ পাছত। বুঢ়ামায়ঙৰ বুঢ়াবেজে তীখাৰুৰ হাতত দুতোলা গঁড়ৰ মঙহ, চাৰিতোলা গঁড়ৰ তেজ আৰু এতোলা বক ফুলৰ শিপাৰে বনোৱা আসুৰী ঔষধৰ লগতে জীয়েককো দি পঠালে। আবেলিপৰত তীখাৰুৰ লগত ওৰণি লোৱা ন-কইনাজনী ছৈ দিয়া গৰু-গাড়ীখনৰ পৰা যেতিয়া আলফুলকৈ নামিছিল, মাহ-হালধি আৰু পদুমফুলৰ

মিশ্ৰিত সুবাসত আমোলমোলাই উঠিছিল গোটেই মাছমৰীয়া গাঁওখন। এৰা, পদুম ফুলৰ দৰেই ধুনীয়া আছিল পদুমী।

ইমান বছৰে বিয়াৰ কাৰণে মান্তি নোহোৱা মানুহজনে পদুমীক দেখি বৰ হেঁপাহত মত দিছিল চাগে। পিছে সংসাৰ কৰিলেনো কেইদিন? বিয়াৰ দুবছৰ পূৰ হোৱাৰ দিনাখনেই বিলত মাছ মাৰিবলৈ গৈ আৰু উভতি নাহিল তীখাৰু। সন্ধিয়া তুলসীতলত চাকি দিবলৈ যাওঁতে পদুমীয়ে তাক শেষবাৰৰ বাবে দেখিছিল। কান্ধৰ পৰা মাটিলৈকে ওলমি পৰা জাল এখন লৈ তীখাৰুৱে মাকৰ লগত কিবা কথা পাতি আছিল সেই ভঁৰালঘৰৰ আগত। কাল-সন্ধিয়াৰ ম্লান পোহৰতো পদুমীয়ে দেখিছিল তাৰ গোটেই শৰীৰ তিতা; তিয়নি চুৰিয়াখনৰ পৰা টপটপকৈ পানী পৰিছে মাটিত। কিবা অজান আশংকাত মনটো শিয়ৰি উঠিছিল তাইৰ। পদুমীক মাত এষাৰ নিদিয়াকৈ তীখাৰু ওলাই গৈছিল সিদিনা।

তিনিদিন পুতেকৰ কোনো খা-খবৰ নাপাই পাৱৈ বুঢ়ীয়ে যেতিয়া হায়ে-বিয়ে কৰি এবাৰ ঘৰ, এবাৰ নঙলামুখত ছটফটাই ফুৰিছিল, পদুমী অলপ সময়ৰ অন্তৰে অন্তৰে মূৰ্চ্ছা গৈছিল, গোটেই গাওঁখনে সিহঁতৰ চোতালত হেঁচ খাই পৰিছিল, তেতিয়াহে হৰেনে কওঁ-নকওঁকৈ আচল কথাষাৰ কৈছিল। তাৰ কথাবোৰ আছিল সাধুকথাৰ দৰে; দুঃস্বপ্নৰ দৰে ভয়লগা অলীক সাদুকথা: ছমাহমানৰ আগৰ কথা। ঔজোপাৰ ওচৰত কোনোবাই লুকাই মাছ মাৰি আছে বুলি শুনি হৰেনো গৈছিল তীখাৰুৰ লগত। গৈ দেখে, কোনো নাই তাত। তথাপি সাহস কৰি মৰিশালীলৈ গৈছিল দুয়ো। সিফালেও কাকো নাপাই তীখাৰুৱে জালকে উলিয়ালে। তাৰে পুৰণা জালখন আছিল নাৱত। ভুনভুনাই মন্ত্ৰ মাতি সেইখনেৰে সি বহুত মাছ মাৰিলে, মাছেৰে ভৰি গ'ল নাৱৰ বুকু। মাছ মৰা শেষ হোৱাত তীখাৰুৱে সৰুপানী চুবলৈ পাৰত নাও চপালে। আৰু খন্তেক পাছতে উভতি আহি নাৱৰ পীৰিতে বহি ল'লে। মাছ মাৰি তাৰ ভাগৰ লাগিছে বুলি ভাবি হৰেনে নাও বাই থাকিল। ঔৰ গুৰি পাৰ হৈ হঠাৎ হৰেনে মন কৰিলে— নাৱত মাছ কম। এনেতে পিছপিনে টকালি মৰাৰ শব্দ শুনিবলৈ পালে। মুখখন ঘূৰাই জোনাকৰ মৃদু পোহৰত সি দেখিলে তীখাৰুৱে কেঁচাই কেঁচাই মাছ খাই আছে। আচল কথাটো হৰেনৰ বুজিবলৈ বাকী নাথাকিল—

কোনোবা ছেগতে তীখাৰুক পোতা মোচৰা দি তাৰ ৰূপ ধৰি বহি আছে বিলৰ বাঁকটো। বাঁকে মাছ খোৱাত ব্যস্ত দেখি হৰেনে ততাতৈয়াকৈ পাৰত নাও চপালে আৰু জোলোঙাটো লৈ দৌৰ মাৰিলে ভঁৰালঘৰ বুলি। সৰিয়হৰ ডুলিত জোলোঙাটো দলিয়াই থৈ সি কঁপি আছিল ভয়তে। খন্তেক পাছতেই বাহিৰত কান্দোনৰ শব্দ শুনা পালে। বেৰৰ ফুটাইদি দেখিলে, চোতালৰ মাজত বহি লৈ তীখাৰুৰূপী বাঁকটোৱে ইনাই-বিনাই কান্দি আছে— জোলোঙাটো তাক ওভতাই লাগে। তাৰ হিয়াভগা কান্দোনতো হৰেনে তাৰ জোলোঙাটো ওভতাই নিদিলে। সিও ৰূপ সলাব নোৱাৰিলে— তীখাৰু হৈয়ে থাকিল ঘৰত। পদুমীক কথাটো কেনেকৈ ক'ব তাকে ভাবি হৰেনো মনে মনে থাকিল। এই সিদিনাহে সি বিচাৰিছে বুলি পাভৈক ফাকি দি সৰিয়হৰ ডুলিৰ পৰা জোলোঙাটো সৰকাই বাঁক পলাল।

হৰেনৰ কথা শুনি পাভৈ বুঢ়ীয়ে সুৰ ধৰি বিনাবলৈ ধৰিলে। পদুমীয়েও কান্দি উঠিল বাঁহীৰ কৰুণ সুৰৰ দৰে। সিহঁতৰ কান্দোনত ৰ'ব নোৱাৰি গঞাঁয়ো হায়ে-বিয়ে কৰিবলৈ ধৰিলে। বুঢ়ীৰ বিননি শুনি পূবৰ পৰা সোঁ-সোৱাই অহা বতাহ এজাক থমকি ৰৈ পাক খালে, পদুমীৰ কান্দোনত বিলৰ ঢৌবোৰ উত্তাল হ'ল, গঞাঁৰ হিয়াভগা কান্দোনত প্ৰচণ্ড ধুমুহা আৰু দবাপিতা বৰষুণ দিবলৈ ধৰিলে।

শোক-বিলাপত সিদিনা সকলোৱে ইমান বিভোৰ আছিল যে কেতিয়া পদুমীয়ে সেই ধুমুহা-বৰষুণৰ মাজেৰে বিলৰ পাৰলৈ দৌৰিছিল ক'বকে নোৱাৰিলে। যেতিয়া ধুমুহা-বৰষুণ এসময়ত হঠাতে ৰৈ গৈছিল, তেতিয়াহে পাভৈয়ে চক খাই দিঠকলৈ ঘূৰি আহিছিল আৰু কথাষাৰ মন কৰিছিল। মুহূৰ্ততে বুজি পাই তেওঁ চিঞৰ-বাখৰ কৰি দৌৰিছিল বিলৰ পাৰ বুলি। কি হ'ল একো ধৰিব নোৱাৰি গঞাঁ ৰাইজেও দৌৰিছিল পিছে পিছে। বিলৰ পাৰ পাই সিহঁতে দেখিলে কুঁৱৰী-ঘাটত বহি লৈ পদুমীয়ে দেওলগা মানুহ এজনীৰ দৰে পানীলৈ থৰ লাগি চাই আছে। বিলৰ পানীত তেতিয়া ওপঙি আছিল হাজাৰ হাজাৰ মৰা মাছ।

সিদিনাখনেই হৰেনৰ সান্দহ খোৰা বালি তল গৈছিল। তাৰ পাছত জাল পেলালেই মৰা মাছ, জাল পেলালেই শামুক। কোনোবাই কুমন্ত্র কৰি বিলৰ পানীত ওভতাই বাঁহ পুতিলে বুলি ভাবি হৰেনে পাৰকাঠীৰ বেজ নমালে। বেজে জলপান আৰু হোকা লৈ তিনিদিন পানীৰ তলত থাকিলগৈ, কিন্তু একোকে উলিয়াব নোৱাৰিলে।

সাত মাহ পাছত গোটেই ৰাতি অসহ্য প্ৰসৱ-বেদনাত ছটফট কৰাৰ পাছত পদুমীয়ে মেটেকা-ফুলৰ দৰে বেঙুণীয়া বৰণৰ এটা কুৎসিত পুত্ৰ-সন্তান প্ৰসৱ কৰিলে। সেই ৰাতিও প্ৰবল ধুমুহা আৰু বৰষুণ দিছিল। আৰু বৰষুণত পৰিছিল জাকে জাকে মাছ। মৰা নহয়, জীয়া জীয়া গৰৈ মাছ।

জন্মৰ সময়ত বৰষুণত চোতাল ভৰি গৰৈ মাছ পৰিছিল বুলি সকলোৱে তাক ‘গৰৈ’ বুলি মাতিবলৈ ল’লে। পদুমীয়ে কিন্তু পুতেকক বেলেগ কিবা ধুনীয়া নাম এটা ধৰি মাতিছিল— কিবা ফুলৰ নামেৰে আছিল নামটো। মাকৰ দৰে হৰেনৰ ঘৈণীয়েকেও সেই নামটো ধৰিয়েই মাতিছিল তাক। আন দহজনীৰ দৰে ঘৃণাত আঁতৰি নগৈ সেউতীয়ে হাড় ওলোৱা দীঘল আঙুলিকেইটাৰে আলফুলকৈ মোহাৰি দিছিল তাৰ ধপধপাই থকা বেঙুনীয়া বুকুখন। পিছে সেই নামে মাতিবলৈ কিমান দিননো জীয়াই থাকিল সিহঁত দুয়ো। এবছৰৰ ভিতৰতে জেওৰা খৰি এডালৰ দৰে শুকাই-খীণাই সেউতী সিফলীয়া হ’ল। আৰু তিনিবছৰীয়া কেঁচুৱা থৈ গৰৈৰ মাক মৰিল বৰডুলি এটাৰ দৰে শকত হৈ। মৰাৰ সময়ত দেখিলে কোনে ক’ব কেইবছৰমান আগতে খালৈৰ কঁকালটোৰ দৰে খামুচীয়া কঁকাল আছিল সেইজনীৰ। মানুহে কয়, ৰজামায়ঙৰ বেজ এজনৰ লগত পদুমীৰ বাপেকৰ পুৰণি শত্ৰুতা আছিল, সেই বুঢ়া বেজজনেই তাইক ‘টেকেলি হৰা’ কৰিছিল।

অসহ্য যন্ত্ৰণা আৰু কষ্টৰ মাজেৰে পদুমী ঢুকাইছিল। নৰিয়া গাৰেই চুঁচুৰি চুঁচুৰি কেঁচুৱা চোৱা-চিতা, শাহুৱেকৰ আলধৰা আৰু ঘৰৰ যাৱতীয় কাম-বন কৰিবলগীয়া হৈছিল। বাঁকৰ লগত বোৱাৰীয়েকে সংসাৰ কৰাৰ কথাটো পাভৈয়েনো সহজভাৱে ল’ব কেনেকৈ? আৰু বাঁকৰ ল’ৰাটোকনো নিজৰ নাতি বুলিব কোন সতে? সেইবাবেই গৰ্ভপাত কৰাবলৈ বুঢ়ীয়ে বহুত যত্ন কৰিছিল।

পদুমীয়ে নমনাত গোপনে খোৱাবস্তুৰ লগত কিবা আসুৰিক ঔষধো মিহলাই দিছিল। তথাপি গৰৈৰ জন্ম হ'ল। বুঢ়ীয়ে চেৰাশালীত নোসোমালেও তাৰ জন্ম হ'ল। বুঢ়ীয়ে বোকোচাত নল'লেও সি বোকোচা এৰি দৌৰি ফুৰিব পৰা হ'ল। কিন্তু তিনি বছৰ বয়সত যিদিনা সি ঘাট-মাউৰা হ'ল, সিদিনাহে পাভৈৰ শিলৰ দৰে কঠিন হৃদয়ত শেলুৰৈ গজিল। গিজগিজাই থকা এচোতাল মানুহক অবাক কৰি, 'মোৰ নাতি ঐ নাকান্দিবি। মই এতিয়াও জীয়াই আছোঁ ঐ' বুলি গৰৈক বুকুত তুলি লৈছিল। তাৰ পাছৰে পৰা গৰৈৰ বেঙুনীয়া বৰণটো ক্ৰমে সলনি হ'বলৈ ধৰিলে আৰু হৈ হৈ এসময়ত আইতাকৰ দৰেই মিঠাবৰণীয়া হ'লগৈ।

সৰুতে আন দহটা ল'ৰাৰ দৰে গৰৈয়েও পথাৰে পথাৰে চিলা উৰুৱাবলৈ, বনে বনে জহামাল বিচাৰিবলৈ ভাল পাইছিল। অমৰাগুটিৰ দৰে ডাঙৰ ডাঙৰ চকু, খহুৰা ছাল আৰু কুৎসিত কুঁজা চেহেৰাটোৰ বাবে লগৰীয়াচামে তাক কেতিয়াও ঘৃণা বা ভয় কৰা নাছিল। দৰাচলতে সেই চেহেৰাটোৰ লগতে তাৰ সৰল হাঁহি আৰু খোনা মুখেৰে কথা কোৱা আমোদজনক ভংগীৰ বাবেই সিহঁতৰ মধ্যমণি আছিল সি। কোনোবাই তাক 'বাঁকৰ ল'ৰা' বুলি জোকালেও সি খং নকৰিছিল, বৰং সিহঁতৰ তামাচাত আমোদ পাই হাত-চাপৰি বজাই হিকটি মৰাৰ দৰে অদ্ভুতভাৱে হাঁহিছিল— বৰ ৰং পালে সি তেনেকৈ হাঁহিছিল।

চেহেৰাটোৰ বিপৰীতে গৰৈৰ চাল-চলন বৰ স্বাভাৱিক আছিল তেতিয়া। ক্ৰমে গাৰ আঁহ-পাঁহবোৰ মুকলি হোৱাৰ লগে লগে সি সংসাৰৰ আওভাও বুজি পোৱা হ'ল। আনকি গাঁওবুঢ়াৰ গৰু-ম'হকেইটা পথাৰলৈ নিওঁতে গৰখীয়া মেলত শ্লীল-অশ্লীল বহুত কথাই সি শিকিলে। গাঁৱৰ জীয়ৰী-বোৱাৰীহঁতে ইমান দিনে তাক দেখি কৰা ৰসাল মন্তব্যবোৰৰ অৰ্থও অলপ-অচৰপ সি বুজি পোৱা হ'ল। কণ কণ ল'ৰা-ছোৱালীবোৰে তাক দূৰৰ পৰা 'বাঁকৰ ল'ৰা, বাঁকৰ ল'ৰা' বুলি জোকালে সি সৰলভাৱে হঁহাৰ সলনি শিলগুটি মাৰিবলৈ ধৰিলে। ক্ৰমে খঙাল হৈ উঠিল সি। তাৰ অঁকৰা খংটোৰ পৰা আনকি লগৰীয়াচামো সাৰি নগ'ল। সাধাৰণ ধেমালিৰ বাবেও দুই-এজনে তাৰ এছাৰিৰ কোব খালে। মাথোঁ তাৰ খং কিছু পৰিমাণে দমন কৰিব পাৰিছিল গাঁওবুঢ়াৰ ল'ৰা ধনীৰামে। ঘৰৰ

চাকৰ হ'লেও ধনীৰামে তাক মাতিছিল 'মিতা' বুলি, সেইবাবেই কিজানি গৰৈয়ে তাৰ সকলো কথা একবাক্যে পালন কৰিছিল। ৰাতিপুৱাই গৰু-ম'হৰ জাকটো দলনিত দলঘাঁহ খাবলৈ এৰি দি সি ধনীৰামৰ ছাঁটো যেন হৈ থাকিছিল। ধনীৰামেও বৰ মৰম কৰিছিল তাক। আৰু এদিনাখন সেই ধনীৰামেও তাৰ জন্মক লৈ কুৎসিত মন্তব্য কৰিলে। আওপকীয়াকৈ ক'লেও কোনেও তাক এইষাৰ কথা মুখতে কোৱা নাছিল। সেইবাবেই ইমান দিনে বুজি নোপোৱা কথাটো সি হঠাতে বুজি পাই বজ্রপাতত থৰ হৈ যোৱা মানুহৰ দৰে অলপ পৰ আহত, বোবা দৃষ্টিৰে চাই ৰৈছিল ধনীৰামৰ মুখলৈ। তাৰপাছতে হঠাতে এৰি দিয়া বাটলুগুটিৰ দৰে ক্ষিপ্রগতিত পথাৰৰ মাজেদি সি দৌৰ মাৰিছিল ঘৰৰ পিনে, কাকো একো নোকোৱাকৈ।

আইতাকে সিদিনা খটবান্ধ লাগিহে গৰৈক পাকঘৰৰ ভগা পীৰাখনত বহুৱাব পাৰিছিল। পকা-খৰিচা আৰু পোৰা মাছৰ পিটিকাৰ লগত শ'লমাছ আৰু মূলাৰ আঞ্জাৰে আটোমটোকাৰিকৈ ভাত দি কাষতে বহি লৈছিল তেওঁ। পাতত প্রিয় মাছৰ আঞ্জা পায়ো গৰৈক ভাতকেইটা লিৰিক-বিদাৰি থকা দেখা পাই বুঢ়ীয়ে ক'লে, 'এইবোৰ মানুহে সজা কথা অ' বোপাই। হৰেনৰ কথা হোজা গঞাই বিশ্বাস কৰিলেও মই নকৰোঁ। কানীয়াটোৱে কানিৰ ৰাগিত কিবা দেখি কিবা কৈছে। তই মোৰ নাতি, তীখাৰুৰ ল'ৰা। তোৰ আই পদুমী আছিল জলকুঁৱৰীৰ দৰে ৰূপহী। তোৰ বাপেৰে মাৰক বিয়া কৰাই আনিছিল সেই বুঢ়ামায়ঙৰ পৰা। এইবোৰ বহুত কথা— পাখি লগা সাধুৰ দৰে। শুনিবি যদি ভাতকেইটা খাই ল'চোন বেগতে।'

'জলকুঁৱৰীৰ দৰে ৰূপহী আছিল তাৰ আই'— এই কথাষাৰে গৰৈক অদ্ভুত আনন্দ দিয়ে। মাকৰ ৰূপৰ কথা সি আগতেও বহুতবাৰ শুনিছে। মাজে মাজে বিলৰ পানীত নিজৰ কুৎসিত প্রতিবিম্ব চাই সি মাকৰ সুন্দৰ মুখখন মনত পেলাবলৈ যত্ন কৰে। কিন্তু কোনো মতেই গঢ় নলয় মুখখন। মাথোঁ কাৰোবাৰ ভিতৰ চ'ৰাৰ পৰা ৰিণিকি ৰিণিকি ভাহি অহা এটি নিচুকনি গীতৰ দৰে অস্পষ্ট, মুখ নোহোৱা মাইকী মানুহ এজনীৰ ছবিহে ভুমুকি মাৰে। অৱশ্যে তেনেই সৰুকালৰ এটি দৃশ্য গৰৈৰ চকুৰ আগত এতিয়াও ভাহি থাকে। সেইখিনিয়েই

তাৰ মচ নোখোৱা স্মৃতি— এদিনাখন বিলৰ পাৰতে গৰৈক উমলিবলৈ এৰি দি মাকে ঘাটতে কাপোৰকেইখনমান ধুই আছিল। খেলি থাকোঁতে কেনেবাকৈ সি বিলৰ পানীত পৰিল। নৰিয়া গাৰেই পদুমীয়ে সিদিনা অতল পানীত জঁপিয়াইছিল আৰু বিলৰ পানী চলাথ কৰি তাক বিচাৰি পাইছিল বহু দেৰি পাছত। মানুহে কয়, বাঁকৰ ল'ৰাক বাঁকে লৈছিল, মাকে বিচাৰি যোৱাৰ বাবেহে ঘূৰাই দিছে। সিদিনা গৰৈৰ আয়ুস আঁটিছিলেই। আকৌ তেনেকুৱা হয় বুলি ভয়তে পদুমীয়ে জাকৈ এখনত সি জন্ম হওঁতে থৈ দিয়া নাইটো, শেলাই দুডাল আৰু কণী এটা লৈ বিলৰ পানীত তাৰ নাম লৈ আয়ুস তুলিছিল। তাৰ কিছুদিন পাছত পদুমীৰেই আয়ুস আঁটিল। এইবোৰ কাৰণতে সি সাঁতুৰিবলৈ নিশিকিলে, সেই স্মৃতিটোৰ বাবেই কিজানি পানীৰ ভয়ত ক'ব নোৱৰাকৈ তাৰ মনৰ ভিতৰত সোমাই গৈছিল।

ৰাতি গৰৈক বুকুৰ মাজত আলফুলকৈ সুমুৱাই লৈ বুঢ়ীয়ে তেওঁৰ অদ্ভুত কথন ভংগীৰে আৰম্ভ কৰিলে তীখাৰুৰ আখ্যান। আইতাকৰ সাধু সাধু যেন লগা নানান কথাৰ ঢৌৰ মাজত গৰৈ টুলুঙা নাও এখনৰ দৰে ভাহি থাকিল। বহুৰাতিলৈকে পুতেকৰ কথা কৈ কৈ এসময়ত ক'ব নোৱৰাকৈ পাভৈ টোপনিৰ পকনীয়াত বুৰ গ'ল। গৰৈৰ হ'লে টোপনি নাহিল, অমৰাগুটীয়া চকুহাল মেলি আইতাকৰ শুই থকা মুখখনতে সি বাপেকক বিচাৰি থাকিল।

বহুসময়ৰ পাছত, খিৰিকিৰে নিগৰি অহা জোনাকখিনি পাভৈৰ মেলি থকা সোলা মুখখনৰ ভিতৰেদি সোমাই তেওঁৰ শুকাই যোৱা মগজুখিনিত ঢৌ খেলালে। টোপনিতে ভাঁজ হৈ থকা তেওঁৰ জঁকা হেন দেহাটো সেই ঢৌতে যেন অলপ লৰচৰ কৰি উঠিল। নাভিৰ পৰা বুকুৱেদি উজাই অহা পুৰণি কথাবোৰ বহুসময় ধৰি অস্পষ্ট গেঙনি এটা হৈ তেওঁৰ সেলেঙি লগা মুখখনৰ ভিতৰত, লেলাউটিৰে তিতি থকা জিভাখনৰ চাৰিওপিনে চাকনৈয়াৰ দৰে ঘূৰি থাকিল। আৰু এসময়ত পানীগছাৰ দৰে সেইবোৰ ধাৰাসাৰে ওলাই আহিবলৈ ধৰিলে, 'মৰতীজনীক কিমান বাৰ কৈছিলো, এই খাওঁ খাওঁ ৰূপটো লৈ বিলৰ পাৰলৈ অকলে নাযাবি, অথন্তৰ হ'ব। শুনিলেনে মোৰ কথা? শুনিলেনে? লাজ! গাঁৱৰ জীয়ৰী-বোৱাৰীহঁতৰ লগতো একেলগে গা ধুবলৈ হেনো লাজ লাগে, শুন কথা।

হোৱৌ, যি ভাবিছিলো সেয়ে হ'ল— পদুমীৰ ৰূপত বাঁক মতলীয়া হ'ল। মোৰ বুকুখন খালি কৰি বাঁকে এই যখিনীজনীৰ লগত সংসাৰ কৰিলে। মোৰ হাতৰ পৰা জোলোঙাটো ফুচুলাই লৈ পলাল, থৈ গ'ল এই আপদীয়াটোক। ইয়াক লৈ মই এতিয়া ক'ত মৰোঁ...।'

দিঠকত কোৱা কথাবোৰ বুঢ়ীয়ে টোপনিত ওলোটাকৈ ক'বলৈ ধৰিলে। শেষত আইতাকৰ মুখতো সি যে বাঁকৰ ল'ৰা তাকে শুনি গৰৈ যন্ত্ৰণাত তপত তেলত দিয়া জীয়া মাছ এটাৰ দৰে কেঁকুৰি গ'ল। তেতিয়া হ'লে ধনীৰামৰ কথাই ঠিক, গাঁৱৰ জীয়ৰী-বোৱাৰীহঁতে সেইবাবেই তাক দেখি ফিচিঙা-ফিচিঙি কৰি থাকে, সৰু সৰু ল'ৰা-ছোৱালীবোৰে 'বাঁকৰ ল'ৰা, বাঁকৰ ল'ৰা' বুলি জোকায়। সি বাঁকৰ ল'ৰা! ক'ত থাকে পিতা? বিলৰ অতল পানীত? মৰিশালিৰ কাষৰ সেই পিটনিবোৰত? ক'ত থাকে?

তেতিয়াই চাঙৰ পৰা উঠি গৰৈয়ে বাপেকক বিচাৰি গৈছিল বিলৰ পাৰলৈ। ছটফটাই অ'ত-ত'ত ঘূৰি শেষত ঔজোপাৰ ওচৰলৈ আহি সি বহি পৰিছিল ভাগৰতে। পানীত জাল পেলাই সেইখিনিতে, প্ৰায় বিছ-বাইছ হাতমান দূৰত বহি হৰেনে দুদগুৰ বাবে বৰশীবোৰা টোপনিত জুলুকিয়াই আছিল। চকু মেলি হঠাতে গৰৈক ঔৰ গুৰিত থিয় হৈ থকা দেখা পাই হৰেনৰ নিৰ্ভীক বুকুখনো ধপধপাই উঠিছিল, ডাল ডাল হৈছিল গাৰ নোমবোৰ। বাঁক, ধনগুলৈ, মছন্দৰীলৈ কেৰেপ নকৰা হৰেনেও জোনাকৰ ছঁয়ামযাত গৰৈক কিবা দেও-ভূত বুলিহে ঠাৱৰ কৰিছিল। আঁউসীৰ নিশাবোৰত এইফালে আহে নে নাহে, সেয়া অৱশ্যে হৰেনৰ বাবে সাঁথৰ। কিন্তু তাৰ পাছৰে পৰা হৰেনে জোনাকে ধোৱা নিশাবোৰত সদায় বিলৰ পাৰত তাক অস্থিৰভাৱে ঘূৰি ফুৰা দেখা পাইছিল।

গৰৈ আহিলে জাল সামৰিব লাগে বুলি সি আজি অইন দিনাতকৈও বহু আগতেই ঔৰ গুৰি পাইছিল। কিন্তু কান্ধৰ জাল কান্ধতেই ৰ'ল। বিলৰ নিজান বুকুত হাঁহি থকা জোনটোলৈ চকু যাওঁতেই অকস্মাৎ তাৰ পদুমীলৈ মনত পৰিল। এৰা, পূৰ্ণিমাৰ জোনটোৰ দৰেই ধুনীয়া আছিল পদুমী। দূৰৰ পৰা ভাহি অহা সুবাসৰ দৰে এঘাৰ বছৰ আগৰ এটা সুবাসিত দিন হৰেনৰ চকুৰ আগত আহি থিয় দিলে।

সিদিনা তীখাৰু নাছিল, আগদিনাই শুকান মাছৰ বেপাৰী দুজনৰ লগত জাগীৰোডলৈ গ'ল। ইফালে ধুৰন্ধৰ মহৰীজনৰ হাতত গোটেইখিনি এৰি দিব নোৱাৰি বুলি হৰেনে টঙিঘৰতে ৰাতিটো কটালে। কাউৰী পুৱাতে জীগৰোড, মৰিগাঁৱলৈ মাছ পঠিয়াই সি ঘৰলৈ বুলি খোজ ল'লে। বাট চমুৱাবলৈ সি বাটৰ সলনি বিলৰ পাৰ পাৰে আহি আছিল। গাঁৱত জীয়ৰী-বোৱাৰীহঁতে গা ধোৱা কুঁৱৰী-ঘাট নৌপাওঁতেই পানীৰ খলখল শব্দত সচকিত হৈ হৰেনে পানীলৈ চালে। দেখিলে, আকাশৰ পিনে বুকু থৈ চিলনী-সাঁতোৰ দিছে পদুমীয়ে। লিপিতখোৱা তিতা কাপোৰৰ মাজেদি উজলি উঠিছে তাইৰ মাগুৰ বৰণীয়া শৰীৰ। তাই বিয়া হৈ অহা তেতিয়া প্ৰায় এবছৰমানেই হৈছিল। হৰেনহঁতৰ বাৰীৰ পিছপিনেই সিহঁতৰ অকমানি পঁজাটো। তথাপি ইয়াৰ ভিতৰত মাত্ৰ এদিনহে হৰেনে তাইক ওচৰৰ পৰা দেখা পাইছিল। সিদিনা সি পদুমীক 'তীখাৰুকাইক কি মায়ঙীয়া তামোল খুৱালা বৌ' বুলি জোকাইছিল। পিছে উত্তৰ দিয়াৰ সলনি লাজত ৰঙা-চিঙা পৰি পদুমীয়ে দীঘলকৈ ওৰণিখন টানি লৈছিল। বৰ লাজ তাইৰ— হৰেনক দেখা পালেই ঘৰৰ ভিতৰ সোমায়গৈ। পদুমী বুলি ক'লেই চকামকাকৈ দেখা সিদিনাৰ পূৰ্ণিমাৰ জোনটিৰ দৰে স্নিগ্ধ, লাৱণ্যময় মুখখনৰ কথাই হৰেনৰ মনত আছিল। কিন্তু হঠাতে এই ৰূপত দেখা পাই হৰেন থৰ হৈ গ'ল।

পদুমফুলকেইপাহৰ মাজত তেতিয়া পদুমফুল এজনী হৈয়ে তাই ওপঙি আছিল। পদুমপাতৰ দৰেই সেউজীয়া হৈ গৈছিল তাইৰ হাত, তাইৰ ভৰি। কিন্তু সেয়া খন্তেকৰ বাবেহে, হঠাতে পাক এটা মাৰি ৰৌ এজনীৰ দৰে ভুটলুংকৈ তাই ডুব মাৰিলে বিলৰ অতল তলিত। বহুত সময় পাছত, একেবাৰে পাৰৰ ওচৰত সৰু-বৰ ঢৌৰ মাজত দেখা গ'ল তাইৰ মাগুৰ বৰণীয়া শৰীৰ আভাস। পানীৰ ওপৰত ওপঙি উঠি আকৌ তাই আগৰ দৰে আকাশৰ পিনে বুকু থ'লে। ৰাতিপুৱাৰ কোমল ৰ'দত বৰ-জালৰ দৰে স্বচ্ছ হৈ পৰিছে তাইৰ শংখৰ দৰে স্তন, খালৈৰ দৰে কঁকাল, পকনীয়াৰ দৰে ঘূৰণীয়া, গভীৰ নাভিমূল। তাইৰ সেই আচৰিত ঢৌ খেলোৱা পিছল শৰীৰৰ ভাঁজে ভাঁজে খেলি ফুৰিছে অসংখ্য সৰু সৰু সেন্দূৰীয়া মাছ। পাৰৰ ওচৰ পায়ো পদুমী পাৰলৈ উঠি নাহিল, জলকুঁৱৰীৰ

ফিছাৰ দৰে ভৰি কোবাই তাই বিলৰ বুকুত এনেকৈ সাঁতুৰি থাকিল যেন জুইহে লাগিছে পানীত!

সিদিনা জুই অকল পানীতে লগা নাছিল, লাগিছিল হৰেনৰ দেহাতো। কামনা আৰু ঈৰ্ষাৰ জুই। কেইবাদিনো সেই জুইৰ উত্তাপত ছটফটাই থকাৰ পাছত বৰষুণে ধুৱাই নিয়া এটা নিজান নিশাত তাৰ দেহা শাঁত পৰিছিল।

তীখাৰুক টঙিঘৰতে ৰাতিটো থাকিবলৈ কৈ দবাপিটা বৰষুণৰ মাজত এদিন হৰেনে তীখাৰুহঁতৰ দুৰ্বল দুৱাৰৰ ডাং খুলিলে আৰু আন্ধাৰতে খেপিয়াই খেপিয়াই চাঙৰ একাষে চিত হৈ লালকাল দিয়া পদুমীৰ কাষতে সি শুই পৰিল। পদুমীৰ গাৰ পৰা তেতিয়া ভাহি আহিছিল পদুমফুলৰ সুবাস। সেই সুবাসৰ উৎস বিচাৰি হৰেন তাইৰ ফুল-কোমল শৰীৰৰ ভিতৰত সোমালগৈ। আৰু খন্তেক পাছতেই তাইৰ ব'হাগৰ বিলৰ দৰে লাহী দেহাটোৰ মাজেৰে দীঘল কুচিয়া মাছ এটাৰ দৰে উজাবলৈ ধৰিলে। বাৰিষাৰ প্ৰবল বৰষুণে তেতিয়া কঢ়িয়াই আনিছিল উজানৰ বতৰা।

দিনটোৰ অমানুষিক খাটনিৰ ফলত ৰাতি পদুমীয়ে মৰা মানুহৰ দৰে শোৱে। কেতিয়াবা মাজনিশাও তীখাৰু ঘৰলৈ ওভতে। সেইবাবে টোপনিৰ আলজালতে তাই হৰেনকে গিৰিয়েক বুলি ভাবিছিল। অইনদিনা হ'লে তাই কিজানি টোপনিৰ জলাশয়তে ডুবি থাকিলহেঁতেন, কিন্তু পৰপুৰুষৰ অচিনাকি, কৰ্কশ স্পৰ্শটোৱে তাইক হঠাৎ সজাগ কৰি তুলিলে। সাৰ পাই বুকুৰ ওপৰতে শুই থকা অচিনাকি দেহাটো তাই ঠেলি আঁতৰাই দিবলৈ প্ৰাণেপণে যত্ন কৰিলে, কিন্তু নোৱাৰিলে। আন্ধাৰ বৰণৰ হাতখনে পদুমীৰ চিঞৰি উঠিব খোজা মুখখন জোৰেৰ চেপা মাৰি ধৰিলে। দবাপিটা বৰষুণত তল যোৱা তাইৰ গেঙনিটোৱে বিলত উজানৰ ঢল অহালৈকে ছটফটাই থাকিল।

চৰম দুৰ্ঘটনাটো সিদিনা ঘটি গৈছিল যদিও কোনো দোষ নাছিল পদুমীৰ— ৰাধিকাৰ দৰে সতী আছিল তাই। গিৰিয়েক নথকাৰ সুযোগ লৈ পৰপুৰুষে চুৰা কৰি পলাই যোৱা কথাটোও তাইৰ সৰল মনে ঢুকি পোৱা নাছিল। ভাবিছিল, কোনোবা ভূত-পিশাচে লম্ভিছে। ৰাতিয়েই তেল জাৰি গাটো বান্ধি লৈ আকৌ শুই পৰিছিল পদুমী। বহুৰাতিলৈকে টোপনি নাহিলেও

শেষৰাতি দিনৰ ভাগৰখিনি আকৌ তাইৰ দুচকুত থূপ খালে; আচহুৱা সপোন এটাও দেখিলে। দেখিলে, তীখাৰুৰ পেটটো গৰ্ভৱতী তিৰোতাৰ দৰে স্ফীত হৈ উঠিছে। মানুহে কোৱা-কুই কৰিছে তাৰ হেনো ল'ৰা হ'ব!

সেইদিনাই শেষ নহয়, আৰু এদিন গাত কেঁচা মাছ সানি হৰেনে পদুমীৰ গাৰ সুবাসিত পাহিবোৰ আলফুলকৈ খহাইছিল।

এইবোৰ কথা ভাবি থাকোঁতে এই ঠেঁটুৰৈ-ধৰা জাৰতো হৰেণৰ দেহা উষ্ম হৈ উঠিল। মিচিকিয়া হাঁহি এটা বিৰিঙি উঠিল গোঁফৰ তলত। এনেকুৱা কথাবোৰেই তাৰ ভাবি থাকিবলৈ মন গ'ল। কিন্তু হঠাতে ধপধপাই যোৱা কোনোবা অচিন নিশাচৰী চৰাইৰ কৰ্কশ মাতত সি চকখাই উঠিল। এৰা, বহুত ৰাতি হ'ল; মাছ মাৰিব লাগে। ততাতৈয়াকৈ সি তাৰ শতছিন্ন খেৱালি জালখন কান্ধৰ পৰা নমালে আৰু আটোম-টোকাৰিকৈ জালখন দুভাগ কৰি, হাতৰ মুঠিত সজাই লৈ পানীত খেও দিবলৈ যাওঁতেই হৰেন থমকি ৰ'ল। কুঁৱলীত ওপঙি থকা গাঁৱৰ ঠেক গৰু-বাটটোৰেই সি আহি আছে। অইনদিনাতকৈ বহুত আগতেই তাক আহি থকা দেখা পাই হৰেনে বিৰক্তিৰে জালখন সামৰিলে। আৰু খালৈ দুটা কঁকালত বান্ধি পিছ বাটেদি যাবলৈ ওলাওঁতে অকস্মাৎ সি মন কৰিলে গৰৈ আজি আহি আছে শামুকৰ দৰে ধীৰ গতিত, চুঁচৰি চুঁচৰি। ঔৰ গুৰি পাওঁতেই তাৰ বহুত সময় লাগিল। কিনো হৈছে তাৰ? কৌতুহলবশতঃ নিয়ৰত তিতা সৰাপাতবোৰ সাৱধানে গচকি হৰেন ঔজোপাৰ কাষ চাপিল। অবাক হৈ সি দেখিলে, এই হাড় কঁপোৱা জাৰতো তাৰ গাত কোনো কাপোৰ নাই— সম্পূৰ্ণ উলংগ।

দুপৰীয়া আমগছ এজোপাৰ তলত আমন-জিমনকৈ বহি গৰৈয়ে মাকৰ কথা ভাবি আছিল। এনেতে গাঁওবুঢ়াৰ বগী গাইজনী ক'ৰবাৰ পৰা দৌৰি আহি তাৰ গা চেলেকিবলৈ ধৰিলে। গাঁওবুঢ়াৰ ঘৰ এৰাৰ পাছত দূৰৰ পৰাই সিহঁতৰ গৰু-ম'হকেইটাক দেখিলে তাৰ মনটোৱে উচুপে, তাতে তাৰ আটাইতকৈ মৰমৰ বগী গাইজনীক ওচৰত পাই গৰৈয়ে তাইৰ গলধনত আলফুলকৈ চুমা এটা খালে, গা-মূৰ পিহি দিবলৈ ধৰিলে। অলপ আঁতৰৰ পৰাই দুই-এজন গৰখীয়াৰ লগতে ধনীৰামেও এই দৃশ্যটো উপভোগ কৰি আছিল। হঠাতে দুষ্ট

বুদ্ধি এটাই তাৰ মগজুতলিত বুৰবুৰণি তুলিলে। ধনীৰামে তাৰ চেংচেঙীয়া মাতটোত অলপ বিদ্রূপ সানি ক'লে, 'হেৰৌ, তোৰ মাৰকো বাঁকে এনেকৈ মৰম কৰিছিল...।'

ধনীৰামৰ প্ৰতিটো শব্দই গৰৈক শিঙীমাছে বিন্ধাদি বিন্ধিলে, তাৰ অকমানি জীউটো নিমখ দিয়া মাগুৰ মাছ এটাৰ দৰে ছটফটাই থাকিল। তথাপি শুনিও নুশুনাৰ ভাও ধৰি সি আগৰ দৰেই বগীৰ গা-মূৰ পিহি থাকিল। কিন্তু ক্ৰমে সহিব নোৱৰা বিধৰ অশ্লীল হৈ উঠা ধনীৰামৰ কথাবোৰে গৰৈৰ শুই থকা অঁকৰা খংটোক জগাই তুলিলে। আৰু খঙতে দৌৰি গৈ সি হাতৰ ম'হ খেদোৱা এছাৰিডালেৰে ধনীৰামৰ বাওঁ বাহুত বৰ জোৰেৰে কোব মাৰিলে। তাৰ পাছত একেঠাইতে আৰু একোব, তাৰ পাছত আৰু তিনিকোবমান। ধনীৰামক তেনেকৈ কোবোৱা দেখা পাই গৰখীয়াকেইটাই তাক আগচি ধৰিলে। হুলস্থুল শুনি পথাৰৰ পৰা গাঁওবুঢ়াৰ হালোৱাকেইটাও দৌৰি আহিল। কোনেও গৰৈৰ কথা নুশুনিলে, আটায়ে তাক মাটিত পেলাই লৈ তামোল চোৰক মৰাদি মাৰিলে। মাৰ খাই গৰৈয়ে যেতিয়া একেবাৰে অৱশ হৈ মাটিত দীঘল দি শুই পৰিছিল, নাকে-মুখে ফেন ওলাইছিল, তেতিয়া সিহঁতে তাৰ চুৰিয়াখন টানি খুলি দিলে। আৰু হঠাতে নঙঠা হৈ পৰা তাৰ গৰৈ মাছৰ খহুলা দেহাটোৰ চাৰিওপিনে সিহঁতে এক আচৰিত পাশৱিক উল্লাসত কিৰীলি পাৰি উঠিল।

অলপো লৰচৰ নকৰাকৈ গৰৈ বহুত সময় ধৰি নিশ্চল হৈ পৰি থকাত দেহাত প্ৰাণ আছে নে নাই চাবলৈ যাওঁতে তাৰ ৰক্তাক্ত দেহাটোত ধনীৰামে কেঁচা মাছৰ গোন্ধ পালে। ধনীৰামৰ কথা শুনি সিহঁত আটায়ে গৰৈৰ উলংগ দেহাটো শুঙি চাবলৈ লৰা-ঢপৰা লগালে। আৰু আচৰিতভাৱে আটাইখিনি ল'ৰাই তাৰ গাত কেঁচা মাছৰ কেচেমা-কেচেম গোন্ধ পালে। সি যে বাঁকৰ ল'ৰা, এই লৈ আৰু কৰো মনত সন্দেহ নাথাকিল। কিছুসময় পাছত তাৰ নিশ্চল, ৰক্তাক্ত দেহাটো অলপ লৰচৰ কৰি উঠাত সিহঁত আটায়ে সমস্বৰে 'বাঁকৰ ল'ৰা, গৰৈ মাছ; বাঁকৰ ল'ৰা, গৰৈ মাছ' বুলি চিঞৰি চিঞৰি গীত গাই গাই ঘৰমুৱা হ'ল। যোৱাৰ আগতে ধনীৰামে গৰৈৰ চুৰিয়াখন দলিয়াই থৈ গ'ল লঠঙা আমগছ এজোপাৰ বহু ওপৰত।

জোনাক নিশাবোৰত গৰৈক ঔজোপাৰ আশে-পাশে দেখা পোৱাটো হৰেনৰ বাবে একো নতুন কথা নহয়। সাধাৰণতে ৰাতি নুপুউৱালৈকে এইখিনিতে পৰুৱাই পোৱা মানুহৰ দৰে সি ঘূৰা-পকা কৰি থাকে। কিন্তু আজি তাক একেবাৰে অন্যৰূপত দেখা পাই হৰেন আচৰিত হৈ গ'ল। কোনোমতে থিয় হৈ থকা গৰৈৰ ক্ষত-বিক্ষত উলংগ দেহাটো, বিশেষকৈ জোনাকত উজলি উঠা তাৰ ৰক্তাক্ত পিঠিখনে হৰেনক তালুৰ পৰা তলুৱালৈকে কঁপাই নিলে। যেন তেলত দিয়াৰ আগতে জীয়া মাগুৰ এটা কোনোবাই পথালিকৈ কঁচিছে। তাৰ মুখখনো ফুলি গৈছে বৰ অদ্ভুতভাৱে, নাকৰ তলডোখৰত ক'লা ক'লা, বৈ অহা তেজে চেৰা বান্ধিছে কিজানি! তাৰ কুৎসিত মুখখন আৰু কুৎসিত হৈ উঠিছে। দেখিলে কোনে ক'ব পদুমীৰ পেটৰ পানীতে গঢ় লৈছিল গৰৈৰ কুশ্ৰী শৰীৰ? গজিছিল তাৰ হাত, তাৰ ভৰি? আৰু...।

'পি... তা... ই...'

অকস্মাৎ ৰাতিৰ নিস্তব্ধতা বিদাৰি ভাহি আহিল এক কৰুণ আকুতি। মুহূৰ্তৰ বাবে বিলৰ মৃদু ঢৌবোৰ, ঢৌবোৰৰ ওপৰেদি বাগৰি অহা চেঁচা বতাহজাক, আনকি বতাহত থৰথৰকৈ কঁপি থকা বাঁহৰ পাতবোৰো থমকি ৰৈ গ'ল। পানীৰ পিনে চাই গৰৈয়ে চিঞৰিছে 'পিতাই' বুলি। গৰৈৰ নিশা বিচৰণৰ ৰহস্যটো হঠাতে গম পাই হৰেন শিহৰিত হ'ল। পিতাই! কোন তাৰ পিতাই?

মানুহে কয়, সি বাঁকৰ ল'ৰা। কিন্তু হৰেণৰ আগত কোনোবাই গৰৈক বাঁকৰ ল'ৰা বুলি ক'লে তাৰ খিৰখিকাই হাঁহি উঠে। ইফালে পাভৈ বুঢ়ীয়ে কয়— নহয়, গৰৈ তীখাৰুৰ ল'ৰা। সিনো কেনেকৈ জন্ম দিব তাক? গৰৈৰ জন্মৰ কেইদিনমান পাছতে বাগানৰ ডাক্তৰজনে বৰ আচৰিত হৈ হৰেনক আচল কথাটো কৈছিল। বহু বেজ-কবিৰাজক দেখুওৱাৰ পাছতো ল'ৰা-ছোৱালীৰ মুখ নেদেখি শেষত তীখাৰু হেনো তেওঁৰ তালৈও গৈছিল। তেৱোঁ দৰব-পাতি দি বহুত চেষ্টা কৰিলে, পিছে একো লাভ নহ'ল। তেওঁৰ মতে, সন্তান জন্ম দিয়াৰ ক্ষমতা নাছিল তীখাৰুৰ।

বহুত আশা কৰিয়েই বিলৰ নিজান বুকুলৈ নাও লৈ গৈ হৰেনে তীখাৰুৰ পিছ মূৰত বঠাৰে কোবাইছিল আৰু তাৰ পাছতে নাৱৰ পীৰিত অলপ পৰ

ধৰফৰাই নিশ্চল হৈ পৰা তাৰ অৰ্ধমৃত দেহাটো তৎক্ষণাৎ জালেৰে মেৰিয়াই মৰিশালিৰ ওচৰৰ সেই পিটনিখনত পুতি থৈছিলগৈ। কিন্তু তাক হত্যা কৰাৰ পাছত আৰু কোনোদিনেই সি পদুমীৰ কাষ চাপিব নোৱাৰিলে। গিৰিয়েকৰ মৃত্যুৱে ৰূপৰ লগতে তাইৰ টোপনিও চিৰদিনৰ বাবে কাঢ়ি নিছিল। হৰেনৰ মুখত খবৰটো শুনি প্ৰথমতে পদুমীয়ে বিশ্বাসেই কৰা নাছিল। কিন্তু ধুমুহা-বৰষুণৰ মাজেদি দৌৰি আহি যেতিয়া তাই বিলৰ পানীত হাজাৰ হাজাৰ মৰা মাছ ওপঙি থকা দেখিলে, তাইৰ চকু থৰ হৈ গ'ল। বিস্ময় আৰু যন্ত্ৰণাত অদ্ভুত ধৰণে মেল খোৱা চকুহাল আৰু কোনোদিনেই তাই জপাব নোৱাৰিলে।

জীৱনৰ বাবে নাপালেও হৰেনে তাইৰ বাৰিষাৰ বিলৰ দৰে ওফন্দি উঠা পেটটোৰ পিনে চাই একধৰণৰ আনন্দ পাইছিল। সেউতীৰ দৰে পাটীৰ তিৰোতা নহ'লেও পদুমীৰ পেটতে সিঁচিছে তাৰ বংশধৰ!

'পিতাই...', ঔৰ গুৰিৰ পৰা পানীৰ কাষলৈ দুখোজমান আগুৱাই গৈ গৰৈয়ে আকৌ চিঞৰি উঠিল। বাঁহীৰ কৰুণ সুৰৰ দৰে বুকু আঁচুৰি উজাই অহা তাৰ ক্ৰন্দন-মিশ্ৰিত, চেপা, ক্ষুব্ধ আকুতিটোৱে হৰেনৰ বুকুখন মোচৰ মাৰি ধৰিলে। সেই নিৰ্দয় বুকুখনতে অলৰ হৈ থকা ইমান দিনৰ সবল, ৰুক্ষ গছজোপাক গৰৈৰ হিয়াভঙা চিঞৰটোৱে শিপা উভালি ভাঙি পেলাব খুজিলে। মাত দিব খুজিও হৰেন ৰৈ গ'ল; মাতৰ সলনি গধুৰ হুমুনিয়াহ এটাহে ওলাই আহিল।

থিয় গৰাটোৰ ওচৰত বৰ বিপজ্জনকভাৱে আঁউজি গৰৈয়ে এইবাৰ নুফুটা মাতেৰে আৰ্তনাদ কৰি উঠিল। কেইটামান অনিশ্চিত মুহূৰ্ত বৰ অস্থিৰভাৱে পাৰ হওঁ-নহওঁকৈ পাৰ হ'ল। তাৰ পাছত সি শেষবাৰৰ বাবে আকাশ-বতাহ কঁপাই 'পিতাই' বুলি চিঞৰি পানীত জঁপিয়ালে। গৰৈক জঁপিওৱা দেখি হৰেনো থিয় গৰাটোৰ পিনে লৰ মাৰি গ'ল। দেখিলে, জোনাকে ধৌৱাই নিয়া বিলৰ এঠাইত আন্ধাৰ গোট মাৰিছে। তাৰ চাৰিওপিনে ঘূৰণীয়াকৈ বাগৰি আছে অজস্ৰ ঢৌ। হৰেনে জানে, হাতীয়ে মাউতে থাউনি নোপোৱা পানী ইয়াত; আৰু এইখিনিতে জঁপিয়াইছে কেতিয়াও পানীত ননমা ল'ৰাটো!

জালখন দলিয়াই থৈ হৰেনেও জাঁপ মাৰিলে সেই থূপ খোৱা আন্ধাৰৰ গভীৰতাত। পানীৰ ওপৰছোৱাত মৃদু পোহৰৰ চামনি, কিন্তু তলৰ পিনে আন্ধাৰ ক্ৰমে আৰু ঘন হৈ আহিছে। পাক খাই খাই আগুৰি অহা বিশাল আন্ধাৰৰ মাজত হাহাকাৰ কৰি হৰেনে খেপিয়াই ফুৰিলে। কিন্তু গৰৈৰ কোনো শুংসূত্ৰই নাই। তথাপি বুকুত বতাহ থকালৈকে সি শুই থকা মাছৰ গাঁওখনৰ ভিতৰত, পদুম-শেলুকৰ পাত-লতা আৰু বিবিধ জলজ ঘাঁহ-বনেৰে সজা মাছৰ অলেখ ঘৰ-দুৱাৰ মহটিয়াই পুতেকক বিচাৰিলে। কিন্তু ক'তো নাপালে। বিলৰ তলিত খন্তেক নিটাল মাৰি শুয়ো চালে— ক'ৰবাত তাৰ হাত-ভৰি কোবোৱা শব্দ শুনা যায় নেকি! নাই, কোনো সাৰ-সুৰেই নাই। মাথোঁ অথাই পানীৰ মাজেদি ভাহি আহিছে অনাথ মাছবোৰৰ হুমুনিয়াহ আৰু ফুচফুচনিৰ শব্দ।

নিৰাশ হৈ হৰেনে এবুকু উশাহৰ আশাত ওপৰৰ পিনে উচাল মাৰিলে। কিন্তু ওপৰ নাপাওঁতেই হঠাৎ দুখন অদৃশ্য হাতে তাক গবা মাৰি ধৰিলে। শতচেষ্টা কৰিও সেই সবল বাহুবন্ধনৰ পৰা হৰেন ওলাই আহিব নোৱাৰিলে। সি যিমানেই চেষ্টা কৰে, হাত দুখনে তাক সিমানেই কপকপীয়াকৈ জপটিয়াই ধৰে। মৃত্যু ভয়ত ছটফট কৰি সি চিঞৰি উঠিল, উশাহ নোপোৱা তাৰ ভয়ত্ৰস্ত চিঞৰটোৱে পানীত দুটামান বুৰবুৰণি তুলিলে মাথোন। বহু প্ৰতীক্ষাৰ শেষত অথাই পানীৰ মাজত বাপেকক বিচাৰি পাই গৰৈয়ে ইমান নিবিড়ভাৱে সাবটি ল'লে যে তাৰ বুকুৰ মাজত সোমাই হৰেন থৰ হৈ গ'ল।

খন্তেক পাছতেই ঘূৰি ঘূৰি তল যোৱা বাপেক-পুতেকৰ আলিংগনাবদ্ধ, ঠৰঙা দেহ দুটাক আগুৰি বিলৰ মাছবোৰে কিৰীলি পাৰি উঠিল।«

(কলং আৰু কপিলীপৰীয়া নদীয়াল সমাজৰ এটি অলৌকিক কিংবদন্তিৰ আধাৰত।)
ৰচনা কাল: মাৰ্চ, ১৯৯৯

# অনুৰাগ

## কুসুম বৰা

মহম্মদ ঘোৰীৰ পালি সেনাপতি। সৰু ভাও। মাত্ৰ এটা চিনত ওলাই যুদ্ধ কৰিব লাগে। পাৰ্ট বেছি নাই। ভাওটো সৰু হ'লেও ধীৰুৰ আনন্দৰ সীমা নাই। বুৰঞ্জীমূলক মুছলিম যুগৰ নাট এখনত ডাড়ি-গোঁফ লগাই মুছলমানৰ ভাও এটা কৰা সৰু কালৰে পৰা হেঁপাহ। হাটবৰত ভাবি আৰু ভুৱনে সাধাৰণতে মুছলিম ভাও কৰে। ভাবি-ভুৱনক মুছলিম ভাৱত চেৰ পেলোৱা ভাৱৰীয়া কদমতলীতে নাই। ভাবিয়ে চেলিমৰ ভাও, আহম্মদ চাহ ডুৰাণীৰ ভাও কৰে। ভুৱনে সদাশিৱ ৰাও আৰু কহিনুৰ নাটকত গোলাম কাদেৰৰ ভাও লয়। গোলাম কাদেৰৰ ভাও লৈ ভুৱনে ডিঙিৰ মণিডাল ঘূৰাই ঘূৰাই কি সাংঘাটিক 'ডাইলগ' দিয়ে। দৰ্শকে হাত তালিৰে হল উৰাওঁ উৰাওঁ কৰে। ভুৱনৰ 'ডাইলগ'ৰ প্ৰথমছোৱা সি এতিয়াও অকলে অকলে মাতি থাকে। 'ছোভান আল্লা, এইছা খুবচুৰত লেৰকী হমনে দুনীয়ামে কভি নহী দেখা। ইছ লেৰকীকো হামনে জৰুল কব্জামে আনেংগে'— আধা হিন্দী, আধা উৰ্দু মিহলি 'ডাইলগ'টো তাৰ ওঁঠত লাগি থাকে। আনে ৰিহাৰ্ছেল কৰক নকৰক, সি আৰু তাৰ সখিয়েক কমল সদায় থাকিব। কমল ভাৰতীয় বীৰ। ষ্টেজত প্ৰথমে সিহঁত দুটাৰ বাকযুদ্ধ,

পাছত যুঁজ। যুদ্ধত মুছলমান হাৰি পলাব লাগিব। ধীৰুৱে হাটবৰৰ ষ্টেজত ৰিহাৰ্ছেল কৰাৰ পাছত ঘৰতো কৰে বোলে। আইনাৰ আগত থিয় হৈ তালফাল কৰে। বিয়া কৰোৱা দুমাহ হৈছে। ঘৈণীয়েকৰ একেবাৰে অৱস্থা নাই। ‘পাৰ্ট’ মাতোঁতে তাৰ ওচৰত থিয় হৈ থাকিব লাগে। বেচেৰী দেৰগাঁৱৰ ছোৱালী। হাঁহি হাঁহি সহ্য কৰি গৈছে। আমাৰ নগাঁও-গুৱাহাটীৰ এজনী হোৱা হ’লে, খুৱালেহেঁতেন ভাত!

—এই ৰ ৰ, এইবোৰ ভিতৰুৱা কথা তই ক’ত শুনিলি? মুখ টিপি হাঁহি হাঁহি মই উভতি ধৰিলোঁ।

—অ..., এয়া ধীৰুৰ সখিয়েক কমলে কোৱা কথা। মোৰ দোকানত বহি বহি সি এইবোৰ কয়। ন-ছোৱালী। তাৰ লগত লাগি থাকোঁতে কেইবাদিনো গেছৰ ওপৰত ভাত ধৰি গৈছে। দালি-ভাজি খাব নোৱৰা হৈছে, মইহে জানো। ধীৰুৰ দাঁতত ভাত এটা লাগিলেও মই গম পাওঁ। কমলৰ লগত পিছফালৰ চোতালত যুদ্ধৰ আখৰা প্ৰায়ে কৰে, হেঃ হেঃ হেঃ।

ভঁৰালী গাঁৱৰ মাখন আহিলেই বুজিব লাগিব, সি কিবা এটা ফুটাবলৈ আহিছে। ৰসিক। আনে কিবা এটা দেখি আহক, মাখনে শুনি আহক। একেবাৰে জীৱন্ত বৰ্ণনা। আগতে দুদিনে-চাৰিদিনে আহি থাকে। মোতকৈ নবৌৱেকৰ লগত তাৰ বেছি কথা। মুঠতে সি আহিলে খিটখিট, ঢেকঢেকনিৰে ঘৰ উৰি থাকে। মাখনক বেয়া পোৱা মানুহৰ কথা শুনা নাই। এসময়ত মাখন হাটবৰত হোৱা বিহুৰ ঢুলীয়া। এতিয়া মাখন দোকানী। ভঁৰালী নামঘৰলৈ অহা যাত্ৰীসকলৰ বাবে পুৱাৰ পৰা বাৰ বজালৈ তাৰ দোকান। ঘৰৰ আগত টেবুল এখনত ঘিঁউৰ চাকি, মিঠাতেলৰ চাকি, ধূপ, অৰিহণাৰ লগত দিব পৰা তামোল-পাণ। মিঠামুখৰ হৰহৰীয়া ল’ৰা। বহুতৰ চিনাকিও। গতিকে ব্যৱসায় ভাল। দিনে এশ-ডেৰশ লাভৰ ঘৰত থাকে। চলি যায় তাৰ ঘৰখন। ল’ৰাটো, ঘৈণীয়েক আৰু সি। আবেলি বজাৰৰ বস্তু কিনিবলৈ আহোঁতেই এইদৰে কথাৰ মহলা মাৰে। দিনটোত মন খুলি কাৰবাৰ লগত কথা পাতিবলৈ নাপালে ৰাতি হেনো তাৰ টোপনি নাহে। বাৰাণ্ডাখনত মোৰ কাষতে বহি লৈ এসপ্তাহৰ আগতে হাটবৰ অৰুণ নাট্যদলৰ নাটকৰ কথা কৈছে—।

— কচোন তহঁতৰ নাটকৰ কথা। মই খুঁচৰি দিলোঁ। উস্! ভগা মথাউৰিৰে বাঢ়ি অহা পানীয়ে হৰহৰণি লোৱাৰ দৰে তাৰো কথা ওলালেই নহয়। সি কথা আৰম্ভ কৰিলে নাটকৰ দৰ্শকৰ দৰে বহি শুনি থাকিলেই হ'ল। তাৰ এটা দোষ— বহু সময়ত বিষয়বস্তুৰ পৰা আঁতৰি আহে। তেতিয়া আকৌ লিকলৈ আনি দিব লাগে। মোৰ কথাষাৰ শেষ হ'ল কি নহ'ল, মিচিককৈ হাঁহি এটাৰে আৰম্ভ কৰিলেই।

— আজিকালি বুৰঞ্জীমূলক নাটক জনা কেইটা আছে? বুৰঞ্জী বিষয়টোৱেই নাইকিয়া হ'ল। এইবোৰ নাটক কৰিবলৈ কষ্ট কৰিব লাগিব। ধৈৰ্য লাগিব। বুৰঞ্জীৰ এটা সময় বুজাবলৈ নাটকৰ পৰিৱেশ, অভিনেতা-অভিনেত্ৰীৰ সাজ-পোছাক, নাটকত ব্যৱহাৰ কৰা বয়-বস্তুবোৰ সেই সময়ক বুজাব পৰা হ'ব লাগিব। সেইবোৰ অধ্যয়ন কোনে কৰে? এতিয়াৰ দৰ্শকো বেলেগ। সৰু সৰু সামাজিক নাটকবোৰ চাই, টিভিৰ ছিৰিয়েলবোৰ দেখি বুৰঞ্জীমূলক গহীন নাটকবোৰ চাবলৈ টান পায়। এটা চিনৰ পৰা ইটো চিনলৈ অকণমান দেৰী হ'লেই 'টু-লেট টু-লেট'কৈ চিঞৰ-বাখৰ, হৈ-চৈ কৰে। হে'ৰা! এটা ছেটৰ পাছত ইটো ছেট লগাওঁতে সময় লাগে। ক'ৰবাত গজাল মাৰিব লাগে, ক'ৰবাত জোৰা-ফোন্দা দিব লাগে, নুবুজে দৰ্শকে। সেয়ে পাছলৈ খং উঠি নাটকৰ পৰিচালক ভাবি দাদাই ইটো চিনৰ পাছত সিটো চিন আৰম্ভ কৰি দিলে। মুঠতে হৰেন দাদাই যদি প্ৰম্পটৰ কাৰণে নাটক হাতত নল'লেহেঁতেন, সেইদিনা হৈছিলেই। ভাবি দাদা মহম্মদ ঘোৰী, ভুৱন পৃথ্বিৰাজে নাটকখন টানি লৈ গ'ল। হেঃ হেঃ হেঃ।

মাখনে কি লেকচাৰ মাৰিছে, মই শুনাৰ ভাও ধৰিছোঁ যদিও মনটো মোৰ বহু দূৰ অতীতলৈ ঢাপলি মেলিলে। আমি তেতিয়া হাইস্কুলীয়া ল'ৰা। সেই সময়ত নাটক বুলিলে বুৰঞ্জীমূলক বা মাইথল'জিকেল নাটকহে বুলি ভাবে। আজি অৰুণ নাট্য গোষ্ঠীৰ ষ্টেজৰে সৈতে আধুনিক নাটঘৰ। আসনৰ সুবিধা আছে। বিজুলীৰ সুবিধা। মাইকৰ সুবিধা। এতিয়া একো চিন্তা নকৰাকৈ ভাৰৰীয়াই 'ৰিহাৰ্ছেল' কৰিব লাগে আৰু ষ্টেজত ওলাব লাগে। অথচ এতিয়াৰ ল'ৰাহঁতে নাটক কৰিবলৈ নাহে। এতিয়াৰ নাটঘৰৰ ঠাইতে তেতিয়াৰ বাৰ গঞা

ডেকা ল'ৰাই হজ কৰি ওচৰৰ গাঁৱৰ পৰা অনা বুঢ়া তামোল গছেৰে ষ্টেজ আৰু হল তৈয়াৰ কৰি কদমতলীৰ নামী ভাৱৰীয়াৰ সহযোগত নাটক কৰিছিল। সেইবোৰ নাটক আজিৰ ল'ৰাহঁতে কৰিবলৈ ভয় কৰে। 'চন্দ্ৰকান্ত সিংহ', 'ললিতাদিত্য', 'নৰকাসুৰ', 'চাহজাহান', 'হাইদৰ আলী', 'শিৱাজী', 'মহাৰথী', 'শ্ৰীৰামচন্দ্ৰ'। নৰকৰ অভিনয়ত সৰ্বেশ্বৰ পঞ্চানন, ভীম বাণেশ্বৰ, শকুনি বাদ্য-বিশাৰদ হৰেন শৰ্মা, ৰাৱণ গণেশ খাউণ্ড, টিপু চুলতান বিপিন বৰদলৈ। এই সকলৰ উপৰি গোলাপ বৰুৱা, শিৱ বৰুৱা, পদুম শৰ্মা কি শক্তিশালী ভাৱৰীয়া। সেইসকলক চেৰ পেলোৱা ভাৱৰীয়া আমাৰ কদমতলীত এতিয়াও সৃষ্টি হোৱা নাই। জীৱনৰ নাট সামৰি সেইসকলৰ প্ৰায়কেইজনে মহাপ্ৰস্থান কৰিলে। দুই-এজন ৰান্ধনী বেলিৰ উম লৈ আছে।

— অ' আপুনি দেখোন কিবা তপস্যা কৰাৰ লেখীয়া কৰিছে? কথাবোৰ শুনি ভাল পোৱা নাই নেকি?

— নহয়, মই তই কোৱা কথাবোৰ চিন্তাহে কৰিছোঁ। মোৰ ভাববোৰ সামৰি হাঁহি এটাৰে আকৌ অৰুণ নাট্য সমাজত প্ৰৱেশ কৰিলো।

— তাৰমানে ল'ৰাহঁতৰ সিমান উৎসাহ নাই?

— ভাল কথা কৈছে, আজিকালি ল'ৰাহঁতৰ কোনটো ভাল কামত উৎসাহ দেখিছে? বিহু পতাৰ বাহিৰে আমাৰ ল'ৰাই অন্য কাম কৰিব নোৱাৰে। বিহু পাতিলে লাভ দুপইচা হাতত থাকে। পাৰোঁতে জানো আমাৰ মুখৰ ভাত আনে কাঢ়ি খাইছে? নতুনকৈ পাৰ্ট লোৱা ল'ৰাখিনি যেন তেন, আধা সিজা কেইটামান আছে, সিহঁতৰ কি ভেম! আখৰালৈ নাহে। 'প্ৰক্সী' দিব লাগে। এইবোৰৰ কাৰণেই আমাৰ নাটকবোৰ বেয়া হয়। এদিনো ভালকৈ ৰিহাৰ্ছেল নকৰাকৈ নাটক কৰি কিমান বিপদত পৰিছে। সেইটো তগৰ— দুঃশাসন। দ্ৰৌপদী এজনী নতুন ছোৱালী। ডাঙৰ শিল্পী। চবজান্তা। দ্ৰৌপদীৰ লগত এদিনো ৰিহাৰ্ছেল নহ'ল। নাটকৰ দিনা আচল দ্ৰৌপদীয়ে গ্ৰীনৰূমৰ চুক এটাত নিজৰ বচন চাই আছে। এতিয়া দ্ৰৌপদীক ৰাজসভালৈ আনিবলৈ হুকুম হোৱাৰ লগে লগে অট্টহাস্য কৰি দুঃশাসনে উইঙ্গৰ কাষত নাটক চাই থকা অন্য এজনী ছোৱালীক টান মাৰি ষ্টেজলৈ লৈ আহিল,— 'মই নহয়, মই নহয়' বুলি

ছোৱালীয়ে হুকহুকাই কান্দি দিলে। হলত হাত চাপৰি— কিৰিলি। ভাগ্যে মাণিকে স্ক্রীনখন পেলাই কোনোমতে ৰক্ষা কৰিলে। হাঁহিৰ কোবত মই ৰ'ব পৰা নাই— হেৰৌ, সঁচানে? সঁচানে? বুলি কথাষাৰ সুধিবলৈ অতি কষ্টৰে মুখখন জোঙা কৰিলোঁ।

—সঁচা। সঁচা। আকৌ আমাৰ হীৰেনৰ কথা জানেনে নেজানে? সি হাঁহি হাঁহি সুধিলে।

—সেইটো কেনেকুৱা? মই অবাক হোৱা যেন দেখুৱালো।

—সেইটো আৰু সাংঘাতিক। আখৰা নকৰা বেমাৰ হীৰেনৰো। ভাওনাত ঋষি-মুনিৰ ভাও কৰে। হীৰেন আমাৰ কদমতলীৰ চাব মৰা বিশ্বামিত্ৰ। ৰামবিজয় নাটকত হীৰেন সদায় বিশ্বামিত্ৰ। এইবোৰ ভাও লওঁতে লওঁতে মানুহটোৰ খোজ কাটল, কথা-বতৰা ঋষিটোৰ দৰে হৈছে।

—কি হৈছিল চমুৱাই ক। কথা এটা আৰম্ভ কৰি শেষ কৰিবলৈ তাৰ সময় বহুত লাগে। সেয়ে তাক মাজে মাজে সোঁৱৰাই থাকিব লাগে।

—পূৱথৰীয়াত ভাওনা। হীৰেন নিমন্ত্রিত শিল্পী। ৰাম আৰু লক্ষ্মণ একে সমান দুটা ল'ৰা। দেখিবলৈ প্ৰায় একে। সাজ-সজ্জা আৰু ৰূপসজ্জা শিল্পীয়ে দুয়োকে একে মেকআপ কৰি দিলে। সাধাৰণতে ৰাম শ্যাম বৰণৰ, মূৰৰ মুকুট লক্ষ্মণতকৈ বেলেগ। ইয়াত একে। বাকীবোৰ ঠিকেই গ'ল। সীতাৰ সয়ম্বৰত জনকক ৰাম-লক্ষ্মণৰ চিনাকি দিবলৈ বচন মাতিছে— 'আহে মহাৰাজ! তোহাৰি বান্ধৱ দশৰথৰ পুত্ৰ ওহি...' বুলি হাত মেলি ৰৈ গ'ল। কোন ৰাম, কোন লক্ষ্মণ চিন নাই। 'আ-হা, আ-হা' বুলি 'একশ্বন'ৰ ওপৰত সূত্ৰধাৰীক সুধিছে— ৰাম কোনটো? সূত্ৰধাৰী হলিৰামে চকুৰে ভালকৈ ধৰিব নোৱাৰে; কৈ দিলে সোণাৰামৰ পুতেক। এতিয়া পূৱথৰীয়াৰ কোন সোণাৰাম, কোন ৰূপৰাম হীৰেনে চিনি নাপায়। হাহাকাৰ। একশ্বন দি সময়ত বায়নৰ ওচৰত যেনিবা গম পালে— থাপনাৰ ফালৰজন ৰাম। তেহে ৰক্ষা।

—হেৰ'! এইবোৰ বাতৰি তই ক'ত সংগ্ৰহ কৰিলি? তোক মানুহে 'গেজেট' নামটো এনেয়ে দিয়া নাই। এতিয়া তহঁতৰ নাটক কি হ'ল ক। আমাৰ ধীৰুৱে কেনেকুৱা কৰিলে?

—সৰুভগীয়া গাঁৱৰ ধীৰু নাট-ভাওনাত বৰ উৎসাহী ল'ৰা। তেজপুৰত চাকৰি কৰে। চাকৰিটোও সাংস্কৃতিক বিভাগৰে। বিহুকে আদি কৰি বিভিন্ন শিল্পীদলক অসমৰ বাহিৰে-ভিতৰে লৈ প্ৰদৰ্শন কৰায়। সময় পালেই মোৰ ওচৰলৈ আহে। দুদিনমানৰ আগতে শাহুৱেক আৰু তাৰ খুলশালীয়েকক আমাৰ ঘৰলৈ ফুৰাবলৈ আনিছিল। বৰ ভাল লাগিল মানুহগৰাকীক। খুলশালীয়েকে কলেজত পঢ়ি আছে। জোঁৱায়েকে 'পাৰ্ট' লোৱা নাটক চাবলৈকে বোলে আহিছে। মাখনে আৰম্ভণিতে ধীৰুৰ কথা কৈ জোৰটো বেছি দিয়াত মই অলপ সন্দেহ কৰি আছিলো। নাটকত ধীৰুৰ খেলিমেলি এটা হ'ল বুলি ইটো-সিটোৰ মুখত শুনিছোঁ। তথাপি মাখনৰ মুখত কথাবোৰ শুনিবলৈ ভাল লাগে কাৰণে ধীৰুৱে কেনেকুৱা কৰিলে বুলি— বিষয়টো অৱতাৰণা কৰিলো।

—হেঃ হেঃ আমাৰ নাটকত ধীৰুৰ ঘটনাটোহে আপোনাক ক'বলৈ আহিছিলো। শুনিছে চাগৈ?

—কোনটো ঘটনা? মই আৰু অবাক হৈ দেখুৱালো।

—এহ্ গোটেইখন তল-ওপৰ হ'ল। কথাটো ভাবি বেয়াও লাগিছে। আখৰালৈ আন কোনোবা আহক নাহক, ধীৰু সদায় আগতে আহে। দুফাঁকি কথা— তাকে সদায় মাতিব। কেতিয়াবা তেজপুৰৰ অফিচৰ পৰা বাহিৰে বাহিৰে আখৰা। কেইদিন ৰাতি ন বজালৈকে নতুন ঘৈণীয়েক অকলে অকলে ঘৰখনত কঁপি-জপি থাকে। নাটকৰ দুহেজাৰমান টকাৰ টিকেট সি অকলে বিক্ৰী কৰিলে। তাৰ ভাও চাবলৈ শাহুৱেক, খুলশালীয়েক আহিল। সন্ধিয়াৰ লগে লগে ঘৈণীয়েকৰ সৈতে গাড়ী এখনত লৈ আহি তিনিটা ভি আই পি চিট লৈ আগত বহুৱাই দিলে।

—তাৰ কি হ'ল ক। এইবোৰ বিৱৰণ নালাগে। মই কৃত্ৰিম খং দেখুৱালো।

—ৰ'ব। কথাবোৰ তেহে পৰিষ্কাৰ হ'ব। হাঁহি এটা মাৰি সি মাত দিলে।

—সি নাটকত ওলাবলৈ নাপালে নহয়, হেঃ হেঃ হেঃ। সন্ধিয়াৰে পৰা সখিয়েকৰ লগত একেলগে 'মেকআপ' কৰি বহি আছিল। দুয়োটাই কেনেকৈ কথা ক'ব, কেনেকৈ যুদ্ধ কৰিব সেইবোৰ আলোচনা। মাজে মাজে

খুলশালীয়েকহঁতৰ বাবে ষ্টেজৰ কাষতে বহা পিতৌৰ দোকানৰ মিঠাপাণ, দালবুট, চকলেট চাপ্লাই দি আছে।

—সি নাটকত ওলাবলৈ নাপালে নেকি? নাটক আগতেই শেষ হ'ল নেকি?

—নহয়। সিহঁতৰ চিনটো আৰম্ভ হোৱাৰ আগতে দুয়োটা, মানে সখিয়েক কমলৰ লগত গ্ৰীনৰুমতে বহি আছিল। ইতিমধ্যে পিলিঙা ল'ৰা কিছুমান সৈন্য হ'ল। এজাক ভাৰতীয় সেনা, এজাক মহম্মদ ঘোৰীৰ মুছলমান সেনা। যুদ্ধ কৰিব লাগে। ইহঁতৰ আখৰা নালাগে। মেকআপ কৰাৰ আগতে দুই দলকে গোটাই পৰিচালক ভাবি দাদাই তন্ন তন্নকৈ কি কৰিব লাগিব বুজাই দিছে। মহম্মদ ঘোৰীৰ পালি সেনাপতি ধীৰু আৰু ভাৰতীয় বীৰ অজয় সিংহ মানে কমলে যুদ্ধ আৰম্ভ কৰিব। ভাৰতীয় সৈন্যৰ পৰাক্ৰমত মুছলমান সৈন্য পলাই যাব। আৰু শেষত পৃথ্বিৰাজৰ লগত মহম্মদ ঘোৰী পৰাজিত হৈ ভাৰত এৰিব।

— পাছত, পাছত কি হ'ল? মই উৎকণ্ঠা দেখুৱালো।

— মোক এই মহম্মদ ঘোৰীৰ সেনাবোৰে পাগল কৰি দিলে নহয়। ভাৰতীয় সেনাখিনি শান্ত হৈ বহি আছে। ইহঁত একেবাৰে নেগুৰ কটা বাঘ। স্পিৰিট গমেৰেই ডাঢ়ি-গোঁফ লগাই দিয়াত সেইবোৰে টানি ধৰিছে। ৰূপশিল্পী প্ৰসন্নই প্ৰত্যেকৰে মূৰত ক'লা কাপোৰ এখন লগাই আৰবৰ সৈন্যৰ দৰে কৰি দিলে। সিহঁতে হাতে হাতে তৰোৱাল লৈ দুটামান বাহিৰত থকা দোকানলৈ, দুটামান ষ্টেজৰ কোনোবা চুকত ঘূৰি ফুৰিছে। যেন বাংলাদেশীকেইটাহে ধনিয়া চাপৰি, ভোজখোৱা চাপৰিত ঘূৰিছে। সদায় লগত ফুৰি থকা ল'ৰাকেইটাৰ চিন ধৰিব নোৱাৰি। 'তই কোন, তই কোন'কৈ চিনাকি বিচাৰে। পিতৌৰ পুতেকে লগৰ এটা লৈ বাপেকৰ হাতৰ পৰা দুখন মিঠা পাণ খালে। বাপেকে চিনি নাপালে। একে মানুহ, একে ডাঢ়ি-গোঁফ। এতিয়া কাক কোনে চিনি পায়!

—হায় ঐ! পাৰোঁতে আমেৰিকাই লাডেন ওমৰক বিচাৰি ঢোকে ঢোকে পানী খাইছিল। অসমতো লেখি-পিজলিৰ দৰে নেবাছিলে ক'ত বিদেশী পাব? বিচাৰিব কোনে? বাংলাদেশী বুলি গম পালেই আমাৰ আৰক্ষীৰ কাপোৰে-

কানিয়ে সৰুপানী বাহিৰ হয়। হেঃ হেঃ। হাৰাশাস্তি হাৰাশাস্তি বুলি এদলে তালফাল লগাব।

—নহয় ধীৰুৰ কথা ক। মই হাঁহি মাত দিলোঁ। এইবোৰ নহয়।

—গৈ আছোঁ, শুনিব। মই ষ্টেজ মেনেজাৰ। প্ৰতিটো চিনত মই ভাৰৰীয়া সাজু কৰাব লাগে। অতি কষ্টেৰে বাংলাদেশী অনাদি ধৰি আনি সৈন্যবোৰক পৰিচালকক গটাই দিলো। তেতিয়াহে দেখিলো, ইহঁত দুটা, মানে ধীৰু আৰু কমল নাই। হাহাকাৰ। ইপিনে দৰ্শকৰ চিঞৰ— 'টু-লেট টু-লেট'। পৰিচালক ভাবিয়ে একো ভাবিব নোৱৰা অৱস্থা হৈ মূৰে-কপালে হাত দি বহি গ'ল। হৰেন দাদাক মানুহে 'মেড ইজী' বুলি নাম দিছে। যিকোনো সমস্যা সমাধান কৰিব পৰা মানুহ। ঠিক আছে। মই এটা ভাৰতীয় সৈন্যক 'ডাইলগ' দি মঞ্চত উঠাম,— তুমিও এটা মুছলমান সৈন্য ঠিক কৰা বুলি ভাবিক কৈ চিঞৰ মাৰিলেই— 'জয় ভাৰত মাতা কি জয়'। লগে লগে সিটো পক্ষৰ— 'আল্লাহো আকবৰ'। বচ্, দুটামান ফটকা ফুটাৰ পাছত স্ক্ৰিন দাং খালে। খোলা তৰোৱালেৰে এজন ভাৰতীয় সৈন্যই চিঞৰি দিলে— পৰদেশ লুণ্ঠনকাৰী সাম্ৰাজ্যবাদী বিদেশী চয়তান। আহ্ তহঁতৰ তেজেৰে জননী-জন্মভূমিক পূজা দিম।

—হাঃ হাঃ..., কাফেৰ হিন্দু। আল্লাই আমাক তহঁতক কাটল কৰিবলৈ পঠাই দিছে। অস্ত্ৰ ধৰ—। মুছলমান সৈনিকৰ হুংকাৰ। দুয়োপক্ষৰ সৈন্যৰ মাজত তামাম যুদ্ধ। মুছলমান সেনা এটা এটাকৈ হাৰি মঞ্চ এৰি দিয়াৰ লগে লগে মহম্মদ ঘোৰী আৰু পৃথ্বীৰাজৰ যুদ্ধ। দৰ্শকৰ হাততালি। যেন জোকাৰি দিয়া আমৰ ডালৰ পৰাহে আম সৰিছে। মহম্মদ ঘোৰীও যুদ্ধত হাৰি গ্ৰীনৰূমত গৈ ঢোকা ঢোকে পানী খালেগৈ। নাটকখনত অতি কষ্ট কৰিছে। এবাৰ মিউজিক বক্সলৈ, এবাৰ সাজ-সজ্জাত লাগিছে। তাৰ মাজতে মঞ্চৰ সিটো দিশত থকা মুৰুলীৰ পৰা নাটক লৈ প্ৰম্প্ট কৰিব লগা হৈছে। এনেতে ধীৰু আৰু কমল ভাবি দাদাৰ ওচৰত উপস্থিত।

—অ, সিহঁত ক'ত আছিল? মই আকৌ হাঁহি হাঁহি সুধিলো।

—গৰমত ‘মেক্ আপ’ বেয়া হ’ব বুলি মঞ্চৰ পিছফালৰ দুৱাৰ খুলি দুয়োটা বাহিৰত ৰৈ আছিল। হেঃ হেঃ হেঃ!

ধীৰুৰ সেই সময়ৰ অৱস্থাটোৰ কথা কল্পনা কৰি উকটি উকটি হাঁহিলো।

—তেনেহ’লে ধীৰু নাটকত ওলাবলৈ নাপালে?

—ঘৈণীয়েকে নাটকত ওলাইছে বুলিয়েই ভাবিলে নহয়। দেৰগঞা ছোৱালী, উভতি যাওঁতে দিলে কৈ— ঘৰত আইনা চাই কৈ থকা শব্দ এটাও নুশুনিলো। ‘মেক আপ’ কিন্তু বৰ ভাল হৈছিল পাই। একেবাৰে চিনিব নোৱাৰি।

— হিঃ হিঃ, উজনি অসমৰ ছোৱালী, কথাই প্ৰতি পাই-পাই। হেঃ হেঃ হেঃ। «

# আপোচ

## ধ্ৰুৱজ্যোতি শৰ্মা

—তোমাৰ জীৱনলৈ কেতিয়াবা এনেকুৱা কিছুমান পৰিস্থিতি আহি পৰিব, যিবোৰৰ লগত তুমি মিট্-মাট কৰিবই লাগিব।

—যদি নকৰোঁ?

—তোমাৰ জীৱনটো একপক্ষীয় হৈ যাব। তুমি নিজে সুখী হ'বা, কিন্তু আনক সুখী কৰিব নোৱাৰিবা।

—আনৰ সুখ-দুখৰ কথা চিন্তা কৰিবলৈ গ'লে মোৰ ধ্যান-ধাৰণা, আদৰ্শ দেখোন সকলোবোৰ ত্যাগ কৰিব লাগিব।

—সেইটোৱেই আচল কথা। জীৱনটো বাঙ্ময় কৰি তুলিবলৈ কিছুমান ক্ষেত্ৰত তুমি এৰা-ধৰা কৰিবই লাগিব। অৰ্থাৎ কিবা এটা পাবলৈ তুমি কিবা অলপ এৰিবই লাগিব। একেলগে দুটা ফল তুমি কেতিয়াও ধৰিব নোৱাৰা।

...পৰাণ বৰুৱাই বিমান ফুকনৰ লগত কৰা বাৰ্তালাপৰ এয়া কিয়দংশ। পিছে এই বাৰ্তালাপ এতিয়াৰ নহয়। বহুদিনৰ পূৰ্বৰ, তেওঁলোক দুয়ো কটন কলেজত পঢ়ি থকা সময়ৰ। পৰাণ বৰুৱাই তেওঁৰ প্ৰিয়তম বন্ধু বিমান ফুকনৰ লগত আবেলি বা সন্ধ্যা এনেদৰেই আড্ডা মাৰি সময়বোৰ পাৰ কৰিছিল। তেওঁলোকৰ আড্ডাস্থলী আছিল পাণবজাৰৰ এখন নিৰ্দিষ্ট ৰেষ্টুৰেণ্ট। সমুখত

ধূমায়িত চাহৰ পিয়লা লৈ বিভিন্ন বিষয়ৰ ওপৰত পাণ্ডিত্য জাহিৰ কৰি কৰি তেওঁলোকে এনেকৈয়ে পাৰ কৰি দিছিল অকালতে বৈধব্যক আঁকোৱালি লোৱা নাৰীৰ দৰে বিষণ্ণ গধূলিবোৰ। ৰবি ঠাকুৰ, জীবনানন্দ, কেম্যু, কুণ্ডেৰা, জয়চ্ আদিৰ লগত চিনাকি হ'বলৈ মাজে মাজে জিলা পুথিভঁৰাললৈ গৈছিল। বন্ধৰ দিনত কেতিয়াবা চিনেমা চাইছিল। আবেলি আৰু সন্ধ্যাৰ আজৰি সময়কণ পাৰ কৰিবলৈ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়েই এনেবোৰ পন্থাকে অৱলম্বন কৰিছিল। কাৰণ এতিয়াৰ দৰে মহানগৰীৰ আবহাওৱা আৰু কটন কলেজৰ পৰিৱেশ সেই সময়ত ইমান মুক্ত নাছিল যে ছাত্ৰ-ছাত্ৰীবোৰে প্ৰেমিক-প্ৰেমিকাৰ লগত দীঘলী পুখুৰীৰ পানীত নৌকা-বিহাৰ কৰি কিম্বা কোনো উদ্যানত গাত গা লগাই নিঃসংকোচে সময়বোৰ পাৰ কৰি দিব। কাৰোবাৰ মাজত হৃদয় বিনিময় হৈছিল যদিও সংশ্লিষ্ট প্ৰেমিক-প্ৰেমিকাহালৰ বাহিৰে সেই কথা বাকীবোৰে খুব কমেইহে গম পাইছিল।

শৈশৱৰে পৰা পৰাণ বৰুৱা আছিল আঁকোৰগোজ স্বভাৱৰ। নিজৰ মতত তেওঁ সদায় দৃঢ় আছিল। আদৰ্শৰ ক্ষেত্ৰত বৰুৱাই কেতিয়াও কাৰো লগত আপোচ কৰা নাছিল। তেওঁ সমগ্ৰ জীৱনটো নিজৰ আদৰ্শত অটল হৈয়ে থাকিব পাৰিব বুলি ভাবিছিল। বহু ক্ষেত্ৰত সফলো হৈছিল তেওঁ। কিন্তু কিছুমান ঘৰুৱা, স্পৰ্শকাতৰ বিষয়ত নিজৰ আদৰ্শ জলাঞ্জলি দিবলৈ তেওঁ বাধ্য হৈ পৰিছিল। বিষয়বোৰৰ লগত মিত্ৰতা স্থাপন কৰাটোৱেই উত্তম হ'ব বুলি গণ্য কৰিছিল। সেই কলেজীয়া বন্ধু বিমল ফুকনে কোৱাৰ দৰেই।

***

—তই ক'লেই হ'বনে? কাপোৰ-কানি, গহনা-গাঁঠৰি নিদিয়াকৈ আমি কেতিয়াও ছোৱালী ঘৰ সুমুৱাবহি নোৱাৰোঁ।

—আস্! তোমালোকে কথবোৰ বুজিবলৈ চেষ্টা কৰাচোন।

—কিটো বুজিবলৈ আছে অ'? বিয়াৰ আগতে ছোৱালীক কাপোৰ-কানি, গহনা-গাঁঠৰি আদি দি জোৰোণ পিন্ধোৱাটো এটা ডাঙৰ নিয়ম। এই নিয়ম পালন নকৰাকৈ আমি কেনেকৈ ছোৱালী ঘৰ সুমুৱাওঁ, কচোন?

—তোমালোকক মই নিয়মটো পালন নকৰিবলৈ কোৱা নাই নহয়। মাথোঁ কৈছোঁ, এযোৰ কাপোৰ আৰু এটা আঙঠি দিলেই হ'ব। কেৱল মানুহক দেখুৱাবলৈকে টকা-পইছা খৰচ কৰি ইমানবোৰ কাপোৰ-কানি, গহনা-গাঁঠৰি দিয়াৰ কোনো অৰ্থ নাই।

—অৰ্থ-অনৰ্থৰ কথাটো বাদ দে। প্ৰথমে মান-সন্মানৰ কথাটো চিন্তা কৰ। এযোৰ কাপোৰ আৰু এটা আঙঠি লৈ জোৰোণ পিন্ধাবলৈ গ'লে কইনাৰ ফালৰ মিতিৰে আমাক টোকোনা বুলি নাহাঁহিবনে? আমাৰ নাকটো তেতিয়া ক'ত থাকিবগৈ?...

মাক, পেহীয়েক, মামীয়েক, বায়েক— কাকোৱেই পৰাণ বৰুৱাই সৈমান কৰাব নোৱাৰিলে। নিজৰ মতত সকলো নাছোৰবান্দা। বহুতো তৰ্কাতৰ্কিৰ মূৰত তেওঁলোকে শেষ ঘোষণা কৰি দিলে— কাপোৰ-কানি, আ-অলংকাৰ সৰহকৈ দি পৰাণে যদি ছোৱালী বিয়া নকৰায়, তেনেহ'লে তেওঁলোক কোনোৱেই তাৰ বিয়াত সহযোগ নকৰে। সি অকলেই বিয়া পাতি আনি অকলেই সুখেৰে থাকক।

পৰাণ বৰুৱাই চকুৰে ধোঁৱা-কোৱা দেখিলে। এফালে তেওঁৰ আদৰ্শ, আনফালে পৰিয়াল-স্বজন। তেওঁ এতিয়া কাক ধৰিব, কাক এৰিব !

পৰাণ বৰুৱাই কলেজত পঢ়ি থাকোঁতেই প্ৰতিজ্ঞা কৰি থৈছিল— নিজৰ বিয়াত তেওঁ কইনাঘৰৰ পৰা কেতিয়াও যৌতুক নলয় আৰু নিজেও কইনাক বিশেষ একো নিদিয়ে। তেওঁ বাহ্যিক জাক-জমকতা কেতিয়াও পছন্দ কৰা নাছিল। তেওঁৰ মতে, এইবিলাকে মানুহক পৰোক্ষভাৱে দুৰ্নীতিপৰায়ণ কৰি তোলে। তেওঁৰ কইনাৰ জোৰোণৰ কাৰণে কাপোৰ-কানি, আ-অলংকাৰ ককায়েকহঁতেই যোগাৰ কৰিব যদিও তেওঁ ভালদৰেই জানে,— ককায়েকহঁতে সেইবোৰ যোগাৰ কৰোঁতে কেতিয়াও নিজৰ দৰমহাৰ টকা খৰচ নকৰে। কাৰোবাৰ পৰা লোৱা ঘোচৰ টকাৰেই যোগাৰ কৰিব। নিজৰ দৰমহাৰ টকাৰে যোগাৰ কৰিবলৈ তেওঁলোকৰ সামৰ্থ্যও নাই। তেওঁৰ কইনাৰ ঘৰৰ অৱস্থাও ভাল নহয়। কেৱল 'ষ্টেণ্ডাৰ্ড মেইনটেইন'ৰ কাৰণেই তেওঁলোকে যৌতুকত যিবোৰ বস্তু দিব বুলি কৈছে, তেওঁৰ কেৰাণী চাকৰি কৰা ভাবী শহুৰেকে যে

কেৱল সৎ উপায়েৰে ঘটা টকাৰে সেইবোৰ দিব নোৱাৰে, তেওঁ ভালদৰেই বুজি পায়। কিন্তু এইবোৰ কথা পৰিয়ালৰ মানুহবোৰে বুজি নাপায়। বুজিব নোখোজেও। পৰিয়ালৰ মানুহখিনিৰ মতে, ওচৰ-চুবুৰীয়া মানুহবোৰে ন-কইনাৰ লগতে যৌতুকত অনা বস্তুবোৰো চাবলৈ আহে। গতিকে তেওঁলোকক যৌতুকো লাগিব। কিন্তু যৌতুক দিব নোৱৰাৰ কাৰণেই দুখীয়া ঘৰৰ কিমান শিক্ষিতা ছোৱালীও অবিবাহিতা হৈয়ে জীৱন কটাব লগা হৈছে, বিবাহৰ পিছতো কিমান ছোৱালীয়ে যৌতুক দিব নোৱৰা কাৰণে পতিগৃহৰ অবৰ্ণনীয় শাস্তি খাব লগা হৈছে, সেই কথা উপলব্ধি কৰিবলৈ তেওঁলোকে যত্ন কৰা নাই। তেওঁলোকে কেৱল ভুৱা আভিজাত্য আৰু বাহ্যিক জাক-জমকতা লৈহে চিন্তিত।

পৰাণ বৰুৱাৰ মাজু বৌৱেকজনী শিক্ষিতা। বহু কথা বুজে। আনকো বুজাব পাৰে। নিশা ভাত-পানী খোৱাৰ পিছত পৰাণক তেওঁ নিজৰ কোঠালৈকে একাষৰীয়াকৈ মাতি নি ক'লে— চোৱা পৰাণ, তোমাৰ কথাখিনি মই নুবুজা নহয়। বিভিন্ন কাৰণত পুৰণি নীতি-নিয়ম কিছুমান আমি এতিয়া এৰিবৰ হ'ল। কিন্তু এইবোৰ এৰিবলৈ গৈ তুমি জানো মা-দেউতাক এৰিব পাৰিবা? তেওঁলোক সংস্কাৰাচ্ছন্ন মানুহ। তেওঁলোকৰ মনত দুখ নিদিবলৈ তুমি তেওঁলোকৰ মতেই চলিব লাগিব আৰু তেওঁলোকৰ আশীৰ্বাদ অবিহনে তুমি জানো বিয়া পাতি শান্তি পাবা?

বৌৱেকৰ বুজনিয়েহে পৰাণৰ মনত কিছু পৰিমাণে ৰেখাপাত কৰিলে। সেইনিশা তেওঁ চকুৰ টিপ এটা নমৰাকৈ কথাবোৰ চিন্তা কৰিলে। বহুতো যোগ-বিয়োগ কৰি অৱশেষত তেওঁ পৰিয়ালটোৰে বিচৰা মতেই যাবলৈ সিদ্ধান্ত লৈ পেলালে।

***

—তুমি কি সিদ্ধান্ত ল'লা?

—সিদ্ধান্ত ল'বলৈ আৰু কিটো আছে? বাবলুক ঘৰৰ ওচৰৰ প্ৰাথমিক স্কুলখনতে নাম লগাই দিম।

—মই কিন্তু তোমাৰ সিদ্ধান্ত মানি ল'ব নোৱাৰোঁ। বাবলুক মই ইংলিছ মিডিয়ামতহে পঢ়াম। অসমীয়া মাধ্যমৰ স্কুলত পঢ়িলে ল'ৰা-ছোৱালীবোৰ বহু ক্ষেত্ৰত পিছ পৰি যায়।

—কোনে কৈছে? এইবোৰ ভ্ৰান্ত ধাৰণা। তুমি-মইতো ইংলিছ মিডিয়ামত নপঢ়াকৈয়ে আজি এইটো অৱস্থাত উপনীত হৈছোঁহি। শিক্ষা ব্যৱস্থাটো সঠিক হ'লে মাধ্যমটোৱে একো অন্তৰায়ৰ সৃষ্টি কৰিব নোৱাৰে।

—আনৰ দিন আৰু এতিয়াৰ দিনৰ মাজত বহুত পাৰ্থক্য। বৰ্তমান প্ৰতিযোগিতাৰ যুগ। তুমি যিমানেই যুক্তি নিদিয়া, মই বাবলুক ইংলিছ মিডিয়ামতহে পঢ়ুৱাম।

পৰাণ বৰুৱা এইবাৰো বিমোৰত পৰিল। তেওঁ নিজে অসমীয়াৰ অধ্যাপক। কলেজৰ ক্লাছবোৰত মাতৃভাষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে তেওঁ ছাত্ৰ-ছাত্ৰীবোৰক নানা ভাষণ দিয়ে। বৰ্তমান গাঁও-চহৰ সকলোতে অলিয়ে-গলিয়ে গজি উঠা ইংৰাজী মাধ্যমৰ স্কুলবোৰৰ বিৰুদ্ধে তেওঁ সদায় সৰৱ। ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ স্কুলত পঢ়াবলৈ তথা ইংৰাজী মাধ্যমৰ স্কুলবোৰৰ বিৰুদ্ধে বাতৰি কাকতত দুই-এটা নিবন্ধও লিখিছে তেওঁ। মাতৃভাষাটোৰ পোষকতা কৰি মেলে-মিটিঙে তেওঁ সাৰুৱা ভাষণ দিয়ে। তেনেস্থলত তেওঁ যদি নিজৰ সন্তানকে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুৱায়, তেওঁৰ সন্মানটো ক'ত থাকিবগৈ? কথা আৰু কামৰ মাজত পৰস্পৰ মিল নথকা ভণ্ড বুলি সমাজে তেওঁক নাহাঁহিবনে? সুবিধাবাদী বুলি নকব'নে?

কিন্তু বৰুৱাৰ পত্নীও একা-চেকা। এবাৰ অঁকৰা মৈত উঠিব পাৰিলে নামিব নোখোজে। তেওঁৰ মতে অসমীয়া মাধ্যমৰ স্কুলবিলাকৰ শিক্ষা পদ্ধতি ভাল নহয়। শিক্ষকসকলো ফাং-ফুং। তিনি-চাৰিবাৰৰ মূৰত মেট্ৰিক পাছ কৰা প্ৰাৰ্থীয়েও ঘোচ খুৱাই চাকৰি লৈ বহি আছে। এনেবোৰ শিক্ষকে ল'ৰা-ছোৱালীক কি শিক্ষা দিব? বহু শিক্ষক নিজৰ এলআইচিৰ এজেণ্টৰ লেখিয়া উপৰুৱা ব্যৱসায়বোৰৰ প্ৰতিও বেছি আকৰ্ষিত। তদুপৰি অসমীয়া মাধ্যমত পঢ়া ল'ৰা-ছোৱালীবোৰৰ 'স্মাৰ্টনেছো' গঠন নহয়— যাৰ কাৰণে ল'ৰা-ছোৱালীবোৰ প্ৰশাসনিক সেৱাৰ নিচিনা প্ৰতিযোগিতামূলক পৰীক্ষাবোৰত খুব কমেইহে

কৃতকাৰ্য হয়। প্ৰতিমাৰ খুবেই ইচ্ছা— বাবলুক আগলৈ তেওঁ এজন প্ৰশাসনিক বিষয়া কৰিব। গতিকে তাই এতিয়াৰ পৰাই বাবলুৰ যতন ল'ব খোজে। নিজৰ ইচ্ছা পূৰণৰ কাৰণে তাই পুতেকক এতিয়াৰ পৰাই গঢ়ি তুলিব।

এই কথাটো লৈয়ে পত্নীৰ লগত পৰাণ বৰুৱাৰ মতান্তৰ ঘটি থাকিল। নিজৰ খুঁটিটো কোনেও এৰি নিদিয়ে। অৱশেষত নিজৰ দাবী পূৰণৰ কাৰণে প্ৰতিমাই যিদিনা বাপুজীৰ নীতি গ্ৰহণৰ কথা ঘোষণা কৰিলে, সেইদিনাহে বৰুৱাৰ গা চেবালে। প্ৰতিমাৰ ঘৰুৱা কাম-কাজত সম্পূৰ্ণ তিনি দিন অসহযোগ আৰু অনশনৰ পিছত বৰুৱা নিজৰ খুঁটি লৰাবলৈ বাধ্য হ'ল।

চহৰখনৰ সবাতোকৈ আঢ্যৱন্ত ইংৰাজী মাধ্যমৰ স্কুল 'লিটল ফ্লাৱাৰ'ৰ পৰা বাবলুৰ নামভৰ্তিৰ 'ফৰ্ম' এখন আনি দিয়াৰ দিনা প্ৰতিমা ইমানেই আনন্দিত হ'ল যে মনৰ আনন্দতে তাই গিৰিয়েকে ভাল পোৱা কেইবাবিধো ব্যঞ্জন ৰান্ধি খুৱালে। পৰাণ বৰুৱাই পিছে সেইদিনা কোনোবিধ ব্যঞ্জনতেই সোৱাদ নাপালে। কাৰণ, পৰাজয়ৰ গ্লানিয়ে ইতিমধ্যে তেওঁৰ শৰীৰৰ সৰ্বত্ৰ বিৰাজ কৰি পেলাইছিল।

***

কথা বুলিলেই বতাহ। ঘুনুক-ঘানাককৈ কথাটো পৰাণ বৰুৱাৰ কাণতো পৰিল। কথাটো শুনি তেওঁ কিছু পৰিমাণে চিন্তান্বিত হ'ল যদিও আচৰিত নহ'ল। আজিকালি ল'ৰা-ছোৱালীৰ গতি-গোত্ৰ একো ধৰিব নোৱাৰি। বৰ্তমান তেওঁৰ জীয়েক নীতু উপনীত হোৱা বয়সটো ল'ৰা-ছোৱালীৰ কাৰণে খুবেই বিপজ্জনক। জীৱন ভঙা-গঢ়াৰ বয়স। তেওঁ শুনাৰ দৰে সঁচাকৈয়ে যদি নীতুৰ ক্ষেত্ৰত এনেকুৱা কিবা এটা ঘটিছেও, বুজালে তাই নিশ্চয় নুবুজাকৈ নাথাকিব। যিকোনো উপায়েৰে তাইক শুদ্ধ পথলৈ আনিবই লাগিব। কথাটো অহুকাণে-পহুকাণে প্ৰতিমাৰো কৰ্ণগোচৰ হ'ল। দুয়ো আলোচনা কৰি কথাটো জীয়েকক পোনপটীয়াকৈ সোধাই উত্তম হ'ব বুলি ভাবিলে।

—আমি শুনা কথাবোৰ সঁচানে নীতু? এদিন ভাত খোৱা টেবুলত পৰাণ বৰুৱাই নিজেই সুধিলে জীয়েকক।

—সঁচা দেউতা। নীতুৱেও নিৰ্ভীকভাৱে উত্তৰ দিলে।

—তুমি এইবোৰ কি কৰিবলৈ ওলাইছা? তুমি দেখিছোঁ এতিয়া আমাৰ মান-সন্মান সকলো ধূলিস্যাৎ কৰি দিবা।

—তোমালোকৰ মান-সন্মান হানি হ'ব পৰাকৈ মই একো বেয়া কাম কৰা নাই দেউতা। কাৰোবাক ভাল পোৱাটো একো বেয়া কাম হ'ব নোৱাৰে।

—বেয়া কাম নহয় ঠিকেই। কিন্তু তুমি যাৰ লগত আবেগিক সম্পৰ্ক গঢ়ি তুলিছা, তেওঁ যে আমাৰ লগত নিমিলে।

—কিয় নিমিলিব দেউতা? তেওঁৰ শিক্ষা-দীক্ষা, ৰূপ-সৌন্দৰ্য সকলো আছে। মাথোঁ তেওঁৰ কাষ্টটো ল'। সেই কাৰণেই?

—কথাটো বুজিছাই যদি তুমি এনেকুৱা এটা অবিবেচক কাম কৰিবলৈ কিয় আগবাঢ়ি গৈছা?

—যি কৰিবলৈ ওলাইছোঁ, মই জানি-বুজিয়েই কৰিছোঁ দেউতা। তোমালোকে পুৰণিকলীয়া হিপ'ক্ৰেটিক মনোভাবটো এৰিব নোৱাৰা কাৰণেহে এনেকৈ ভাবিব পাৰিছা।...

জীয়েকৰ লগত তৰ্ক কৰি পৰাণ বৰুৱা জিকিব নোৱাৰিলে। নীতুৱে একেবাৰে যুক্তিৰ কথাই কৈছে। কিন্তু সেই বুলিয়েই তাই নীচ কুলৰ ল'ৰা এটাক জীৱনসংগী কৰিব বিচৰা কথাটো তেওঁ কেতিয়াও সহজভাৱে ল'ব নোৱাৰে। জীয়েকক সেই কাম কৰিবলৈ তেওঁ কেতিয়াও দিব নোৱাৰে। বৰুৱাই বহু ঠাই ফুৰিছে, বহু কথা শিকিছে, আৰু আনকো বহু কথা শিকাইছে; তথাপি তেওঁ মনৰ পৰা কিছুমান সংস্কাৰ খেদিব পৰা নাই। যিটো কাৰণে তেওঁ নিজেও যথেষ্টখিনি ত্যাগ কৰিব লগা হৈছিল। চাকৰিত সোমোৱাৰ এবছৰৰ পিছতে বৰুৱাৰ হৃদয়ত এজনী ছোৱালীয়ে প্ৰৱেশ কৰিছিল। তেওঁৰ প্ৰেম একপক্ষীয় নাছিল। ছোৱালীজনীয়েও তেওঁক হিয়া উজাৰি ভাল পাইছিল। কিন্তু কেৱল নীচ কুলৰ হোৱা কাৰণেই ছোৱালীজনীক তেওঁ আপোন কৰি ল'ব পৰা নাছিল। বন্ধ কোঠাৰ বতাহৰ দৰেই তেওঁৰ হৃদয়ৰ আবেগ-অনুভূতিবোৰ ৰুদ্ধ হৈ ৰৈছিল। তেওঁ নিজেও বুজি পোৱা নাছিল— সমাজৰ বিভিন্ন দিশত সংস্কাৰমুক্ত তেওঁৰ মনটো এই ক্ষেত্ৰত কিয় ইমান কঠোৰ হৈ পৰিছিল। মিলন অসম্ভৱ বুলি নিশ্চিত

হৈ থকা সত্ত্বেও ছোৱালীজনীৰ বেলেগ এজনৰ লগত বিয়া ঠিক হোৱাৰ খবৰটো শুনাৰ পিছত কিয় জানো বৰুৱাৰ এনে লাগিছিল— যেন তেওঁৰ জীৱনৰ সৰ্বস্ব হেৰাই গ'ল! অপ্ৰাপ্তিৰ বেদনাত জৰ্জৰিত হৃদয়খন শাঁত পেলাবলৈকে সেইদিনা তেওঁ জীৱনত প্ৰথমবাৰৰ বাবে সুৰাৰ আশ্ৰয় লৈছিল। পিছলৈ সুৰাপানৰ অভ্যাসটো তেওঁৰ নিয়মিত হৈ পৰিছিল। বিয়াৰ পিছত প্ৰতিমাইহে এই বদ অভ্যাসটো এৰুৱাব পাৰিছিল।

জীয়েকক বুজোৱাটো বৰুৱাই ভবাতকৈ বহুত কঠিন আছিল। তাই নিজৰ মততে দৃঢ় হৈ থাকিল। তাই সেই ল'ৰাটোকে বিয়া কৰাব। বুজনিয়ে কাম নিদিয়াত বৰুৱাই জীয়েকক এইবাৰ শেষ কথা শুনাই দিলে— এই ক্ষেত্ৰত তেওঁ কেতিয়াও মিট্-মাট কৰিব নোৱাৰে। নীতুৱে যদি সেই ল'ৰাটোকে বিয়া কৰায়, তেওঁ আৰু কোনোদিনেই তাইৰ মুখ নাচায়। নীতুৱেও দেউতাকক শেষ কথা শুনাই দিলে— দেউতাকে যদি তাইক সেই ল'ৰাটোলৈ বিয়া নিদিয়ে, তাই দেউতাকৰ আগতে গাত জুই লগাই আত্মহত্যা কৰিব। পৰাণ বৰুৱাই এইবাৰো উজুটি খালে। তেওঁ জানে— নীতু তেওঁৰ দৰেই জেদী প্ৰকৃতিৰ। জেদত পৰি তাই অনেক কামেই কৰি দিব পাৰে। আগতে এনেকুৱা বহুতো উদাহৰণ দেখুৱাই থৈছে তাই। তাই যদি সঁচাকৈয়ে কিবা এটা অঘটন ঘটাই দিয়ে, সকলোৱে তেওঁকেই নুদুষিবনে? জীয়েক তেওঁৰ দেহৰ এফাল। আদৰ্শৰ তাগিদাত মুখ নাচাওঁ বুলি কৈছে যদিও জীয়েকৰ কিবা এটা হ'ব লাগিলে তেৰোঁ জানো সহ্য কৰিব পাৰিব? জীয়েকৰ শোকে তেওঁক খুলি খুলি নাখাবনে? তেওঁ মৰি মৰি জীয়াই থাকিব লাগিব। জীয়াই থকাৰ একো অৰ্থই নাথাকিব।... এনেবোৰ কথা চিন্তা কৰিয়েই বৰুৱাই নিজৰ মত সলনি কৰি পেলালে। সন্তানৰ প্ৰতি থকা মোহ আৰু মৰমৰ ওচৰত তেওঁৰ সংস্কাৰে হাৰ মানিবলৈ বাধ্য হ'ল।

পৰিয়ালৰ বাকী মানুহবোৰে সহযোগ নকৰাত বৰুৱাই জীয়েকৰ বিয়াখন মন্দিৰতে পাতি দিলে। বিয়াৰ দিনা বিভিন্ন কামত ব্যস্ত থকাৰ মাজতো কিয় জানো তেওঁৰ মনলৈ সেই কলেজীয়া বন্ধু বিমল ফুকনে কোৱা কথাকেইষাৰ আহিবলৈ ধৰিলে। বহুদিনৰ আগতে বিমল ফুকনে কোৱা সেই

কথাকেইষাৰ শৃংখলাবদ্ধভাৱে স্মৰণ নহ'ল যদিও বৰুৱাই আজি সঁচাকৈয়ে অনুভৱ কৰিলে— জীৱনৰ কিছুমান সৰু-সুৰা কথাৰ লগত মানুহে আপোচ কৰি চলিবই লাগিব। «

# বিচ্ছিন্নতা

## ভূপেন শৰ্মা

১.

পৰশু বৰুৱাই ডিঙি মেলি অদূৰত থকা বাছ ষ্টপটোলৈ চাইছে, তাৰ লগে লগে নিজৰ হাতঘড়ীটোলৈ। বৰুৱা লাহে লাহে অধৈৰ্য হৈ পৰিছে।

—কৰবী এতিয়ালৈকে আহি নেপালেহি কিয়? এইটো এটা অন্য জনঝাত! কৰ্ণপটহ বিদিৰ্ণকাৰী হৰ্নৰ শব্দেৰে প্ৰতিযোগিতাৰ দৌৰেৰে এখন গাড়ীয়ে আনখনক অভাৰটেক্ কৰিব খুজিছে...। পিছে পিছে ঘণ্টি কোবাই দৌৰিছে ফায়াৰ ব্ৰিগেডৰ গাড়ী। ক'ৰবাত জুই লাগিছে।

—জুই লগা নাই ক'ত?

বৰুৱাই ভোৰ্‌ভোৰালে আৰু পুনৰ ডিঙি মেলি চালে বাছ ষ্টপটোলৈ।

—আঃ, ছয় বাজোঁ বাজোঁ। লাহে লাহে বাছ ষ্টপটো মনিব নোৱৰা হৈ আহিছে। এই সন্ধিয়ালৈকে কম্পিউটাৰ ক্লাচ! তাই কোনো বিপদত পৰা নাইতো!

—নাঃ।

বৰুৱা সামান্যভাৱে কঁপি উঠিল। যোৱা দুটা দিন ধৰি দুটা শব্দই পৰশু বৰুৱাৰ মনটো উত্তেজিত কৰি ৰাখিছে। শব্দ দুটাই বৰুৱাৰ সৰ্বসত্তাত ক্ৰিয়া কৰিছে। মহান্তিৰ কিতাপৰ দোকানত যোৱা পৰহি মহান্তিৰ মুখেদি আখৈ ফুটাদি ফুটিছিল...।

—বৰ্তমানৰ শিক্ষা ব্যৱস্থাত ইতিহাস অথবা সংস্কৃতি অধ্যয়নৰ পৰিৱৰ্তে বিজ্‌নেচ মেনেজমেণ্টৰ দৰে পাঠ্যক্ৰমৰ গুৰুত্ব বাঢ়িছে।

—জেনেৰেচন গেপ...। কেৱল হিউমেন জেনেৰেচনহে নে?... গেপ নাই ক'ত?

বিশ্ববিদ্যালয়ৰ শিক্ষকতা এৰা বহু বছৰ হ'ল পৰশু বৰুৱাৰ। অৱসৰোত্তৰ কালত হৈ পৰিল ইণ্টাৰভিউ ব'ৰ্ডৰ মাৰ্কামৰা সভাপতি বা সদস্য। কিম্বদন্তি আৰু ইতিহাসৰ পাৰ্থক্য নজনা কিমান কেণ্ডিডেট পাইছে... গতিকেই গেপ।

কৰবী দৌৰাদৌৰিকৈ ঘৰ সোমালহি। উৎসাহ আৰু আশ্চৰ্যৰে কৈ গ'ল— বৰ ইণ্টাৰেষ্টিং ঘটনা দেউতা,— আমাৰ ইন্সটিটিউটৰ এটা কম্পিউটাৰৰ এটা প্ৰগ্ৰেমত ভাইৰাচ লাগি গ'ল— হাৰ্ড ডিস্ক ব্ল্যাংক হৈ গ'ল।

বৰুৱাই জীয়েকৰ মুখলৈ চাই ৰ'ল। বিভিন্ন ভাইৰাচে আক্ৰমণ কৰি ৰুগীয়া কৰি পেলোৱা আমাৰ সমাজলৈ মেচিনৰ ভাইৰাচো আহিছে। ভাইৰাচ মানে বোলে প্ৰগ্ৰেম এটাহে। সি কম্পিউটাৰত থকা আন প্ৰগ্ৰেমবোৰ গণ্ডগোল কৰি পেলায়।

অদ্ভুত কাণ্ড। কাৰিকৰী সফলতাৰ কেনে অসফল প্ৰয়োগ। বেঙ্ক, এলআইচিৰ কম্পিউটাৰত ভাইৰাচ লাগি যায় যদি! কৰবীয়ে কেইদিনমান পূৰ্বে বৰুৱাৰ সকলো নথি-পত্ৰ এক্সটাৰনেল ডিস্কত (কম্পিউটাৰ ফ্লপিত) জমা কৰি থৈছে।

—দেউতা, তোমাৰ চব কাগজ-পত্ৰ চেইফ ৰেকৰ্ডেড হৈ গ'ল।... কেনেকৈ চেইফ? ভাইৰাচ?... যোৱা চল্লিশটা বছৰৰ ৰেকৰ্ডচ্ সঞ্চিত ফাইলটো ক'ত থৈছে, মনত পেলালে বৰুৱাই। বৰুৱা পুনৰ কঁপি উঠিল। ৰেকৰ্ডচৰ গেপ!... কি হৈছে এইবোৰ! বিল গেইট্‌চৰ বিজ্ঞাপন— 'যাৰ কম্পিউটাৰৰ জ্ঞান

নাই, সি আজিৰ দুনিয়াত ইল্‌লিটাৰেট।' মধ্যবিত্তৰ অহমিকাত আঘাত কৰিবলৈ উচিত মন্ত্ৰ।

পৰশু বৰুৱা কলেজ-বিশ্ববিদ্যালয়ত থাকোঁতে ইলেক্‌ট্ৰনিক সঁজুলি বুলিবলৈ কেল্‌কুলেটৰটোহে আছিল। লগাৰিথিমৰ ইয়ুজ প্ৰায় কম্‌পালচৰি আছিল। বৰুৱাৰ নিজকে বোঁৱতী নদীৰ মাজসোঁতেৰে আহি থকা জাঁজি যেন লাগিল। ক'ৰবাত কেনেবাকৈ যেন তেওঁৰ গতি স্তব্ধ হৈ গৈছে— অথচ তেওঁৰ চৌপাশ কিমান ব্যস্ত— কাৰো কালৈকো চাবলৈ সময় নাই। কেইদিনৰনো কথা। যোৱা কুৰিটা বছৰতে জীৱনৰ প্ৰবাহ দুগুণ ত্বৰিত হৈছে। বাঢ়ি গৈছে সমস্যা।

কৰবীয়ে এম এ পাছ কৰা চাৰি বছৰ হ'ল। ব্যক্তিগত খণ্ডৰ স্কুল এখনলৈ অহা-যোৱা কৰি আছে। তাইলৈ বেয়াই লাগে বৰুৱাৰ। মেট্ৰিক পাছ কৰিয়েই তাইৰ কি উচাহ— কলেজত পঢ়িব। কটনতে পঢ়িছিল। ৰিজাল্টবোৰো বেয়া নাছিল।... আজিকালি তাই অলপ বেছি সময় ৰিডিং ৰূমত কটালেই বৰুৱা উদ্বিগ্ন হৈ পৰে।... কৰবী পঢ়া টেবুলত বহি অনিশ্চয়তাৰ অনিৰ্ণেয় সাঁথৰৰ মাজত সোমাই যোৱা নাইতো!

বিয়া-বাৰুৰ কথা উলিয়ালে তাই দেউতাকলৈ আচৰিত হৈ চায়।...

—তুমি বিয়াখন কিয় ইমান এচেনচিয়েল বুলি ভাবিছা? বৰুৱাই অন্য কথা উলিয়াই। টিভিটোত বিৰিংবাৰাংকৈ কিছুমান দৃশ্য ইটোৰ পিছত সিটোকৈ ওলাই গৈছে। কৰবীয়ে আৰ-চিটোৰে কিবা এটা চেনেল বিচাৰিছে।

২.

হঠাৎ পৰশু বৰুৱাৰ অধীৰ দাসলৈ মনত পৰিল। দাস পৰশু বৰুৱাৰ গাঁৱৰে। গাঁৱৰ স্কুলত দুয়ো একে শ্ৰেণীতে পঢ়িছিল। আৰ্থিক অসুবিধাই অধীৰৰ পঢ়া আধৰুৱা কৰিলে। আৰ্থিক অসুবিধাতকৈয়ো বেছি ক্ষতি কৰিছিল বাপেকৰ মদাহী স্বভাৱে। মেট্ৰিকৰ দেওনা পাৰ হ'ব নোৱৰা অধীৰ পৰশু বৰুৱাহঁতে কলেজ পাছ কৰাৰ পূৰ্বেই মাৰ্কামৰা পাণ-দোকানী হৈ গ'ল। তাৰ অন্তৰখন আছিল খোলা। একমাত্ৰ পুতেকক কোনো অভাৱত পৰিব নিদিয়াকৈ বি এলৈকে

পঢ়ুৱালে। এতিয়া চহৰৰ চৰকাৰী অফিচত চাকৰি কৰে। এতিয়া দোকান চলাবলৈ দাসে ল'ৰা এটা ৰাখিছে। দাস মাজে মাজে পৰশু বৰুৱাৰ তালৈ আহে। ভাল-বেয়া দু-আষাৰ কথা পাতি গুচি যায়। এটা নিৰুদ্বেগ জীৱন অধীৰ দাসৰ। নগৰীয়া অস্থিৰ হাৱাই দাসৰ মগজুত একো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰে। এদিন আহি ক'লেহি— পুতেকৰ বিয়া পাতিছে। বহুসময় দাস মনে মনে বহি থাকিল। বৰুৱাই সুধিলে— পইছা-পাতি লাগিব নেকি?

—নালাগে। দাসৰ চমু উত্তৰ। তাৰ পিছত লাহে লাহে ক'লে— বিয়াৰ পিছতে ল'ৰাই অফিচৰ ওচৰতে ঘৰ এটা লৈ থকা কৰিব। ঘৈণীজনী ঢুকাবৰ পিছৰে পৰা দুয়ো মেছত থকাৰ দৰেহে আছিলো। মোৰ দোকান, তাৰ অফিচ। ৰাতিহে মুখ দেখাদেখি হয়।... বিয়াৰ পিছত তাৰো মুদা মৰিব!

—এৰা, ওল্ড এইজ হোমবিলাক ল'ৰাই নিবিচাৰিলেও বুঢ়াবিলাকেই বিচাৰিব লাগিব। শেষ বয়সত আশ্ৰয় এটাতো লাগিব। বৰুৱাই ভাবিলে।

৩.

পৰশু বৰুৱাই বাতৰি কাকতৰ পাত লুটিয়ালে। কাকতবোৰৰ মাজত কোনো পাৰ্থক্য বিচাৰি নাপায় বৰুৱাই। বাতৰি পৰিৱেশনৰ নীতিও গতানুগতিক। আগতে কেইবাখনো কাকত নিয়মীয়াকৈ পঢ়া বৰুৱাই এতিয়া মাত্ৰ এখন কাকত ৰখা কৰিছে। কৰবীয়েও পঢ়িবলৈ সময় নাপায়। নিয়মীয়াকৈ এমপ্লইমেন্ট নিউজখন মাত্ৰ পঢ়ে। অ'লৈ-ত'লৈ চাকৰি বিচাৰি দৰ্খাস্ত কৰে। কামৰ চৰ্ত বহুত। দৰ্মহাৰ চৰ্ত একো নাই। নিবনুৱাৰ সংখ্যা গুণোত্তৰ হাৰত বাঢ়িছে প্ৰতিদিনে। বৰুৱাই উচ্চ শিক্ষাৰ সংকোচনৰ নীতি সম্পৰ্কীয় লেখা এটাত চকু ফুৰালে। বৰুৱাই ভাবিলে— শিক্ষাৰ সংকোচন কৰিবলৈ নীতিনো লাগে কিয়? নিৰাপত্তা নিশ্চিত কৰিব নোৱৰা উচ্চশিক্ষা ল'বই বা কোনে? শিক্ষানুষ্ঠানবোৰ দস্তুৰমত খালি হৈ যাব। তাৰপিছত? বৰুৱাৰ একো ভাবিবৰ মন নোযোৱা হয়।

বিস্ফোৰণ, হত্যা, লুণ্ঠনৰ খবৰেৰে ভাৰাক্ৰান্ত বাতৰি কাকতবোৰ বহুৰাষ্ট্ৰীয় কোম্পানীৰ লাভালাভৰ পৰিসংখ্যা— সপোনৰ কিনা-বেচা। অৰ্থনীতিৰ

গ্ল’বেলাইজেচন হৈছে। গ্ল’বেলাইজেচন! মানুহৰ হাহাকাৰ, হুমুনিয়াহবোৰৰো গ্ল’বেলাইজেচন হোৱা হ’লে! গুনাৰ মাৰ্ডেল-এ কৈছে— দীঘল পেণ্ট কিনিবলৈ পইছা নাই যদি ভৰি দুখনেই কাটি চুটি কৰি লোৱা।... বঢ়িয়া চলিউচন। পিছে গ্ল’বেল ইকনমিয়ে দেখোন ভৰি নকটাকৈয়ো মানুহক পংগু কৰি পেলাইছে।

গুনাৰ মাৰ্ডেলৰ কথা মনত পৰাৰ লগে লগে বৰুৱাৰ মনত পৰিল ব্ৰীজেশ মহান্তিলৈ। বৰুৱাৰ সমবয়সীয়া। কিছুদিন ওকালতি কৰিছিল। ওকালতি আৰু কি, বাৰত এনেয়ে বহি থকা, কাম জমি নুঠা ডেকা লয়াৰ কেইজনৰ লগত আড্ডা। মহান্তিয়ে প্ৰগতিশীল চিন্তাৰ প্ৰয়োজনীয়তাৰ সপক্ষে তৰ্ক কৰে। পিছলৈ ওকালতি এৰি কিতাপৰ দোকান দিছিল। তাতেই বৰুৱাৰ সৈতে মহান্তিৰ চিনাকি। চিনাকিৰ পিছত বন্ধুত্ব। মাৰ্ডেল, কেইন্স, মাৰ্ক্স— সকলোৰে মতৰ সাৰবত্তা মহান্তিৰ মুখেদি আখৈ ফুটাদি ফুটিছিল। তৃতীয় বিশ্বৰ দেশসমূহে ডব্লিউ টি ও-ৰ নাগপাশৰ পৰা মুক্ত হ’বলৈ আমেৰিকানাইজ্ড পলিচিৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলন চলাব নে মৌলবাদী সন্ত্ৰাসবাদীয়ে কৰালৈ ৰৈ থাকিব? মহান্তিয়ে কৰা এনেবোৰ প্ৰশ্নৰ উত্তৰ বৰুৱাই দিয়াৰ প্ৰয়োজন নাই। মহান্তিয়েই ব্যাখ্যা দি যায়। বৰুৱাৰ ভাল লাগিছিল মহান্তিৰ সৈতে বাৰ্তালাপ কৰি।

## ৪.

সন্ধিয়া অধীৰ দাস আহিল। মুখখন শুকান, চিন্তান্বিত। বৰুৱাই খবৰ সুধিলে।

—ভাল নহয় অ’ পৰশু। দাসৰ মাতটো কঁপি উঠিল। বৰুৱা উদ্বিগ্ন হৈ উঠিল। চৌপাশৰ সঘন পৰিৱৰ্তিত জাগতিক ঘটনাক্ৰমে একো ক্ৰিয়া কৰিব নোৱৰা দাসৰ মনটোৰ ভিতৰত থূপ খাই থকা এবুকু দহনৰ উত্তাপ অনুভৱ কৰিলে বৰুৱাই। কি হৈছে জানিবলৈ ব্যগ্ৰ হৈ পৰিল বৰুৱা। দাসে লাহে লাহে কৈ গ’ল— তোমাৰেই ভাল দিয়া; আগলৈও নাই, পিছলৈও নাই। বৰুৱাই দাসৰ মন্তব্যটোৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিলে।

—মোৰ ল'ৰাটোৰ কথা কৈছোঁ। সি বোলে এইবাৰ মাকৰ অস্থি গঙ্গাত বিসৰ্জন দি আহিব। বছৰি শ্ৰাদ্ধ কৰি থকা লেঠা মাৰিব বোলে। দাস অলপ ৰ'ল। তেওঁৰ মাতটো কঁপিছিল।

—চোৱাচোন পৰশু, তাৰ কষ্ট হ'ব বুলিয়েই দ্বিতীয়জনী গোটাই নল'লো। যোৱা ত্ৰিশটা বছৰ তাৰ মাকৰ মৰম আকলুৱা মুখখনৰ স্মৃতি লৈয়েই দিন কটাইছোঁ।... তাক কৈ দিছোঁ,— তোৰ সময় নাই, নালাগে পাতিব শ্ৰাদ্ধ। শ্ৰাদ্ধৰ পৰা মোক আজৰি কৰি দিব নালাগে।

বৰুৱাই দাসলৈ চালে। এটা সৰল সমীকৰণৰ দৰে জীৱনপঞ্জী দাসৰ। কিন্তু এই সমীকৰণটোৰ বিবিধ উত্তৰে দাসক যেন বিব্ৰত কৰি তুলিছে।

কৰবী তেতিয়া চাৰি বছৰীয়া। অধীৰ দাসৰ তেতিয়াৰ পৰাই বৰুৱাৰ তালৈ অহা-যোৱা। কেতিয়াবা দাসে কয়— তোমাক ল'ৰা এটা লাগে বুলি নাভাবানে?

—কিয়? মই মৰাৰ পিছত পিণ্ড দিবলৈ নে বংশ ৰক্ষা কৰিবলৈ? বৰুৱাই হাঁহি কয়। দাসে ভাবে পুত্ৰৰ ফালৰ পৰাহে বংশ ৰক্ষা হয়।

—মাককে মনত ৰাখিব নোখোজা ল'ৰাটোৱে কি মোৰ বংশ ৰাখিবহে পৰশু! «

গুনাৰ মাৰ্ডেল: http://www.en.wikipedia.org/wiki/Gunnar_Myrdal

# পোষ্ট মডার্ন: এটা গল্প অথবা অগল্প

## লিখন নীল কোঁৱৰ

- *ফেড ইন*

কংকণৰ অসমীয়াত এম এ কৰা পাঁচবছৰ হ'ল। একো সংস্থাপন হোৱা নাই। ঘৰতে বহি আছে দেউতাকৰ অবিৰাম খেচখেচনি হজম কৰি কৰি। নিবনুৱা হৈ থকাৰ বাবে যেন অকল সিয়েই দায়ী! দেউতাক অৱসৰপ্ৰাপ্ত স্কুলশিক্ষক। মাক ডায়েবেটিছ আৰু উচ্চ ৰক্তচাপত আক্ৰান্ত। এজনী বিবাহযোগ্যা ভনীয়েক। স্নাতক শ্ৰেণীত অধ্যয়নৰত এটা ভায়েক। ঘৰৰ নানা আহুকাল আৰু দায়িত্বৰ হেঁচাত দেউতাক হায়ৰাণ, লবেজান, খিংখিঙীয়া। চাকৰিৰ বাবে কিমান চেষ্টা চলালে সি—অৰণ্যৰোদন মাত্ৰ। খং, ক্ষোভ আৰু হতাশাত ফাটি পৰিব খোজে সি। ঘৰখনৰ কথা ভাবি একো কৰিব নোৱাৰে। গোটেই চিষ্টেমটোৰ ওপৰত এক অদমনীয় খং উঠে তাৰ।

অভাৱী আৰু অনিশ্চিত ভৱিষ্যতৰ কথা ভাবি প্ৰায়ে তাৰ টোপনি নাহে। উৰ্মিৰ কথা ভাবিও সি পাৰ নাপায়। তাইৰ মুখতো ডুবিব খোজা বেলি। তাৰ বাবেই তাই ৰৈ আছে সুদীৰ্ঘ ছবছৰ ধৰি। সি নিজকে বৰ দোষী আৰু সৰু অনুভৱ কৰে। দুশ্চিন্তা আৰু মনৰ দুখত কেতিয়াবা সি সুৰাপানো কৰে। সেইদিনা ঘৰলৈ নাহে, দোকানী বন্ধু কমলৰ লগতে শুই থাকে।

কংকণৰ সহপাঠী সমৰ এনফৰ্চমেণ্ট ইন্সপেক্টৰ। শুনা মতে, কেইবা লাখ ঘোচ দি চাকৰি পাইছে সি। প্ৰবালৰ কিবা চিণ্ডিকেটৰ ব্যৱসায়, অলপতে সি আই-টুৱেণ্টি কিনিছে। তথাকথিত ‘প্ৰপাৰ চেনেল’ আৰু কেইলাখমান টকাৰ অভাৱত সি প্ৰতিভাৱান হৈও ‘হ’পলেছ’ বেকাৰ। সেইবোৰ দেখি-শুনি দেউতাকৰ অনৰ্গল বকনি— “হেৰৌ, লগৰবোৰ সব গজগজীয়া হ’ল। কিবা এটা কৰ। মই আৰু কিমান চম্ভালিম ঘৰ-সংসাৰ!”

- *জাম্প-কাট*

“পল, কি লিখি আছা?” মোৰ ৰুমলৈ প্ৰবালিকা সোমাই আহিল। তাই মোৰ অন্তৰংগ বান্ধৱী। “চাওঁ মই।” আমি দুয়ো সৰুৰে পৰা একেলগে খেলি-ধূলি, পঢ়ি-শুনি ডাঙৰ হৈছোঁ।

“বাঃ! নতুন গল্প যেন পাইছোঁ— এজন নিবনুৱা যুৱকৰ কাহিনী।” তাই উচ্ছ্বসিতভাৱে ক’লে।

“তেনেকুৱাই।” মই লাহেকৈ ক’লো। তাইৰ আগত মুখ বেছি নচলোৱাই ভাল। ছোৱালীৰ লগত কথা-বাৰ্তাত অলপ বেছি সাৱধান হোৱা ভাল; অভিজ্ঞতাৰ পৰা শিকিছোঁ।

“কোৱাচোন প্লটটোৰ বিষয়ে অলপ।” তাই আগ্ৰহেৰে সুধিলে।

“এতিয়াই ক’ব নোৱাৰি, পিছত গম পাবাই।” মই অলপ নাটকীয়ভাৱে ক’লো। আচলতে মই এক সুনিৰ্দিষ্ট আৰু পৰিকল্পিত শৈলীত নিলিখোঁ। প্লটটোক এক স্বাধীন গতিত আগবাঢ়িবলৈ দিওঁ।

“ঠিক আছে, এতিয়া নালাগে ক’ব; কিন্তু প্ৰথমে মই পঢ়িম।” তাই দৃঢ়তাৰে ক’লে।

“হ’ব, তুমিয়েই পঢ়িবা বাৰু।” মই বিষয়টোৰ মোখনি মাৰিলো।

• *জুম ফ্রিজ*

“ভণ্টি, টকা পাঁচশ হ’ব নেকি?” কংকণে ভনীয়েকক নিম্ন স্বৰত সুধিলে। দেউতাকে কেনেবাকৈ শুনিলে আৰম্ভ কৰি দিব গালিৰ ধাৰাসাৰ বৰষুণ,— দেউতাক বৰ শহাকণীয়া।

“কি কৰিবলৈ লাগে? মই ভাল ম’বাইল এটা কিনিম বুলি...।” ভনীয়েক দাং খাই উঠিল। সি ভনীয়েকক লাহেকৈ ক’বলৈ ঈঙ্গিত দিলে।

“চিঞৰিছ কিয়? মাৰিবি মোক...।” তাৰ কণ্ঠত চেপা আংশকা।

“দি দে তাক,পাৰিলে হেজাৰেই দি দে। পাণ-চিগাৰেটৰ শৰাধ পাতিবগৈ লাগিব নহয়! নিজে দুপইচা কমোৱাৰ ধাণ্ডা নাই, ভনীয়েকৰ টিউছন কৰি পোৱা টকাকেইটাত তাৰ চকু। লাজ নাই! কেতিয়ানো সুমতি হ’ব ল’ৰাটোৰ। হে হৰি!” বাৰান্দাত থকা ছাতিটো নিবলৈ অহা দেউতাকে কথাবোৰ শুনিলেই নহয়।

’টেট’ৰ ফৰ্ম ফিল-আপৰ বাবে ভনীয়েকৰ ওচৰত টকা বিচাৰিছিল। সেইটো দেউতাকক বুজাবলৈ গৈ লাভ নাই; কোদোৰ বাহত জুই দিয়াৰ নিচিনাহে হ’বগৈ। অগত্যা সি প্ৰস্থান কৰাই শ্ৰেয় বিবেচনা কৰিলে। “ঘৰত কূটা এগছ ইফালৰ পৰা সিফাল নকৰ। নিকম্মা!” দেউতাকৰ তীব্ৰ বাক্যবাণ আওকাণ কৰি সি ঘৰৰ বাহিৰ ওলাল। ক্ষোভ, দুখ আৰু হতাশাত সি গেটখন জোৰকৈয়ে টানি দিলে। সমস্ত উত্তেজনা যেন গেটখনতে জাৰি দিলে। খৰ খোজেৰে সি আঁতৰি গ’ল; যেন সি এটা পলৰীয়া— জীৱনৰ তীব্ৰ ভ্ৰূকুটি আৰু হেয় দৃষ্টিৰ পৰা সি আঁতৰি পলাইছে!

• *জাম্প-কাট*

“ইমান উত্তেজিত হৈ নায়ক ক’লৈ ওলাই গৈছে পল?” প্ৰবালিকৰ কণ্ঠত চিন্তাৰ সুৰ। তাইৰ কথাষাৰত এনে লাগিল যেন চকুৰ আগেদি গল্পৰ নায়ক ওলাই গ’ল।

“মই নাজানো দেই।” নিৰুদ্বেগচিত্তে ক’লো। তাই অলপ চটফটীয়া যদিও বৰ অনুভূতিপ্ৰৱণ।

“তুমি কাহিনীকাৰ, আৰু তুমি কৈছা নাজানা...।” তাই যথেষ্ট ক্ষোভেৰে ক’লে।

“মই কাহিনীকাৰ হ’লো, তাতে কি হ’ল? মানুহৰ জীৱনত ঘটা ঘটনাবোৰত কাৰো হাত নাথাকে কেতিয়াবা। জীৱন নিজৰ ধৰণে আগুৱাই যায়। তাকেই চাগে নিয়তি বুলি কয়।” মই শান্তভাৱে ক’লো। তাই অলপ সময় নিশ্চুপ হৈ ৰ’ল আৰু কিছু সময়ৰ পিছত নীৰৱতা ভঙ্গ কৰিলে— “ব’লা, নদীৰ পাৰত অলপ খোজ কাঢ়ি আহোঁ।”

• *ডলি-ইন*

“মা, মই গুৱাহাটীলৈ যাওঁ, এসপ্তাহৰ বাবে।” চাহ দিবলৈ অহা মাকক কংকণে জনালে।

“হঠাতে! কি কাম ওলালনো?” মাক অলপ আচৰিত হ’ল।

“অলপ দিন আগতে এন জি অ’ এটাত এপ্লাই কৰিছিলো। তাৰে ইণ্টাৰভিউ আছে।”

মাকৰ মুখখন অলপ পোহৰ হ’ল। আশাৰ এক লহৰ চিকমিকাই উঠিল। মাকৰ মুখৰ এই পোহৰৰ লহৰ ধৰি ৰাখিবলৈ সি বদ্ধপৰিকৰ।

“যা, ভালকৈ দিবিগৈ। প্ৰভুৱে কৃপা কৰিলেই হয়।” মাকে গোসাঁইঘৰৰ ফালে মূৰ দোৱাই সেৱা এটা কৰিলে।

• *ৱাইপ ইন*

তেনেই সাধাৰণ ইণ্টাৰভিউ। অলাগতিয়াল কথাৰ মহলা। সি বুজিলে— এইবাৰো নহ’ব। কমলৰ পৰা ধাৰলৈ অনা টকা দুহেজাৰ পানীত পৰিল। আকৌ এটা নতুন ‘টেনছন’— কমলৰ টকাকেইটা ঘূৰাব লাগিব। কি যে পুতৌ ওপজা তাৰ নিঃস্ব জীৱন! বাছ আস্থানত উৰ্মিয়ে কোৱা কথাষাৰ মনত পৰিল— “এয়া তোমাৰ ‘লাষ্ট চান্স’ বুলি ধৰা। মই আৰু ঘৰৰ প্ৰেছাৰ সহ্য কৰিব নোৱৰা হৈছোঁ। কথাটো বুজিছা নহয়?” সি কথাবোৰ ভালকৈয়ে বুজে। নুবুজে তাৰ দেউতাকে, ঘৰখনে, চাকৰি দিব পৰা মানুহবোৰে। এজন ব্যক্তিয়ে আছে এই সংসাৰত, যি তাক বুজে— উৰ্মি। কিন্তু তায়ো কিমান দিনলৈ কথাবোৰ বুজি

থাকিব? তাইক মুক্ত কৰি দিয়াই ভাল হ’ব— কথাষাৰ ভাবি বুকুখন মোচৰ খাই গ’ল তাৰ। এখন ধাৰাল চুৰিয়ে যেন কলিজা ভেদি গ’ল।

কথাবোৰ ভাবি ভাবি সি হোটেলখনৰ কৰিডৰেদি গৈ আছিল। হঠাৎ তাক ‘দাদা’ বুলি কোনোবাই মতাত ঘূৰি চালে। হোটেল বয়টোৱে তাক ক’লে— “অৰোৰা চাৰে আপোনাক ৰুম নং ১৬৭ত লগ পাব বিচাৰিছে।”

অৰোৰা চাৰ ইণ্টাৰভিউ ব’ৰ্ডত বহিছিল, তাৰ মনত পৰিল। সেই মানুহজনে তাক বিচৰাত সি অলপ আচৰিত হ’ল। বয়টোৱে দেখুৱাই দিয়া ৰুমটোত সি প্ৰৱেশ কৰিলে।

“ৱেলকাম ইয়ং বয়, বহাঁ।” অৰোৰাই তাক এক ৰহস্যময় আগ্ৰহেৰে আদৰিলে। সি কোনো কথা নোকোৱাকৈ প্ৰশ্নবোধক চাৱনিৰে তেওঁলৈ চালে। পোনপটীয়াকৈয়ে মানুহজনে ক’লে— “গোটেইখিনি কেণ্ডিদেটৰ ভিতৰত তুমিয়েই মষ্ট এলিজিবল। তোমাৰ ফিজিক, বায়’ডাটা আৰু পাৰফৰ্মেন্স— সব বঢ়িয়া। তথাপিও তুমি জবটো নোপোৱা। ভিতৰুৱা ফেক্টৰ আছে। কিন্তু মই তোমাক হেল্প কৰিব পাৰোঁ, যদি তুমিও মোক হেল্প কৰা...।” অৰোৰাই তালৈ এটা সৰু খাম আগবঢ়াই দিলে। “ইয়াত এটা সৰু নোট আৰু মোৰ কাৰ্ড আছে। চাবা আৰু অ’কে হ’লে মোক কনটেক্ট কৰিবা। নাও, ইউ কেন লিভ।” মানুহজনে গহীন ভাবত ক’লে।

কৰিডৰলৈ ওলাই আহি কংকণে নোটটো পঢ়িলে— My daughter is in need of sperm . If you are ready, donate your sperm and get the job. You have half an hour to decide.”

প্ৰথমতে সি চক খালে। তাৰ শৰীৰেদি বিদ্যুতৰ এক প্ৰাণঘাতী সোঁত যেন বৈ গ’ল হঠাৎ। কিছু ক্ষণৰ পাছত সি নোটটো আকৌ এবাৰ পঢ়িলে। তাৰ চকুৰ আগেদি চিনেমাৰ ৰীলৰ দৰে মাকৰ সৰল মুখখন, দেউতাকৰ দুশ্চিন্তাত থুপ খোৱা কপালখন, ভাই-ভনীয়েকৰ নিষ্পাপ মুখ দুখন আৰু তাৰ বাবে সুদীৰ্ঘ দিন ৰৈ থকা উৰ্মিৰ আকুতিভৰা মুখখন পাৰ হৈ গ’ল। বহুত বেছি নাভাবি অৰোৰাৰ পোষ্ট ম’ডাৰ্ন প্ৰস্তাৱটোত সিও পোষ্ট মডাৰ্ন সিদ্ধান্ত এটা লৈ পেলালে। জেপৰ পৰা ম’বাইলটো উলিয়াই সি অৰোৰাৰ নম্বৰটো ডায়েল কৰিলে।

• *ফেড ইন*

"প্ৰবালিকা, ইমান ভাৱবিভোৰ হৈ কি চাই আছা?" একেথৰে নৈখনলৈ চাই থকা প্ৰবালিকাক মই হেঁচুকি দিলো। তাই মোলৈ ঘূৰি চালে,— এক কৰুণ, কাতৰ দৃষ্টি তাইৰ চকুত। তাই মোক খুব লাহে লাহে ক'লে— "আমাৰ ঘৰলৈ ল'ৰা এটাৰ প্ৰস্তাৱ আহিছে মোৰ বাবে। ভাল, প্ৰতিষ্ঠিত ল'ৰা।"

"বাঃ, সঁচানে? খুব ভাল কথা। গ' ফৰ ইট।" যথেষ্ট উচ্ছ্বাসেৰে মই ক'লো। তাইৰ মাক-দেউতাকে মোৰ আগত প্ৰায়ে চিন্তা ব্যক্ত কৰে তাইৰ বিয়াৰ কথা লৈ। তাই সদায় ইয়াৰ পৰা আঁতৰি ফুৰে। এই প্ৰথম তাই কোনোবা ল'ৰাৰ কথা কোৱা শুনিলো। মোৰ কথা শুনি তাই একো নক'লে। মই ভাবিছিলো, তাই জকজকাই উঠিব। কেতিয়াবা ছোৱালীবোৰক বুজিবলৈ বৰ টান হৈ পৰে। আনকি সিহঁতৰ মন পঢ়াটোও সাংঘাটিক দুৰূহ হয়। প্ৰবালিকাৰ এই কেইটামান মুহূৰ্তৰ ৰূপ আৰু অভিব্যক্তি ঠিক তেনেকুৱাই লাগিল।

"যি কি নহওক, অৱশেষত তোমাৰ গল্পৰ নায়কে চাকৰি এটা পালে। হেপি এণ্ডিং, নহয়নে?" তাই লাহেকৈ মুখ খুলিলে। ক্ষীণ হাঁহিৰ এটা আভাস তাইৰ মুখৰ অভিব্যক্তিত। প্ৰশ্নটো সুধি তাই পূৰ্ণ দৃষ্টিৰে মোলৈ চালে।

মই তাইক কেইটামান কথা ক'ব খুজিছিলো। কিবা এটা ভাবি নক'লো। নৈখনৰ সিপাৰে দিগন্তত বেলিটো তেতিয়া বুৰিবলৈ ধৰিছিল। আবেলিৰ বেলিৰ আভাৰে নৈৰ বুকু ৰাঙলী হৈ পৰিছিল। «

(গল্পটোত অধ্যায় বিভাজনৰ বাবে চলচ্চিত্ৰত ব্যৱহাৰ কৰা কিছু কৌশলৰ পৰিভাষা ব্যৱহাৰ কৰা হৈছে। পৰিভাষাসমূহৰ ব্যাখ্যাৰ বাবে এই ৱেবচাইট চাব পাৰে:
http://www.psu.edu/dept/inart10_110/inart10/film.html
http://www.filmsite.org/filmterms9.html)

# যাত্ৰা

## ৰিপুঞ্জিত হাজৰিকা

—পঢ়া-শুনা শেষ কৰি মোকে তোৰ ড্ৰাইভাৰ ৰাখিবি। সুধিবলৈ কথাটো সহজতো নহয়েই বৰঞ্চ অসহজ কৰি দিব পৰাকৈ টান যদিহে কওঁতাৰ কথাষাৰত সেইটো প্ৰশ্ন, অনুৰোধ নে আদেশ ধৰিব পৰা নাযায়। গতিকেই নাৰায়ণৰ কথাষাৰৰ উত্তৰ নিদি সীমান্তই ভাবি থাকিল লিখিম বুলি ভাবি থকা নতুন গল্পটোৰ কথা, কালি পঢ়া,— তাক অবাক কৰি দিয়া কবিতাটোৰ কথা (মাজে মাজে ‘তাই’ৰ কথা ভাবিছিল যেনো লাগে)। আৰু নাৰায়ণে হয়তো ভাবিলে, কালিৰ এক্সিডেণ্টটোৰ পৰা কেনেকৈ সি কৌশলেৰে বাচিছিল সেই কথা, ৰাজু ড্ৰাইভাৰৰ ভনীয়েক নীলিমাৰ কথা, শৈশৱৰ বন্ধু সীমান্তক বহুদিনৰ মূৰত লগ পোৱাৰ কথা আৰু এই সময়ত সীমান্তহঁতৰ গাড়ীত টাউনলৈ বুলি ওলাই অহাৰ কথা।

গল্পটো লিখিম বুলি সীমান্তই বহুদিনৰ পৰা ভাবিছে, কিন্তু লিখিব পৰা নাই। লিখিম বুলি ভাবোঁতেই মোবাইলত কাৰোবাৰ মেছেজ আহে, ফেচবুকৰ নটিফিকেশ্যন আহে, কেতিয়াবা এছাইনমেণ্ট থাকে আৰু বেছিভাগ সময়তে গল্প

লিখিব পৰাকৈ একো সমল নাথাকে। গতিকেই জগজিৎ সিঙৰ গজল বাজে, 'তাই'ৰ কথা মনলৈ আহে আৰু অৱশেষত টোপনি আহে।

দুবছৰৰ অভিজ্ঞতাৰ পৰা নাৰায়ণে কৈ গ'ল, আজিকালি মেইন ৰোডত গাড়ী চলাবলৈ কিমান ভাল, কাষৰ গাঁওখনৰ মূৰ্গীবোৰ ৰাস্তাত চৰে বাবে গাড়ী চলাবলৈ কিমান কষ্ট, আজিকালি গাঁৱৰ মাজৰ সিটো ৰাস্তাও ভাল হ'ল আদি কথা। সীমান্তই কথাবোৰ শুনি আছে যদিও ভাবি আছে গল্প লিখাৰ কথা, তাৰ গল্পটো মানুহে আদৰি ল'বনে, সেই কথা (যিহেতু কি লিখিছেতকৈ কোনে লিখিছেৰ গুৰুত্ব বেছি), নাৰায়ণ এটা গল্পৰ চৰিত্ৰ হ'ব পাৰেনে সেই কথা, যদি চৰিত্ৰ হয়, কেনেদৰে আগবঢ়াই নিব লাগিব সেই কথা।

—আজিকালি তাইলৈ ফোন কৰনে?

—হাঃ? আজিকালি..., ফোন—, কৰোঁ মাজে মাজে।

কি কথাবোৰ মনত পেলাই দিয়ে ই নাৰায়ণে! সীমান্তই ভাবিলে, কেনেদৰে 'তাই'ক লগ পাইছিল, কলেজৰ সন্মুখত তাইক লগ ধৰিছিল, ফোনত কথা পাতিছিল, এদিন "এয়া সম্ভৱ নহয়" বুলি কৈছিল, সিদিনা দেখোঁতে কেনেদৰে নতুন চিনাকিৰ দৰে কথা পাতিছিল। তায়ো হয়তো কেতিয়াবা গল্পৰ চৰিত্ৰ হ'ব, কিন্তু এইবাৰ নহয়।

—নীলিমাৰ কেনে?

প্ৰশ্নটো সুধি সীমান্তই দেখিলে দিনে দুবাৰকৈ তেজপুৰলৈ আপ-ডাউন কৰা নাৰায়ণে লাজ কৰিছে, কথাবোৰ ক'বলৈ সংকোচ কৰিছে, কথাবোৰ ক'বলৈ আগ্ৰহ কৰিছে, কথাবোৰ কৈ গৈছে, কৈ গৈছে আৰু কৈ গৈছে।

সীমান্তই ভাবিলে, গল্প এটা লিখাটো সহজ হ'লহেতেন যদিহে নাৰায়ণৰ জীৱনটো গল্পৰ দৰে হ'লহেতেন। আচলতে সৰুতেই তাৰ মাক-দেউতাক ঢুকোৱা নাই, টকাৰ অভাৱত স্কুল এৰা নাই(অভাৱ আছিল যদিও অভাৱেই কাৰণ নহয় বুলি সীমান্তই জানে), ধনী ঘৰৰ একমাত্ৰ জীয়েক তাৰ প্ৰেমত পৰা নাই আৰ...। আৰু কি কি হ'লহেতেন গল্প হোৱা হ'লে! সীমান্তই ভাবিলে, আচলতে ড্ৰাইভাৰ হোৱাৰ আগ্ৰহেহে নাৰায়ণক ড্ৰাইভাৰ কৰি তুলিলে(অবশ্যে

আগ্ৰহে সীমান্তক গল্পকাৰ কৰি তোলা নাই)। আৰু আগ্ৰহ নাই বাবেই নাৰায়ণে গল্প নপঢ়ে, সীমান্তই গাড়ী নচলায়।

সিহঁতৰ গাড়ী চহৰত সোমাওঁ সোমাওঁ। চহৰখন কিবা বিখ্যাত গল্পৰ দৰে লাগে এইখিনিৰ পৰা। সকলোৱে যেন প্ৰতিটো সন্ধিয়া সেই গল্প পঢ়িবলৈ আহে। পথৰ দাঁতিৰ লাইটবোৰ, বজাৰৰ ভিৰখিনি, কাৰোবালৈ অপেক্ষা কৰি থকা গাভৰুজনী, ফাৰ্মাচীখনৰ সম্মুখত ডাক্তৰৰ বাবে ৰৈ থকা দীঘলীয়া শাৰীটো আৰু ইমানবোৰ মানুহক জীয়াই ৰখা চহৰখন; কিমান গল্প লিখিব লগা আছে সীমান্তৰ এই চহৰখনক লৈ, কিমান বাৰ এই চহৰৰ ভিৰ পাৰ হৈ যাব লগা আছে নাৰায়ণৰ।

—এইটোৱে আমাৰ ষ্টেণ্ড।

কথাষাৰত যেন সোমাই আছে চহৰখনৰ প্ৰতি আৰু অলপ কৃতজ্ঞতা। সীমান্তই বুজিলে নিজৰ ভৰিৰ ওপৰত নাৰায়ণে নিজকে চম্ভালি লৈছে। চহৰখন এতিয়া তাৰ বাবে সীমান্তকৈ বেছি আপোন। ভিৰ বাঢ়ি আহিছে, পুৰণি চহৰখনে দুয়োকে আকৌ এবাৰ নিজৰ প্ৰেমিক কৰি তুলিছে। নাৰায়ণে ভাবিলে, কওঁ নেকি আকৌ এবাৰ "তই মোক ড্ৰাইভাৰ ৰাখিবিনে?" বুলি। আৰু সীমান্তই কি ভাবিলে?

সীমান্তই ভাবিলে, "প্লট নোহোৱাকৈ কি গল্প লিখিব নোৱাৰি!" «

# প্ৰয়াণ

## তুলিকা নিৰ্মলীয়া

হলিৰামৰ ঘৈণীয়েক মৰিল কালি। হলিৰামৰ চকুপানী নোলাল এটোপালো। মতা মানুহে হেনো কান্দিব নাপায়। তেওঁ মনৰ ভিতৰতে মন্ত্ৰৰ দৰে আওৰালে— নাপায়, নাপায়। ভালেই হ’ল, লেলাট ভুঞ্জি থকাতকৈ মানুহজনী মৰি থাকিল। আকৌ এবাৰ হলিৰামে মনতে আওৰালে মন্ত্ৰৰ দৰে— ভালেই হ’ল, ভালেই হ’ল।

হলিৰামৰ চাৰিটা পুতেক, তিনিজনী জীয়েক। জীয়েককেইজনী নিজৰ নিজৰ পছন্দৰ ল’ৰাৰ লগত গৈ সংসাৰ ধৰ্ম পালন কৰি আছে। পুতেককেইটাও নিজৰ পছন্দৰ মানুহ একোজনী গোটাই লৈ নিজৰ সংসাৰত ব্যস্ত। হিচাপত হলিৰামৰ সংসাৰখন এখন ডাঙৰ সংসাৰ— জী-জোঁৱাই, পো-বোৱাৰী, নাতি-পুতিৰে উভৈনদী। পিছে আজি বহুদিনৰ পৰা হলিৰামে বেমাৰী মানুহজনীকে ধৰি দুটা মানুহলৈহে সুদাই-নিকাই ভাত এমুঠি নিজে ৰান্ধি আছিল। এতিয়া তাৰে এটা খাৰৈয়া মানুহ কমিল। কমিল মানে, একেবাৰে নাইকিয়াই হৈ থাকিল! মাকজনী নাইকিয়া হোৱাৰ খবৰ পাই জীয়েক-পুতেককেইটা একেলগ হৈছেহি। মাজু পুতেকটো দুলীয়াজানত থাকে। ডাঙৰটো আৰু তিনি নম্বৰটোৱে বেলেগে বেলেগে ঘৰ সাজিলে। পেটমোচাটো হলিৰামৰ লগতে আছিল। মানুহ এজনী গোটাই লোৱাৰ পিছতেই সিও নিজৰ ভাতৰ চৰু বেলেগ কৰি ল’লে,

যদিও মূল ঘৰৰ ভেটি একেটাই। মাজতে থকা দুৱাৰ এখন বন্ধ কৰি দিয়াত দুটা চৌকা জ্বলোৱা দুখন ঘৰ হৈ পৰিল। হলিৰামে মাজে মাজে পাহৰি যায়, নিজৰ পুতেক চাৰিটা থকাৰ কথা। মানুহজনী ইমানদিন বিছনাত পৰি থাকোঁতেও দেখোন কাৰো আহৰি নহ'ল আহিবলৈ। এজনী মানুহ নোহোৱা হওঁতে মানুহে গিজগিজাই থকা ঘৰখন দেখি হলিৰামৰ মুখত কিবা অকৰা হাঁহি এটা ওলমি ৰৈছেহি, এখিলাও পাত নথকা শুকান গছ এজোপাত ওলমি থকা ৰঘূমলাৰ দৰে।

মানুহজনী নোহোৱা হোৱা আজি তিনিদিন হ'ল। হাড়-ছালে লগা মানুহ নামৰ জকা এটাহে বিছনাত পৰি আছিল ইমানদিন। জুইকুৰাৰ স'তে জ্বলি জ্বলি ছাই হৈ থাকিল মানুহজনী। কি যে এটা গোন্ধ লাগিছিলহি জানো হলিৰামৰ নাকত! গোন্ধটো কুমটি এটাৰ দৰে এতিয়াও বগাই ফুৰিছে তেওঁৰ মূৰৰ পৰা ভৰিলৈকে! পিছফালৰ হাবিখনলৈ চালেই যেন মানুহজনীক দেখা পাব তেওঁ, তেনেকুৱা এটা ভাবেই মগজুত বাহ লৈছেহি তেওঁৰ। আজি তিলনি। মাজু পুতেকটো আহিব নোৱাৰে। নোৱাৰে মানে, সমাজে নিদিয়ে। গতিকে সি তাৰ দুলীয়াজানৰ ঘৰতেই মাকৰ তিলনি পাতিছে। ডাঙৰটোৰো এখন বেলেগ সমাজ। সৰু দুটাৰো এখন বেলেগ সমাজ— য'ত ঘৰুৱা সাজপানীটোপা ভকতক দিয়াৰ নিয়ম। হলিৰাম দোধোৰ মোধোৰত পৰিছে। মানুহ এজনীয়েই। চাৰিওটা একেজনী মানুহৰেই পেটৰ পোৱালি। সেই এজনী মানুহৰেই এতিয়া তিনিখন তিলনি পাতিছে পুতেকহঁতে। হলিৰামে এতিয়া কোনখন সমাজত আঁঠু ল'ব?

হলিৰামৰ বেজাৰ লাগে আগৰ দিনবোৰৰ কথা মনত পৰিলে। গাঁওখনত এটাই নামঘৰ আছিল। গাঁৱৰ গোটেইমখা ৰাইজে একেটা নামঘৰতে আঁঠু লৈছিল। উঠি অহা ডেকা চামটোক খোল বজাবলৈ শিকাইছিল। গায়ন-বায়নৰ আখৰা হৈছিল। বছৰেকত ৰাস-ভাওনাও কৰিছিল ৰাইজে। ভাদ মাহত নাম লৈছিল গাঁৱৰ মাইকী মানুহখিনি মিলি। বছৰৰ ন-ভাত মুঠিও আটায়ে একেলগে মিলি-জুলি খাইছিল। জন্মাষ্টমীৰ ৰাতিটোৰ কথা মনত পৰিলে হলিৰামৰ বুকুত বৰতাল দুযোৰমান গুমগুমাই একেলগে বাজি উঠে আজিও। জন্মাষ্টমী বুলিলে

গাঁৱৰ গোটেইবোৰ মানুহ উঠি-পৰি আহিছিল নামঘৰলৈ। বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, বোৱাৰী, সৰু ল'ৰা-ছোৱালী— কোনো বাদ পৰা নাছিল। জন্মাষ্টমীৰ মিঠৈৰ সোৱাদেই আছিল সুকীয়া। নাম-প্ৰসঙ্গ সামৰাৰ পিছত আৰম্ভ হৈছিল দিহানাম। নেগেৰাৰ মাতত নামঘৰৰ ভিতৰখন গমগমাই উঠিছিল। সৰু সৰু দুজনীমানে নেগেৰাৰ তালে তালে নাচিছিল। টোপনি যোৱা পোৱালিকেইটাও মাজনিশা সাৰ পাইছিল কৃষ্ণৰ জন্ম হোৱা চাবলৈ। মণিকূটৰ ভিতৰত আন্ধাৰতে কোনোবাই জুইশলাৰ কাঠি এটা জ্বলাই দিছিল। সৰু ল'ৰা ছোৱালীখিনিয়ে তাকেই চাইছিল কৃষ্ণ জন্ম হোৱা বুলি চকুৰ পলক নেপেলোৱাকৈ। "আজি ৰাতি কৃষ্ণাই উপজিলে কেৱে নাজানিলে ঐ কেৱল বাসুদেৱৰ বিনে, কংসৰ ভয়তে পলুৱাই থ'লেগৈ নন্দ-যশোদাৰ ঘৰে।" পুনৰ আৰম্ভ হৈছিল দিহানাম। পুৱতি নিশালৈকে একে গতিতে দিহা নাম গায়েই থাকিছিল ৰাইজে। তাৰ মাজতে কলপাত, দিমৌপাত শাৰী শাৰীকৈ পাৰি প্ৰসাদ ভাগ কৰা হৈছিল। তাৰ পিছতহে ৰাইজ ঘৰাঘৰি গৈছিল।

হঠাতে ক'ত জানো খেলিমেলি আৰম্ভ হৈছিল। আধাখিনি মানুহ কাষৰ গাওঁখনত থকা নামঘৰলৈ যাবলৈ লৈছিল। হলিৰামৰ সৰু পুতেক দুটাইও তালৈ যোৱা আৰম্ভ কৰিছিল। ডাঙৰটো পুতেক আগৰ সমাজখনৰ লগতেই ৰৈ গ'ল। মাজুটোৰ কথা সুকীয়া। তাৰ শহুৰেক শঙ্কৰ সংঘৰ লেখত ল'বলগীয়া মানুহ আছিল। তেওঁলোকৰ গাঁৱৰ ওচৰৰ গাওঁখনত খ্ৰীষ্টান মিছনেৰীৰ কিবা এটা প্ৰতিষ্ঠান হৈছিল নতুনকৈ। ওচৰ-পাজৰৰ গাওঁবোৰৰ দুখীয়া মানুহখিনিৰ উন্নতিৰ বাবে কিছু কাম হাতত লৈছিল। তাঁত ব'বলৈ মাইকী মানুহখিনিক সূতাৰ যোগান দিছিল। তাৰে আধা কাপোৰ শিপিনীয়ে নিজৰ লগত থৈ বাকীখিনি সূতা যোগান ধৰোঁতাৰ তাতে বিক্ৰী কৰিব পাৰিছিল। সেই প্ৰতিষ্ঠানটোক হাতে-কামে লাগি সহায় কৰি দিয়াৰ বাবেই এচাম মানুহে হলিৰামৰ বিয়ৈয়েকক খ্ৰীষ্টান ধৰ্ম ল'লে, গৰুৰ মাংস খালে বুলি এক প্ৰকাৰৰ অপমান কৰিয়েই শঙ্কৰ সংঘৰ পৰা উলিয়াই দিছিল। দুখে-শোকে জৰ্জৰিত হৈ তেওঁ আঁতৰি আহিছিল নিজে গঢ়ি লোৱা সমাজখনৰ পৰা। আঁতৰি আহিবলৈ একপ্ৰকাৰ বাধ্যই হৈ পৰিছিল। তেওঁ আঁতৰি অহাৰ লগে লগে তেওঁক

ভালপোৱা মানুহ এখিনি নিজে নিজে তেওঁৰ সৈতে গুচি আহিছিল। জন্ম হৈছিল শঙ্কৰী সমাজ বুলি এখন নতুন সমাজৰ। হলিৰামৰ দুই নম্বৰ পুতেকটো সেইখন সমাজলৈকে গুচি গৈছিল। সৰুটো পুতেকে হলিৰামক কৈছিল— "তয়ে-ময়ে যিহেতু একেটা ভেটিতে ঘৰ পাতি আছোঁ, গতিকে মই থকা ৰাইজখিনিৰ লগতেই তয়ো থাকিব লাগিব।" পাকে প্ৰকাৰে সি যেন হলিৰামক বুজাই দিছিল— "তোৰ যদি ডাঙৰ পুতেৰৰ সমাজখনৰ লগত খাবলৈ মন, তেন্তে তই তাৰ লগতেই থাক, তাৰ ঘৰত।"

হলিৰামে ভাবিবলৈ আৰম্ভ কৰিছিল, পুতেককেইটাই বাৰু সিহঁত বুঢ়া-বুঢ়ীহালক বোজা বুলি ভাবিবলৈ লৈছে নেকি? সেইষাৰ কথা হলিৰামৰ মনত এবাৰ যি সোমাল; সোমাই গৈ থাকিল, গৈ থাকিল, গৈয়েই থাকিল...। কুমটিয়ে মাটি খান্দি গৈ থকাৰ দৰে। পুৰণি ঘৰৰ ভেটিটো কিবা এটা মোহত এৰিব নোৱাৰি সৰু পুতেকৰ লগতে থকাটো ঠিৰাং কৰিছিল তেওঁ। তথাপিও হলিৰামে কোনোদিন সিহঁতৰ ওপৰত নিৰ্ভৰ কৰি চলা নাছিল। চাপৰিত শাক-পাচলিৰ খেতি কৰি বজাৰত বিক্ৰী কৰিছিল। বাঁহ-বেতৰ কামো জানিছিল বাবে ডলা-চালনি, পাচি-খৰাহী, জাকৈ-খালৈ নিজে সাজি বিক্ৰী কৰি দুটা মানুহৰ খৰচ উলিয়াইছিল। ভঁৰালৰ ধান আছিলেই। মানুহজনীও জানো কম আছিল! পিছফালে শুকান বাঁহৰ খুঁটা পৰি থাকিলে দাখন লৈ গৈ কাটি আনি থয়। কুঠাৰখন লৈ গৈয়ো গছৰ মূঢ়া পৰি থাকিলে ঘপৰ ঘপৰকৈ কাটি দুডোখৰ মান চলিখৰি হ'লেও নিজে যোগাৰ কৰি লয়। হলিৰামে এতিয়াও হাল টানিব পাৰে। তথাপিও খেতি পথাৰলৈ যাব লগা দিনকেইটাত লাগনি-পাচনি কৰি দিবলৈ ল'ৰা এটা ৰাখিছিল। খেতিৰ মাটি চহাই ধানকেইটা তাৰ লগতেই ভঁৰালত তোলেহি হলিৰামে। দুই বুঢ়া-বুঢ়ীকনো কিমান লাগিছিল! তথাপিও আপত্তি আছিল পুতেকহঁতৰ, দুটা মানুহক নিজৰ লগত ৰখাত। এইবোৰক লৈ কোনো খেদ নাছিল হলিৰামৰ। দুই বুঢ়া-বুঢ়ী নিজৰ মতে চলিছিল। বুঢ়া বয়সত পুতেকহঁতক কাষত নোপোৱাৰ বেজাৰে কেতিয়াবা দুয়োটাকে আমনি কৰিছিল যদিও চকুৰ আগতে দেখি থকা নাতি-পুতিকেইটাৰ মুখকেইখনে সেইখিনি পাহৰাই ৰাখিছিল। সিহঁতবোৰো ডাঙৰ হ'ল। আগৰ দৰে আইতাকৰ ওচৰলৈ

আহি পিঠিৰ ঘামচি ভাঙি দিবলৈ, গৰমৰ দিনত চোতালতে পাটী এখন পাৰি বিচনিৰে বিচি দিবলৈ আব্দাৰ নধৰা হ'ল। সাধু শুনাৰ আশাত হাতত ধান এটা লৈ হলিৰামৰ পকা চুলি কাঢ়ি নিদিয়া হ'ল।

বহুত কিবাকিবিয়েই নোহোৱা হ'ল চকুৰ পচাৰতে। মানুহজনীয়ে হঠাতে বিছনা ল'লে। মাজুটো পুতেকে ডাক্তৰী চিকিৎসা কৰোৱালে যদিও দুদিনমান ভালে থাকি পুনৰ উক দিয়ে বেমাৰটোৱে। লাহে লাহে পুতেকহঁতেও গা এৰা দিলে। দৌৰি-ঢাপলি ফুৰা তজবজীয়া মানুহজনী হাড়ে-ছালে লগা বেমাৰী হৈ বিছনাতে পৰি থকা হ'ল। হলিৰামে মানুহজনীৰ আলপৈচান ধৰিবলৈকে চাপৰিলৈ যাবলৈ এৰিলে। পিছফালৰ বাৰীৰে কিবাকিবি শাক-পাত বুটলি আনি ভাতমুঠি পানী বেছিকৈ দি অকনমান ঢিলাকে ৰান্ধি দিয়ে। কেতিয়াবা জুইকুৰা জ্বলাই জুইশালতে পাটী এখন পাৰি মানুহজনীক শুৱাই দিয়ে। মানুহজনীয়ে যেতিয়া ধেলা চকু দুটাৰে হলিৰামৰ ফালে চাই পঠিয়াই, তাৰ বুকুখন মোচৰ খাই উঠে। বুজাব নোৱৰা কিবা এসোপা উজাই আহি ডিঙিটো সোপা মাৰি ধৰে। অলেখ কথাই যেন ক'ব খোজে মানুহজনীয়ে। ইটো-সিটো কিবাকিবি কৈ ফুচুলাই থয় হলিৰামে। নিজকো যেন তেনেদৰেই ফুচুলায়! কেতিয়াবা দুয়োটাই হাঁহে। কেতিয়াবা ঘৰৰ মুধচটোৰ কথা কয় মানুহজনীয়ে। দুই-এটা ফুটা হৈছে, বৰষুণ আহিলে পানী পৰিব ঘৰৰ ভিতৰত। হলিৰামে বুজে, মুধচটো নতুনকৈ চাবৰ হ'ল। বাৰীৰে টকৌপাত কেইখনমান কাটিম কাটিম বুলি ভাবি থকাতেই থাকে। মানুহজনীক যে ক'ব নোৱাৰি কঁকালৰ বিষটোৰ কথা! নাওৰাখনো পচিছে। দুটামান ফুটা হৈছে ঠায়ে ঠায়ে। বৰষুণ দিলে পানী সৰকি জুইশাললৈ যোৱা বাটটোতে পৰিব। হলিৰামে ভাবি আছে, বিষেশ্বৰৰ দোকানত মিঠাতেল অনা টিং যদি খালী হৈছে, তাৰে দুটামান আনি, কাটি লৈ নাওৰাখনৰ ফুটাকেইটাত বান্ধি দিব লাগিব। বহুত কথা ভবাতেই থাকিল দেখোন! মানুহজনী যোৱাৰ দিনাৰে পৰা বৰষুণ দি আছে। ফুটা মুধচেৰে এটোপ-দুটোপ পানী পৰিছে। নাওৰাখনৰ ফুটাৰেও পানী পৰিছে। মানুহজনী থকাহেঁতেন হলিৰামক বকিলে হেঁতেন। এতিয়া ডাঙৰ জীয়েকে ঘটি, গামলা, চৰিয়া— যি পাইছে তাকে পাতি থৈছে পানী পৰা ঠাইবোৰত। এইকেইদিন ভকত দুজনমান

আহি ভাগৱত পাঠ কৰি আছে গধূলি গধূলি। দহ দিনৰ দিনা ভাগৱত পাঠ সামৰি মানুহজনীৰ দহাখন পাতি পেলালেই মানুহবোৰ আজৰি হ'ব। হলিৰামে ডিঙিত লৈ থকা গামোচাখনেৰে সেমেকি থকা দুচকু নিৰৱে মচি লয়। একেখন ভাগৱতেইতো পঢ়ি আছে বাকী দুয়োটা পুতেকৰ দুখন ঘৰত!

***

চাওঁতে চাওঁতে আজি পোন্ধৰ দিনেই হ'ল মানুহজনী যোৱা। হলিৰামে আঙুলিৰ মূৰত হিচাপ কৰি চালে। জীয়েককেইজনীও গ'ল নিজা নিজা ঘৰলৈ। মানুহ এজনী নোহোৱাৰ নামতেই ঘৰখন এইকেইদিন ভৰি আছিল! এতিয়া উদং হৈ পৰিল। নিমাওমাও হৈ পৰি থাকে গোটেই ঘৰটো। সৰু বোৱাৰীয়েকজনীয়ে এইকেইদিন ভাত এমুঠি ৰান্ধি খুৱাইছে হলিৰামক। নাই, নোৱাৰেচোন খাব। একোতেই সোৱাদ নোপোৱা হ'ল জিভাখনে। মাজু বোৱাৰীয়েকজনীও আহি গ'ল পুতেকৰ সৈতে। হলিৰামক সিহঁতৰ লগতে থাকিবলৈ কৈছিল। নাযায়, হলিৰাম নাযায় তালৈ। বুজি পায় তেওঁ, টাউনৰ সেই অকণমানি কোম্পানীৰ কোৱাৰ্টাৰটোত থাকিবলৈ গ'লে মিছাকৈ তাৰ লগতে ঘৰৰ আটাইকেইটা প্ৰাণীৰ আলৈ-আথানি হ'ব। থকাৰ ঠাইক লৈ চিন্তা কৰা নাই হলিৰামে। যিমান দিন পাৰে নিজে কৰি খাব। কুটা এগছ নকৰাকে বহি বহি খাইছ বুলি যাতে কোনো এটা পুতেকে কেটেৰা-জেঙেৰা পাৰিব নোৱাৰে। লাগিলে সামৰি থোৱা কাঠি-কামিৰ কামকে কৰিব। ঘৰটোত থাকি আমনি লাগিলে মাজে মাজে গৈ চাপৰিতে থাকিবগৈ। তাতে ইটো সিটো শাক-পাচলিৰ খেতি কৰি থকা লিলেশ্বৰক কিবা সহায় কৰি দিব। মুঠতে তেওঁ কাকোৱেই অসুবিধা নিদিয়ে। হলিৰামৰ মাথোন এতিয়া এটাই চিন্তা— যিদিনা সি মৰিব, পুতেককেইটা গোট খাবনে তেওঁক সাঙি ভাৰ কৰি তেওঁৰ মানুহজনীৰ কাষতে শুৱাই থৈ আহিবলৈ? তেওঁৰ বাৰু কেইখন দহা পাতিব পুতেকহঁতে? ভাবি ভাবি একো ঠাৱৰ কৰিব নোৱৰা হয় তেওঁ। মানুহজনীৰ ঠাইত যদি হলিৰাম আগতে গুচি গ'লহেঁতেন! কথাটো এবাৰ নিজকে নিজে সুধি চালে হলিৰামে। অকলশৰীয়া মানুহজনীয়ে কি কৰিলেহেঁতেন?

মানুহজনী তাতকৈ আগতে গুচি গ'ল, ভালেই হ'ল! হলিৰামে আকৌ এবাৰ মন্ত্ৰৰ দৰে আওঁৰালে— ভালেই হ'ল, ভালেই হ'ল !

# চকু

## অমিয়া বৰগোঁহাই

'নয়নজ্যোতি আই ক্লিনিক'ৰ জিৰণি কোঠাত ডাক্তৰলৈ অপেক্ষা কৰি হেমন্তৰ আমনি লাগিছিল। হ'লেইবা শীত-তাপ নিয়ন্ত্ৰিত, মাৰ্বল টাইলচ লগোৱা চকচকীয়া জিৰণি কোঠা, তথাপিও এই ডাক্তৰলৈ অপেক্ষা কৰি থকা কামটো অতি বিৰক্তিকৰ। তাতে আকৌ গোটেইবোৰ চকুৰ ৰোগী। কোনোবাজনৰ চকুত এডোখৰ অৰ্দ্ধবৃত্তাকাৰ সেউজীয়া কাপোৰ বন্ধা, কোনোবাজন ক'লা চচমা পিন্ধা আৰু কোনোবাজন আকৌ কাৰোবাৰ গাত ধৰি ধৰি খেপিয়াই খেপিয়াই আহিছে। হেমন্তই এবাৰ চাৰিওফালে চকু ফুৰালে। দুৱাৰখনৰ ঠিক বিপৰীত দিশে আইনাৰ বেৰ দিয়া সৰু ৰিচেপচনৰ কুঠৰীটোত পৃথিৱীৰ সমস্ত চিন্তা নিজৰ মূৰত লৈ থকাৰ দৰে বিৰক্ত মুখেৰে ক্ষীণকায় চেহেৰাৰ ৰিচেপচনিষ্টগৰাকী বহি আছিল। সোঁফালৰ বেৰত এটা মস্ত চকু আঁকি চকুৰ সম্ভাব্য বেমাৰ আৰু ল'ব লগা সাৱধানতাৰ বিষয়ে লিখা আছে। তাৰ কাষতে ডাঃ জয়ন্ত বৰুৱাই কৃতিত্বৰ চিন হিচাপে পোৱা বিভিন্ন মেডেল, ট্ৰফি, চাৰ্টিফিকেট আদি এটা সুদৃশ্য 'শ্বকেচ'ত সজাই থোৱা আছে। মুখৰ আগতে 'নীৰৱতা অৱলম্বন কৰক' বুলি লিখা দেখি নে শুকান ৰুক্ষ চেহেৰাৰ ৰিচেপচনিষ্টগৰাকীক দেখিয়েই মানুহবোৰো গোমোঠা মুখেৰে বহি আছিল।

হেমন্তই গোটেই পৰিৱেশটো তন্ময় হৈ চাই আছিল। 'আপোনাৰ কেই নম্বৰত?'— কাষত বহা মানুহজনৰ মাতত সম্বিৎ ঘূৰাই পাই সি ক'লে— 'পোন্ধৰ নম্বৰ। আপোনাৰ?'

—'মোৰ আঠ নম্বৰত, ইতিমধ্যে পাঁচ নম্বৰৰ গৰাকী গৈছে।'

হঠাৎ ৰিচেপচনিষ্টগৰাকীৰ ওচৰত এটা মৃদু হুলস্থুল হ'ল। এগৰাকী বৃদ্ধাৰ লগত অহা সহজ-সৰল ছোৱালী এজনীয়ে কিবা এটা অনুৰোধ কৰাত ৰিচেপচনিষ্টগৰাকীয়ে প্ৰায় খঙেৰে ক'লে— 'নহ'ব নহ'ব। নম্বৰ অনুসৰিয়ে যাব লাগিব। আপোনাৰ চৈধ্য নম্বৰত আছে, বহি থাকক।' হঠাৎ হেমন্তৰ কাষত বহা মানুহজন উঠি গৈ ছোৱালীজনীক ক'লে যে তেওঁৰ আঠ নম্বৰতে আছে। তাৰ ঠাইত তেওঁলোক যাওক। তেওঁ চৈধ্য নম্বৰত গ'লেও একো অসুবিধা নহয়। বৃদ্ধাগৰাকীয়ে অতি কৃতজ্ঞতাৰে ক'লে— 'গাঁৱৰ ফালে যোৱা শেষ বাচখন দুই বজাত আছে। সেইখন ধৰিব নোৱাৰিলে মূল ৰাস্তাৰ পৰা দুমাইল বাট খোজ কাঢ়িব লাগিব। তাতে মই ৰাতি হ'লে চকুৰেও দেখা নাপাওঁ বোপা। তুমি মোৰ বৰ উপকাৰ কৰিলা।'

হেমন্তই মানুহজনলৈ ভালদৰে মন কৰিলে। প্ৰায় ত্ৰিশ বছৰমান বয়সৰ এজন ক্ষীণ সাধাৰণ মানুহ। গাত কিছু মলিয়ন এটা হাফ চাৰ্ট আৰু পেণ্ট। উজ্জ্বল চকুদুটাত কিবা এটা দুঃচিন্তা লাগি থকা যেন লাগে। অচিনাকি বৃদ্ধাগৰাকীক উপযাচি উপকাৰ কৰা বাবে মানুহজনলৈ তাৰ শ্ৰদ্ধা উপজিল। সেয়েহে মানুহজনৰ লগত কথা পতাৰ হাবিয়াসেৰে সি সুধিলে— 'আপুনি কোন ঠাইৰ পৰা আহিছে? আপোনাৰ চকুৰ প্ৰবলেমটোনো কি?' হেমন্তক আচৰিত কৰি মানুহজনে ক'লে— 'মই জোখতকৈ বেছি দেখোঁ। মানে মই মানুহৰ মন আৰু হৃদয়ৰ কথাবোৰ দেখা পাওঁ, যাৰ বাবে মোৰ অসুবিধা হৈছে।' পাগল নহয়তো,— হেমন্তই মনতে ভাবিলে।

—'আপুনি মোক পাগল বুলি ভাবিছে।' মানুহজনে হেমন্তক ক'লে। কথাটো সঁচাকৈ ভবাৰ বাবে হেমন্ত আচৰিত হোৱাৰ লগতে লজ্জিত হ'ল যদিও ক'লে— 'মানে কথাটো অবিশ্বাস্য।' মানুহজনৰ বিষয়ে জানিবলৈ হেমন্তৰ প্ৰবল কৌতুহল হ'ল। কিন্তু 'নীৰৱতা অৱলম্বন কৰক' বুলি লিখা ফলকখনলৈ চাই সি

নীৰৱে থাকিল। কিন্তু পুনৰ তাক আচৰিত কৰি মানুহজনে ক'লে— 'বলক বাহিৰতে বহি কথা পাতোঁগৈ। আপোনাৰ মোৰ বিষয়ে জানিবলৈ বৰ মন গৈ আছে।'

দুয়ো জিৰণি কোঠাৰ পৰা বাহিৰলৈ ওলাই আহি গছ এজোপাৰ তলত থকা পকী বেঞ্চ এখনতে বহিল। তাৰ পিছত মানুহজনে যিখিনি ক'লে, শুনি হেমন্তৰ চকু কপালত উঠিল।

মানুজনৰ নাম অতুল। সৰুৰে পৰা সঁচা কথা কোৱা, সহজ-সৰল, নম্ৰ স্বভাৱৰ অতুল শইকীয়াক গাৱঁৰ সকলোৱে ভাল পায়। কিন্তু ক্ৰমান্বয়ে ডাঙৰ হৈ অহা অতুলৰ এক অদ্ভুত শক্তি দেখি গাঁৱৰ সকলো মানুহ আচৰিত হ'ল। অতুলে মানুহৰ মনৰ ভিতৰখনো দেখা পায়। প্ৰথম অৱস্থাত মানুহবোৰে কথাটোত ৰস পাই তাক ঠাট্টা-মস্কৰা কৰিছিল। কিন্তু পাছলৈ যেতিয়া মানুহবোৰৰ মুখৰ এটা, পেটৰ এটা কপটীয়া কথাবোৰ কৈ দিয়া হ'ল, মানুহবোৰৰ হৃদয়ত থকা নানা হিংসা-দ্বেষ আদি ভাববোৰ কৈ দিয়া হ'ল, তেতিয়া মানুহবোৰ ক্ৰমে তাৰ পৰা আঁতৰি ফুৰিবলৈ ধৰিলে। মাক-দেউতাক নোহোৱা অতুলৰ এবাৰ সামান্য অসুখ হওঁতে ককায়েকে চিকিৎসকৰ ওচৰলৈ লৈ গৈছিল যদিও মনতে ভাবিছিল, ইয়াৰ ভাল নোহোৱা বেমাৰ হ'লেই হয়। মৰিলে ঘৰৰ ভেটিটো ভাগ কৰিব নালাগে। ককায়েকৰ মনৰ কথাটো কৈ দিয়াত অগ্নিশৰ্মা হৈ তাক ককায়েক-বৌৱেকে সেই দিনাৰ পৰাই বেলেগ কৰি দিলে। অতুলৰ দুখৰ দিন তাতে শেষ নহ'ল। এদিন গাঁৱলৈ বিধায়ক মহোদয় আহি বক্তৃতা দি গাঁৱৰ মানুহক নানা প্ৰতিশ্ৰুতি দি আছিল। অতুলে বিধায়কৰ মনটো পঢ়ি দুই-চাৰিজনৰ আগত ক'লে বোলে বিধায়ক মহোদয়ৰ এইবোৰ আশ্বাসৰ কোনো সত্যতা নাই। তেওঁ ইতিমধ্যেই এইবোৰ প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ সিদ্ধান্ত লৈ থৈছে। কথাটো শুনি মানুহবোৰ দুটা ভাগত ভাগ হৈ পৰিল আৰু বিধায়কৰ পক্ষৰ মানুহবোৰে তাক মানসিক ৰোগী বুলি নি মানসিক চিকিৎসালয়ত থৈ আহিল। পিছে মানসিক ৰোগৰ চিকিৎসকসকলে নানা পৰীক্ষা-নিৰীক্ষা কৰি ক'লে— অতুলৰ সমস্যাটো মনৰ নহয়, চকুৰহে। সেয়েহে আজি ছাগলী এটা বেচি পোৱা আঠশ টকা লৈ চকুৰ ডাক্তৰৰ ওচৰলৈ আহিছে।

লগতে এটা অতি গুপুত কথা কোৱাদি অতুলে হেমন্তক ক'লে— 'ডাক্তৰৰ ওচৰলৈ অহা আটাইবোৰ মানুহতকৈ আপোনাৰ মন আৰু হৃদয় পৱিত্ৰ বাবেহে মই মোৰ দুখৰ কথা আপোনাক ক'লো। আপুনি এজন উদাৰ আৰু পৰোপকাৰী ব্যক্তি। আপোনাক লগ পাই মই সঁচাকৈয়ে আনন্দিত হৈছোঁ।'

অতুলৰ কথাবোৰ শুনি হেমন্তৰ হাঁহিম নে কান্দিম লাগিল। তথাপিও সি ক'লে— 'আপুনি পিছে এই গুণটো নাইকিয়া কৰাতকৈ তাক সৎ কামতহে লগাব লাগিছিল।' কথাষাৰ শুনি প্ৰায় উত্তেজিত হৈ পৰিল অতুল শইকীয়া।

—'আপুনি কি কৈছে? আপুনি কি বুজিব মোৰ কি সমস্যা হৈছে। মানুহবোৰে মোৰ মুখামুখি হ'বলৈ ভয় কৰে। তেওঁলোকৰ চল-কপট কথাবোৰ মই জানিব পাৰোঁ। কিছুমানে আকৌ ৰং চাবলৈ মোৰ পৰীক্ষা লয়। সিদিনা গাওঁখনৰ আটাইতকৈ ধনী মানুহঘৰৰ ল'ৰাটোৱে মোক খাটনি ধৰিলে, মই তাৰ সৈতে কলেজত একেলগে পঢ়া ছোৱালী এজনীৰ ঘৰলৈ গৈ তাইৰ মনটো পঢ়ি দিব লাগে— তাই তাক অন্তৰেৰে ভাল পায়নে নাপায়। ঘূৰি আহি মই সঁচা কথাটোকে ক'লো যে তাই দেখুৱাইহে তাক ভাল পায়, মনত অন্যহে ভাবে। টকা-পইচা নথকা হ'লে তোমাৰ নিচিনা এটাক ঘূৰিকে নাচালেহেঁতেন। আনকি মোৰ যদি তোমাৰ সমান ধন থাকিলহেঁতেন, তাই মোক তোমাতকৈ বেছি পছন্দ কৰিলেহেঁতেন। সঁচা কথাটো ক'লোহে, দিলে নহয় মুখত দুটা ঘোঁচা সোধায়। ছোৱালীজনীয়েও ভণ্ড-পগলা বুলি ককায়েকৰ হতুৱাই এপিটন দিয়ালে। চাওকচোন সঁচা কথাৰ যদি এয়ে পৰিণাম হয়, তেনেহলে এইহাল চকুৰ চিকিৎসা নকৰাকৈ মই কেনেকৈ থাকো? সঁচা কথাৰ যে কিমান সমস্যা, মানুহৰ মনৰ গহ্বৰত যে কি লুকাই নাথাকে, সেয়া আপুনি নেদেখিলে নুবুজিব।'

কথাখিনি কৈ থাকোঁতেই 'অতুল শইকীয়া' বুলি ভিতৰৰ পৰা দুবাৰ চিঞৰা শুনি দুয়ো জিৰণি কোঠাটোলৈ পুনৰ সোমাই আহিল। কিয় জানো, অতুলৰ চকুহালৰ বিষয়ে ডাক্তৰে কি কয় জানিবলৈ হেমন্তৰ বৰ ইচ্ছা হ'ল। লগে লগে অতুলে ক'লে— 'আপুনিও বলক নহ'লে মোৰ লগত ডাক্তৰৰ ওচৰলৈ এটেনডেণ্ট হিচাপে। মোৰ কথাৰ প্ৰমাণো পাব।'

দুয়ো ডাক্তৰ বৰুৱাৰ আহল-বহল, পৰিষ্কাৰ চেম্বাৰত সোমাল। নানান ধৰণৰ যন্ত্ৰপাতি, কম্পিউটাৰ আদিৰে সৈতে এখন ডাঙৰ টেবুলৰ কাষত ডাক্তৰ বহি আছে। তেওঁৰ সন্মুখৰ টেবুলত নাৰিকল এটাৰ সমান ডাঙৰ কৃত্ৰিম চকু এটা সজাই থোৱা আছে। তাতে হাত থৈ ডাক্তৰে বিপৰীত দিশত থকা চকী দুখন দেখুৱাই দুয়োকে বহিবলৈ ইংগিত দি ক'লে— 'কওঁকচোন আপোনাৰ সমস্যা কি?' অতুলে তাৰ সমস্যা সম্পৰ্কে কওঁতে ডাঃ বৰুৱা আচৰিত হৈ কিছু ঠাট্টাৰ সুৰত ক'লে— 'একেবাৰে দিব্যদৃষ্টি।' তাৰ পিছত অতুলক কম্পিউটাৰৰ সমুখত থকা চকু পৰীক্ষা কৰা যন্ত্ৰটোত মুখখন সুমুৱাই দি বহু সময় পৰীক্ষা-নিৰীক্ষা কৰি ক'লে— 'আপোনাৰ সমস্যাটো মোৰ সাধ্যৰ বাহিৰত। মই এজন গুৱাহাটীৰ ডাক্তৰলৈ লিখি দিওঁ, আপুনি তালৈকে গৈ দেখুৱাওক।'

—'ছাৰ আপুনি মিছাতে গুৱাহাটীলৈ পঠাব খুজিছে। আপুনি ভাবিছে, ইয়াক গুৱাহাটীলৈ পঠাই দিলেই আপুনি নিষ্কৃতি পাব।' অতুলে ডাক্তৰক ক'লে। অতুলৰ কথাত ডাক্তৰ থতমত খালে, সঁচাকৈ তেনেহ'লে মানুহটোৱে মনৰ ভিতৰখন দেখে। মাতটো কোমল কৰে ডাক্তৰে বুজালে— 'আপুনি ভালহে পাব লাগে। ঈশ্বৰে আপোনাক ইমান ডাঙৰ শক্তি এটা দিছে।' ডাক্তৰৰ কথাত অতুলে কাউবাউকৈ ক'লে— 'আপুনি ছাৰ কি কথা কৈছে? ঈশ্বৰ প্ৰদত্ত শক্তি। এই শক্তিৰ বাবেই মই গাঁৱত শান্তিৰে থাকিব নোৱৰা হ'লো। কাৰো মুখলৈ চাব নোৱৰা হ'লো। মোক ভালৰি বোলোৱা মানুহৰ মনৰ ভিতৰত থকা কপটতাখিনি দেখি দুখ লাগে। মানুহৰ মনৰ ভিতৰৰ দ্বন্দ্ব দেখি শান্তি নাপাওঁ ছাৰ। মোৰ এই শক্তি নাথাকিলে শান্তিত থাকিলোহেঁতেন। ছাৰ, আপোনাৰ ওচৰলৈ বহু আশা লৈ আহিছোঁ। কিবা এটা কৰক।' অনুনয়ৰ সুৰত অতুলে হাতযোৰ কৰিলে। অভিজ্ঞ ডাক্তৰ বৰুৱাই খন্তেক চিন্তা কৰি টেবুলৰ ড্ৰয়াৰৰ পৰা এটা সুদৃশ্য বাকচ উলিয়াই আনিলে। বাকচটোৰ মাজত থকা সোণালী ৰঙৰ বুটামটো টিপা মাৰি দিয়াৰ লগে লগে খটকৈ মৃদু শব্দ এটা কৰি খোল খাই গ'ল। তাৰ ভিতৰৰ পৰা এজোৰ আন্ধাৰ ক'লা চচমা উলিয়াই আনিলে। ডাক্তৰে দুয়োহাতে ধৰি আলফুলে চচমাজোৰ অতুলক পিন্ধাই দিলে।

—'এতিয়া মোক দেখিছেনে?' ডাক্তৰে সুধিলে।

—‘হয় দেখিছোঁ।’ অতুলে ক’লে।
—‘কেইটা আঙুলি দেখিছে?’ ডাক্তৰে দুটা আঙুলি দেখুৱাই সুধিলে।

—‘দুটা।’ অতুলৰ চমু উত্তৰ।

—‘গুড। এতিয়া এখেতক চিনি পাইছেনে? তেখেতৰ মনটো দেখিছেনে?’ ডাক্তৰে উৎসাহেৰে সুধিলে।

হেমন্তৰ মনটো তেতিয়া নিজৰ চিন্তাত বিভোৰ হৈ আছিল। সৰুতে বসন্ত ওলাই এটা চকু বেয়া হোৱা বায়েকজনীয়ে শাৰীৰিকভাৱে অক্ষমৰ শ্ৰেণীভুক্ত হৈ সৰু চাকৰি এটা কৰি কোনোমতে ঘৰখন চলাই আছে। বি এ পাছ হেমন্তই আজিলৈকে এটা চাকৰি যোগাৰ কৰিব নোৱাৰি হতাশাত ভাগি পৰিছে। পিছে ধনৰ দুখীয়া হ’লেও মনৰ চহকী হেমন্তই গাঁৱৰ মানুহবোৰৰ বিপদ-আপদ হ’লে পাৰ্যমানে সহায় কৰে। কাৰোবাৰ গেছটো আনি দিয়া, কাৰোবাৰ অসুখ-অশান্তি হ’লে ডাক্তৰৰ ওচৰলৈ লৈ যোৱা আদি কামত সকলোৱে হেমন্তক ভৰষা কৰে। আজিও গাঁৱৰ অকলশৰীয়া বৰমাকজনীক চকুৰ ডাক্তৰৰ ওচৰলৈ লৈ আহিছে। অৱশ্যে হেমন্তকো মানুবোৰে বিপদ-আপদ হলে যিমান পাৰে, ধনে-জনে সহায় নকৰা নহয়। তথাপিও নিজে একো কৰিব নোৱৰা বাবে হেমন্তৰ মনটো বিষাদগ্ৰস্ততাই আগুৰি থাকে। পিছে অতুলে হেমন্তৰ এই আনৰ প্ৰতি সহানুভূতিশীল মনটো, চাকৰি এটাৰ অভাৱত ঘৰখনক সকাহ দিব নোৱৰাৰ বেদনাবোৰ, মনৰ ক্ষোভবোৰ একোৱেই দেখা নাপালে। ক’লা চচমাৰ আঁৰৰ অতুলৰ চকুহালে আনৰ মনৰ ভিতৰখন আৰু দেখা নাপালে।

—‘তেখেত হেমন্ত দত্ত। তেখেতক মই ইয়াতে লগ পাই চা-চিনাকি হ’লো।’ অতুলে সাধাৰণভাৱে ক’লে। ডাক্তৰ নিশ্চিত হ’ল যে অতুলে আৰু সত্যাসত্য বিচাৰ কৰিব নোৱাৰে। সেয়েহে গহীন সুৰত ডাঃ বৰুৱাই ক’লে— ‘আপোনাৰ সমস্যাটো মোৰ বোধেৰে সমাধান হৈছে। গতিকে চচমাযোৰৰ বাবদ পাঁচশ টকা আৰু মোৰ ফিজ দুশ টকা, মুঠ সাতশ টকা দিয়ক।’ হেমন্তই দেখিলে অতুলৰ মুখত প্ৰথমে এটা মিচিকিয়া হাঁহি বাগৰি গ’ল, তাৰ পাছত

হাঁহিটো মাৰ গৈ মুখখন কৰুণ হৈ পৰিল। তেওঁ কৰুণ সুৰত ক'লে— 'ছাৰ, মই দুখীয়া মানুহ; মোৰ হাতত মাত্ৰ চাৰিশ টকাহে আছে।'

—'হ'ব তাকে দিয়ক।' ডাক্তৰে ক'লে। অতুলে এটা হাত পকেটত ভৰাই আনটো হাতেৰে চচমাযোৰ ঠিক কৰি আঠশ টকাৰ পৰা চাৰিশ টকা উলিয়াই ডাক্তৰৰ হাতত দি কৃতজ্ঞতাৰে ধন্যবাদ জনাই ওলাই গ'ল। দুৱাৰৰ ফালে চাই ডাক্তৰে তৃপ্তিৰে হাঁহিলে। অতুলৰ আচৰণত আচৰিত হৈ হেমন্তই ক'লে— 'ছাৰ, মানুহজনে আপোনাক মিছা কথা ক'লে। তেওঁৰ হাতত আঠশ টকা আছে বুলি মোৰ আগত নিজেই কৈছিল। আপুনি মিছাতে তাৰ কথা বিশ্বাস কৰিলে।' ডাক্তৰ বৰুৱাই টেবুলৰ ওপৰত থকা মস্ত ডাঙৰ মিছা চকুটো ঘূৰাই ঘূৰাই এটা ৰহস্যময় হাঁহি মাৰি ক'লে— 'আচলতে ঔষধ কোম্পানীয়ে দিয়া সেইযোৰ বিনামূলীয়া চচমাহে আছিল।'

হেমন্তই ভাবিলে, সকলোৰে মনৰ কথা পঢ়িব পৰা অতুলে ৰঙীন চচমাযোৰ পিন্ধি ডাক্তৰৰ মিছা কথাটোকে ধৰিব নোৱাৰি বিনামূলীয়া চচমাযোৰকে চাৰিশ টকাত কিনিলে। তাৰ মানে মানুহবোৰে কোনে, ক'ত, কাক ঠগি ঠগি খাইছে হেমন্তৰ নিচিনা মানুহবোৰে ধৰিবই নোৱাৰে। সকলোৱে যেন এযোৰ ৰঙীন চচমা পিন্ধি আনৰ মনৰ দুখ-বেজাৰ, বিপদ-আপদ একোকে নেদেখা হৈছে। কিয় জানো, হেমন্তৰ মনটো এক বুজাব নোৱৰা বিষাদে আবৰি ধৰিলে। «

# বাঘ

## বনপংখী গোস্বামী

সৌৰা, সৌটো বাঘ। জাৰণিখনৰ মাজত তাৰ সোণ বৰণীয়া দেহাটো জিলিকি আছে। এধান চিকাৰীয়ে তেওঁৰ দুনলীয়া বন্দুকটো সাজু কৰি ল'লে। ইমান দিনে শিঙৰী গাঁৱৰ মানুহখিনিক অত্যাচাৰ কৰি অহা বাঘটোৰ আজি মৃত্যু হওক,— এধান চিকাৰীয়ে বন্দুকৰ গুলী এই এৰে আৰু! হঠাৎ তেওঁ সাৰ পাই উঠিল।

এধান বুঢ়া এটা সময়ত ভাল চিকাৰী আছিল। শিঙৰী গাঁওখনৰ পাছফালেই আছিল এখন ডাঠ জাৰণি। তালৈ মানুহ-দুনুহ সাধাৰণতে কোনো নগৈছিল। বৃহৎ বৃহৎ বটগছৰ লতাবোৰে ঠাইখন এনেভাৱে আৱৰি ৰাখিছিল, য'ত মানুহে দিনতে যাবলৈ ভয় কৰে। কাৰোবাৰ গৰু-ছাগলী তাত সোমালেও মানুহে ঈশ্বৰৰ নাম লৈহে ভয়ে ভয়ে সোমাইছিল। এই জাৰণিখনতেই কেতিয়াবা কেতিয়াবা মানুহে বাঘ দেখা পায়। বাঘে গৰু-ছাগলী আনকি মানুহো মাৰি খাইছিল। এই সন্ত্ৰাসৰ একমাত্ৰ তাৰক এধান চিকাৰী। এধান চিকাৰীয়ে বৰ উৎসাহেৰে ফান্দ পাতি বাঘ ধৰিছিল। কেতিয়াবা আকৌ উপায় নাপালে বন্দুকৰ গুলীৰে থকা-সৰকা কৰিছিল। ইয়াৰ বাবে তেওঁৰ দুনলীয়া বন্দুকটোৱেই যথেষ্ট। পাহোৱাল এধান যেতিয়া চিকাৰ কৰিবলৈ যায়, তেতিয়া ৰাইজে হৰিধ্বনি দিয়ে।

শিঙৰী গাঁওখনৰ মানুহবোৰে সাধাৰণতে খেতিৰ ওপৰতে নিৰ্ভৰ কৰে। সেউজ গছ-গছনিয়ে ঠাইখন প্ৰকৃতিৰ কোলাতে সুমুৱাই ৰাখিছে। পাহাৰৰ পৰা

নামি অহা জুৰিতে শিঙৰী গাঁৱৰ মানুহবোৰে গা ধোৱে। খেৰৰ চালিৰে সজোৱা ঘৰবোৰ সৰু হ'লেও আটোমটোকাৰি। ইয়াতেই শৈশৱ পাৰ কৰি কৈশোৰত ভৰি থওঁতেই চিকাৰৰ প্ৰতি আকৰ্ষিত হৈ পৰে এধান। ককাকৰ হাতত ধৰি ধৰিয়েই এধানে বন্দুক চলাবলৈ শিকিলে। বন্দুকৰ নিচানত এধানে হয়তো মহাভাৰতৰ অৰ্জুনকো পাছ পেলালেহেঁতেন। পিছে এধানে অৰ্জুনৰ নাম শুনা নাই। শুনিছে ককাকৰ মুখত সিহঁতৰ পূৰ্বপুৰুষ বাঘ চিকাৰী গজেনৰ কথা। গজেনৰ কথাবোৰ সাধুকথাৰ দৰে শুনি থাকে। কিশোৰ এধানে। চকুৰে দেখা নাপালেও গজেনৰ এক বিশাল আকৃতিয়ে কিশোৰ এধানৰ চকু জলক-তবক কৰে। মনটো উৰি উৰি গৈ পূৰ্বপুৰুষ বীৰ গজেনৰ ওচৰ পায়গৈ।

বাঘ ওলাইছে, বাঘ— হঠাৎ শিঙৰী গাঁওখন অস্থিৰ হৈ পৰে। জুৰিত গা ধুবলৈ যাওঁতে ৰাংঢালীৰ গাৰ কাপোৰকে আঁজুৰিছিল। ৰাংঢালীয়ে চাদৰখন দলিয়াই থৈ দৌৰি দৌৰি ঘৰ পালেহি। নিমিষতে শিঙৰী গাঁওখনত এক উত্তেজনাই বিৰাজ কৰে। সুঠাম, মিঠাবৰণীয়া ৰাংঢালীক বাঘে আক্ৰমণ কৰা বুলি শুনাত কিয় জানো এধানৰ পুৰুষ হৃদয়খন এক অজান আশংকাত কঁপি উঠে। লগেলগেই দুনলীয়া বন্দুকটো লৈ এধান ওলাই আহিল বাঘ চিকাৰ কৰিবলৈ। মাকে বাধা দিছিল, ভনীয়েকে কান্দিছিল। কিন্তু এধানে কাৰো খতবান্ধ নুশুনিলে। শৈশৱতে শুনা পূৰ্বপুৰুষ গজেনৰ বীৰত্বসূচক স্মৃতিবোৰে এধানক শক্তিশালী কৰি তুলিলে। এধানেই গজেনক জীয়াই ৰাখিব লাগিব। সেয়াই প্ৰথম;— বাঘৰ মুখেদি বন্দুকৰ গুলী সোমাই থকা-সৰকা কৰিলে। বাঘটো শক্তিশালী। দেদাউৰি পাৰি বাঘটো পলাই গ'ল। বাঘৰ গোজৰণিত মানুহবোৰে তাপ মাৰিলে। শেষত হয়তো বাঘটো মৰিল। কিন্তু বাঘৰ মৰণকাতৰ গোজৰণিটো বহুত দিনলৈকে মানুহবোৰে শুনা পালে।

ভয়-ডৰ নকৰা পাহোৱাল এধানলৈকে ৰাংঢালী পলাই আহিল। বিছনাত শুই এধানে কেতিয়াবা কেতিয়াবা তেওঁৰ বাঘ চিকাৰৰ অভিজ্ঞতাৰ কথা কয়। ৰাংঢালীয়ে একান্তমনে শুনি থাকে। কেতিয়াবা অন্তৰৰ গোপন কোণত সিহঁতৰ ছমহীয়া কেচুঁৱা মদনেও পিতৃৰ লগতে বাঘ চিকাৰ কৰাৰ কথা ভাবে। তাৰ

পিছতেই ভয়ত কঁপি উঠে। বাঘ চিকাৰ কৰা সহজ নহয়। তাই মদনক ঈশ্বৰৰ ওচৰতে সমৰ্পণ কৰে।

এধান যেতিয়া বন্দুকটো লৈ ওলায় যায়, তেতিয়া গাঁৱৰ মানুহবোৰে ভাবে,— আজি কিবা নহয়, কিবা চিকাৰ লৈহে উভতিব। সঁচাও, বাঘ নাপালেও বান্দৰ, কেতিয়াবা কেতিয়াবা বৰা-গাহৰি লৈ ওভতে। দুনলীয়া বন্দুকটো হাতেৰে স্পৰ্শ কৰিলেই এধানৰ পুৰুষ মনটো জাগ্ৰত হৈ উঠে। এতিয়া এধানে বৃদ্ধ বয়সত ভৰি থ'লে। মদন ডাঙৰ হৈ খেতি-বাতিত হাত দিলে। মদনৰো পুতেক এটা, জীয়েক এজনী আছে। নাতিয়েকক মৰমতে এধান বুঢ়াই 'কণবাপ' বুলিয়েই মাতে। ছোৱালীজনী কেঁচুৰা— যিকোনো নামেৰেই মতা হয়।

এধান বুঢ়াই নাতিয়েকৰ আগত অতীতৰ স্মৃতিৰ পোহাৰ মেলে। কথা কৈ যাওঁতে এধান বুঢ়াৰ চকু দুটা তৰাৰ নিচিনাকৈ জিলিকি উঠে।

: 'ককা, সৌটো কি?' কণবাপে দেখুৱাই দিয়াৰ ফালে এধান বুঢ়াই চকু দুটা বহলকৈ মেলি দিয়ে।

: 'অ' সেইটো, সেইটো হলৌ বান্দৰ অ' বোপা।' নাতিয়েকৰ বিস্ময় বিমুগ্ধ প্ৰশ্নৰ উত্তৰত বুঢ়াই পুনৰ কৈ যায় জাৰণিখনৰ কথা, পাহাৰেদি অহা বিভিন্ন জীৱ-জন্তুৰ কথা।

এধান বুঢ়াৰ চকুৰ আগতেই সিহঁতৰ গাঁওখনৰ বিপুল পৰিৱৰ্তন হৈছে। গাঁৱত হাইস্কুল হৈছে, হস্পিতাল হৈছে। চৰকাৰে জীৱ-জন্তু মাৰিব নোৱাৰিব বুলি নিষেধাজ্ঞা জাৰি কৰিছে। এতিয়া গাঁৱৰ মানুহবোৰে সামান্য জ্বৰ অসুখতে হস্পিতাল পায়গৈ। আগতে বনদৰবেই সেইবোৰ নিৰাময় কৰিছিল। এতিয়া আৰু আগৰ যুগ নাই। খেতি-বাতি কৰা মানুহ তেনেকৈ নায়েই। জাৰণিখনৰ গছ-বন কাটি ঠায়ে ঠায়ে পকা ঘৰ সজা হ'ল। অচিনাকি মানুহ কিছুমানৰ মুখবোৰো চিনাকি হৈ পৰিল। এধান বুঢ়াৰ সকলোতকৈ বেছি দুখ লাগে গাঁৱৰ মানুহবোৰ চহৰমুখী হ'বলৈ লোৱাত। তেওঁৰ মৰমৰ নাতি কণবাপেও গাঁৱৰ স্কুলত নপঢ়ি 'ৰঞ্জন' নাম লৈ চহৰৰ স্কুলতে পঢ়িছেগৈ।

: ‘যুগৰ পৰিৱৰ্তন, বুজিছ এধান,— যুগৰ পৰিৱৰ্তন।’ তেওঁৰ সমবয়সীয়া যোগেনে এনেদৰেই সান্ত্বনা দিয়ে। দুই বুঢ়াই বহু আলোচনা কৰে। অতীতলৈ ঘূৰি গৈ দুয়ো ডেকা হৈ পৰে।

কণবাপে বোলে চহৰতে চাকৰি পালে। কথাটো শুনিবলৈ ভাল হ’লেও কোনো উৎসাহ অনুভৱ নকৰে গাঁৱৰ মানুহবোৰে। এতিয়া সকলো যেন গাইগুটীয়া। পৰৰ সুখ-দুখৰ সমভাগী হ’বলৈ বহুতেই ইচ্ছা নকৰে।

কণবাপ কেতিয়াবা আহে ককাক, মাক-দেউতাকক দেখা কৰিবলৈ। ধূতি-পাঞ্জাৱী এৰি ঠেঙা-চোলা পিন্ধা কণবাপক দেখিলে এধান বুঢ়াৰ তাক নিজৰ নাতি যেন ভাবিবলৈ টান লাগে,— সি যেন চহৰীয়া আলহীহে, গাঁও ফুৰিবলৈ আহিছে। কেতিয়াবা কণবাপে লগৰ ল’ৰা দুটামানকো লৈ আহে, তেতিয়া সিহঁতৰ ভাষাবোৰো এধান বুঢ়াৰ বুজিবলৈ দিগদাৰ লাগে।

পুৱতি নিশাতেই এদিন কণবাপ গাঁৱৰ ঘৰলৈ অহাত এধান বুঢ়া আচৰিত হৈ পৰিল। কঠিন মুখ, আউল-বাউল চুলি। ককাকক কোনো ধৰণৰ সম্বোধন নকৰি পোনে পোনে নিজৰ কোঠালৈ গৈ বিছনাত পেট পেলাই শুই পৰিল।

পিছদিনা নিশা গভীৰ হৈ অহাৰ সময়তে দুৱাৰত কোনোবাই টুকুৰিওৱাত এধান বুঢ়াই দুৱাৰ খুলি দিলে। আগতেও বিপদে-আপদে এনেদৰে ৰাতি এধান বুঢ়াক মাতেদি। আজি কিন্তু দুৱাৰত পৰা টোকৰটো অলপ বেলেগ। তৎসত্বেও বুঢ়াই দুৱাৰ খুলি দি সন্মুখত দুজন পুলিচক দেখি আচৰিত হৈ পৰিল।

: ‘ৰঞ্জন আছেনে?’

: ‘হয় আছে, কিন্তু কিয়?’

: ‘তাক মাতক।’

: ‘কিয়? কিয় মাতিম?’ কণ্ঠত দৃঢ়তা আনি এধান বুঢ়া চিঞৰি উঠিল। কিন্তু পাছফালৰ দুৱাৰেদি বুঢ়াৰ মৰমৰ নাতিয়েক পলাবলৈ উদ্যত হোৱাত পুলিচজনে লগৰ কনিষ্টবল দুজনমানক ৰঞ্জনক ধৰিবলৈ আদেশ দিলে। কনিষ্টবল দুজন দৌৰি গ’ল। বিস্মিত বৃদ্ধৰ চকু দুটালৈ চাই অ’চি অমল

চৌধুৰীয়ে গলগলীয়া মাতেৰে ক'লে— 'আপোনাৰ নাতি ৰঞ্জন বলাৎকাৰৰ অভিযোগত অভিযুক্ত।'

এধান বুঢ়া হতভম্ব হৈ পৰিল। কি কৈছে পুলিচ অফিচাৰজনে! তেওঁৰ কাণ দুখনে ভুল শুনা নাইতো? ৰঞ্জন ধৰ্ষণকাৰী। তেওঁ অনুভৱ কৰিলে— ইমান দিন তেওঁ চিকাৰ কৰি অহা বাঘবোৰ যেন বাঘ নাছিল, সেইবোৰ কেৱল জীৱ আছিল। আজিহে যেন তেওঁ প্ৰকৃত বাঘৰ মুখামুখি হৈছে। এই বাঘটোক তেওঁ দুনলীয়া বন্দুকৰ গুলীৰে থকা-সৰকা কৰিলেহে তেওঁৰ চিকাৰী জীৱনৰ সাৰ্থকতা হ'ব। বিমূঢ় হৈ পৰা বৃদ্ধ এধানৰ গালৈ ক'ৰ পৰা যৌৱনৰ তেজ আহিল ক'ব নোৱাৰে। তেওঁ তৎক্ষণাৎ ভিতৰলৈ গৈ পুৰণা বাকচটো খুলি তাৰ পৰা দুনলীয়া বন্দুকটো উলিয়াই আনিলে। তেওঁ জানে— বাঘ চিকাৰ কৰা কামটো কেৱল তেওঁৰহে। পুলিচ অফিচাৰকেইজনৰ নহয়।

পলাই যোৱা নাতিয়েক কণবাপলৈ লক্ষ্য কৰি তেওঁ বন্দুকৰ নলীডাল পোনাই ল'লে।

কিয় জানো অকস্মাৎ তেওঁ অনুভৱ কৰিলে— বন্দুকৰ গুলীকেইটা সেমেকা হোৱা হ'লেই ভাল আছিল! «

# দাপোণ

## মালিনী গোস্বামী

‘অকণমানতো সহায় কৰি দিব পাৰা, দেখিছাই চেনেহী কালিৰ পৰাই অহা নাই। মই এজনী মানুহে অকলে কিমান কৰিম আৰু? ঘৰেই চম্ভালো নে ক্লাছেই কৰোঁ! এনেকৈ হ’লে মই আৰু নোৱাৰোঁ দেই।’— দিগন্তক অলপ খঙেৰেই ক’লো। এনেই কালিৰ পৰা কাম কৰা মানুহজনী নহা বাবে ঘৰৰ কাম কৰি কৰি মোৰ অৱস্থা নাই, তাতে এওঁৰ আকৌ ইটোৰ পিছত সিটো ফৰমাইচ,— আপত্তি শেষেই নহয়। খং নুঠিবনে বাৰু?

“উঃ ৰাম, এতিয়া আকৌ সেই নাটকখন আৰম্ভ নকৰিবাচোন। কৈছোঁ নহয় মোৰ সাংঘাতিক মূৰৰ বিষ হৈ আছে।”— দিগন্তই ভেকাহি মাৰি উত্তৰ দিলে।

“কিবা অসুবিধাৰ কথা ক’লে তোমাৰ সদায় মূৰৰ বিষ উঠে। আন একো নকৰিলেও অন্ততঃ চেনেহী কিয় অহা নাই তাৰেই খবৰ এটা কৰি আহিবতো পাৰা। নিজে কেতিয়াবা ঘৰুৱা কামবোৰ কৰিবলগীয়া হ’লে বুজি পালাহেঁতেন!”— মোৰো লাহে লাহে বিৰক্তি বাঢ়ি আহিবলৈ ধৰিলে।

চাকৰিয়াল মহিলাবোৰৰ ৰাতিপুৱাৰ সময়খিনিৰ মূল্য আৰু গুৰুত্ব একমাত্ৰ ভুক্তভোগীয়েহে বুজিব পাৰে। ঘড়ীৰ কাঁটাৰ লগে লগে বুলি ক’লে ভুলহে হ’ব, আচলতে ঘড়ীৰ কাঁটাতকৈও বেছি বেগেৰে এটাৰ পাছত এটাকৈ ঘৰুৱা জঞ্জাল মাৰি কৰ্মক্ষেত্ৰলৈ যোৱাৰ সময়লৈকে নিজৰ বুলিবলৈ অকণো সময় নাথাকে আমাৰ নিচিনা চাকৰিজীৱি মহিলাবোৰৰ। ঘৰুৱা কামবোৰতো

থাকেই, তাৰ ওপৰত আকৌ ল’ৰা-ছোৱালীৰ নানা আব্দাৰ, মানুহজনৰ ভিন্ ভিন্ ফৰমাইচ! ইফালে যদি ভাতৰ কুকাৰে হুইছেল মাৰিছে, সিফালে আকৌ ল’ৰাটোৱে জোতাৰ ফিটা বান্ধিব নোৱাৰি চিঞৰ-বাখৰ লগাইছে। এবাৰ যদি ছোৱালীজনীয়ে বেণী গাঁথিব নোৱাৰি থেন্তেনাইছে, আনবাৰ আকৌ সিহঁতৰ বাপেকে মোজা বিচাৰি নাপাই ঘৰ ওলট-পালট কৰি পেলাইছে— কিন্তু বুজে কোনে, সহায় কৰে কোনে?

এই দিগন্ত, মানে মোৰ মানুহজনতো আৰু এখোপ চৰা। কামত সহায় কৰাটো বাদেই তেওঁৰ বাবে মোৰ সদায় কাম বাঢ়িহে যায়।

এইবোৰৰ পৰা অলপ সকাহ পাম বুলিয়ে চেনেহীৰ লগত ঘৰুৱা কাম-বনৰ মাহেকীয়া বন্দোৱস্তি কৰি লৈছিলো যদিও মাহিলি বাজেটত অলপ হাত টানি ধৰিব লগা হৈছিল। তাকো আকৌ কিমান যে খাতিৰ কৰি থাকিব লাগে তাইক। বিহুৱে-পূজাই নিজে কাপোৰ নল’লেও তাইক কাপোৰ দিবই লাগিব, কামত কিবা খুঁত পালেও মনে মনে চাই থাকিব লাগিব, বছৰৰ শেষত (কেতিয়াবা বছৰ সম্পূৰ্ণ নহ’লেও) চাকৰিয়ালৰ দৰে দৰমহাত ‘ইনক্ৰিমেন্ট’ লগাই দৰমহাৰ পৰিমাণটো বঢ়াই গৈ থাকিব লাগিব— মন থাকিলেও, নাথাকিলেও (মাজে-মাজে তামোল-চাধাৰ বাবে নিয়া ৫-১০ টকাবোৰতো হিচাপত নাহেই কোনোদিন...)! নহ’লে যে উপায় নাই— ঘৰত অচলাৱস্থা চলিব!

“মোৰ আজি আহোঁতে অলপ পলম হ’ব চাগে’, অলপ কাম আছে।”— জনাব লাগে বাবেহে যেন কৈছে তেনে এটা ভাবত কথাষাৰ কৈ দিগন্ত খৰধৰকৈ ওলাই গ’ল।

***

চেনেহীৰ যোৱা তিনিদিন ধৰি একো খা-খবৰ নাই। আহিব নোৱাৰে কথা নাই, অন্ততঃ খবৰ এটাতো দিয়ক— মই যাতে কামবোৰ মিলাই ল’ব পাৰোঁ। তাই আহি পাব বুলি বৈ তাইলৈ কামবোৰ থৈ দিওঁ, পিছত দেখোঁ তাইৰ দেখা-দেখিয়ে নাই। দিগন্তকো কৈ কৈ পঠিয়াব পৰা নাই তাইৰ খবৰ এটা ল’বলৈ। ভাগ্যে আজি মোৰ স্কুল বন্ধ, গতিকে বৰ বিশেষ অসুবিধাত পৰা নাই।

হ'লেও চিন্তা এটা লাগি আছে, তাইৰ বা কি হ'ল? আগে-পিছে ইমানদিন খবৰ নিদিয়াকে খতি কৰা দেখা নাই। কিবা ডাঙৰ অসুবিধাই হ'ল নেকি?

তাই নহাৰ সম্ভাব্য কাৰণবোৰ মনত পাগুলি থাকোঁতেই মনত পৰিল অহা সপ্তাহত উদ্যাপন কৰিবলগীয়া 'আন্তৰ্জাতিক নাৰী দিৱস' উপলক্ষে শ্ৰীমতী বৰুৱাই ১৫ দিন মান আগতেই লেখা এটা লিখিবলৈ তাগিদা দি থৈছিল, কাইলৈ জমা দিম বুলি কথাও দিছিলো— পিছে লেখাৰ নামত এতিয়ালৈ এডাল আঁকো পৰা নাই কাগজত। মনতে ঠিৰাং কৰিলো চুটি গল্প এটাকে লিখিবলৈ চেষ্টা কৰা যাওক। ভাবিলো হয়, পিছে বিষয়বস্তুহে বিচাৰি নাপাওঁ দেখোন এতিয়া! হঠাৎ ফোনটো বাজি উঠিল।

''হেল্ল' নীতা, শুনাচোন মই কৈছোঁ।''— ফোনৰ সিমূৰত দিগন্তৰ মাত।

''কোৱা।''

''হেৰি নহয়, তুমি দাদাৰ লগত কথাটো আলোচনা কৰিলা নেকি? মানে খাতাং খবৰ এটা পালে মোৰ সুবিধা হ'লহেঁতেন!''— দিগন্তই কওঁ নকওঁকৈ ক'লে।

''মোৰ সোধা হোৱাই নাই। আচলতে দাদাক কেনেকৈ কওঁ তাকে ভাবি পোৱা নাই। হ'লেও তুমি চিন্তা নকৰিবা মই বাৰু কি কৰিব পাৰোঁ চাওঁ।''— দিগন্তক আশ্বাস দিবলৈ তেনেদৰে কৈ মই ফোনটো কাটি দিলো।

ফোনটো থৈ দাদাৰ লগত কথাটো কেনেদৰে আলোচনা কৰিলে ভাল হ'ব, ভাবিবলৈ ধৰিলো। মোৰ স্বামী দিগন্তই চাকৰি নকৰে, বিভিন্ন বিভাগত ঠিকাৰ কাম কৰে। এই লৈ বিয়াৰ সময়ত অলপ আপত্তিও কৰিছিল মোৰ দাদাই। দাদাই আচলতে ভনীয়েকক এজন চাকৰিয়ালৰ হাতত গতাব বিচাৰিছিল সুৰক্ষিত ভৱিষ্যতৰ কথা চিন্তা কৰি— লাগিলে চাকৰি সৰুৱেই হওক। কিন্তু মই তেতিয়ালৈ দিগন্তৰ লগত বিয়া হোৱাৰ সিদ্ধান্ত লৈ পেলাইছিলো। চাকৰিৰ বাহিৰে দিগন্তক লৈ আপত্তি কৰিবলগীয়া আন কোনো কাৰণ নেদেখি দাদাও সন্মত হৈছিল বিয়াখনৰ ক্ষেত্ৰত। ছোৱালী এজনীয়ে বিচাৰিব পৰা প্ৰায়খিনি গুণেই দেখিছিলো দিগন্তৰ মাজত। কিন্তু সময়ৰ সোঁতত

আগবাঢ়ি এতিয়া কেতিয়াবা মোৰো ভাব হয়, মই ভালপোৱা সেই দিগন্তজন এতিয়া ক'ত হেৰাই গ'ল? মোৰ সৰুতকৈ সৰু অসুবিধাৰ কথা চিন্তা কৰি ব্যস্ত হৈ পৰা সেইজন মানুহক এতিয়া মই কৈ কৈ ভাগৰি যাওঁ নিজৰ সুবিধা-অসুবিধাৰ কথা— অথচ নিৰ্লিপ্ততাৰ বাহিৰে তেওঁৰ পৰা একোৱে সঁহাৰি নাপাওঁ! সংসাৰৰখনৰ সমস্ত দায়িত্ব যেন মোৰেই পালনীয়, তেনেকুৱা লাগি যায় কেতিয়াবা। কেতিয়াবা ভাবোঁ, মোৰ চাকৰিটো নাথাকিলে কেনেকৈ যে চলিলোহেঁতেন!

দিগন্ত হওঁতে প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ, কিন্তু টকা-পইচাৰ ফালৰ পৰা তলি তেনেই উদং। হাতত জমা থকা গোটেইখিনি ধন কোনোবা কামত বিনিয়োগ কৰি থৈছে। অ'ৰ-ত'ৰ পৰা অলপ টকা গোটাই অলপতে দুটা ডাঙৰ কাম হাতত ল'লে। পিছে আগৰ কামৰ বিলকেইখন এতিয়াও ফাইলতে বন্ধ হৈ আছে— আজি অমুক, কাইলৈ তমুক বুলি বিভাগৰ বিষয়াই নানা অজুহাত দেখুৱাই কামবোৰ পিছুৱাই আছে। ফলত নতুন কাম দুটাৰ বাবে প্ৰয়োজনীয় ধনৰ এতিয়া অংক মিলাব পৰা নাই। এইবোৰ চিন্তা কৰি কৰিয়েই দিগন্ত আজিকালি অলপ খিঙখিঙিয়াও হৈ পৰিছে। সৰু সৰু কথাতে বেয়াকৈ কৈ পেলায় কেতিয়াবা। মই তেওঁৰ মানসিক অৱস্থাটো বুজি পাওঁ বাবে জেদত ধৰি কথাবোৰ বহলাই নেপেলাওঁ। মাজতে দুবাৰ দাদাক কৈ মই এক লাখ আৰু দুই লাখকৈ মুঠ তিনি লাখ টকাও আনি দিছোঁ। পিছে কোটিটকীয়া কামত তিনি লাখ টকাৰ অস্তিত্বই বা ক'ত? এতিয়া শুনিছে এজনে হেনো বিশ লাখ টকাৰ বিল এখন পাছ কৰাই অনাব পাৰিব— যদিহে দুই লাখ টকা খৰচ কৰিব পাৰে। সেইবাবেই দাদাৰ লগত কথাতো আলোচনা কৰিবলৈ কৈ আছে মোক আজি দুদিন ধৰি।

ফোনত তেওঁক আশ্বাস দি দাদাৰ লগত আলোচনা কৰিম বুলি ক'লো যদিও অলপ ইতস্ততঃ বোধ কৰি আছোঁ। মই জানো, দাদাই এওঁক অকণো অবিশ্বাস নকৰে বা মই ক'লে দাদাই ক'ৰবাৰ পৰা কিবাকৈ টকাখিনি গোটাই দিবলৈ চেষ্টাও কৰিব। কিন্তু কওঁ কেনেকৈ? দাদাৰ নিজৰ সংসাৰতে হাজাৰটা খৰচৰ বাটে মুখ মেলি আছে। দৰমহাওনো পায় কিমান? আগৰবাৰত সি

নক'লেও মই জানো যে দাদাই নিজৰ পিএফৰ জমাধনৰ পৰা সেইখিনি উলিয়াই দিছিল আমাৰ অসুবিধা নহ'বলৈ। এতিয়া ক'লে সি আকৌ ক'ৰবাৰ পৰা ঋণ লৈ গোটাই দিব হয়তো টকাখিনি। কিন্তু সেইবুলি মইনো প্ৰত্যেকবাৰে কেনেকৈ তাৰ ওচৰত হাত পাতোঁ— তাতে আকৌ সদায় লোৱাৰ সময়ত দুই-এদিনতে ওভটাই আছোঁ বুলি কৈওঁ যদিও এতিয়ালৈ অলপো ওভতাব পৰা নাই।

কথাবোৰ ভাবি থাকোঁতেই কলিং বেল বাজি উঠিল। দুৱাৰ খুলি দেখোঁ— চেনেহী। কিন্তু এয়া কি, তিনিদিনতে মানুহজনী কেনেকুৱা হৈ পৰিল দেখোন! এনেকুৱা লাগিছে যেন বহুদিন ধৰি বেমাৰত পৰি তাই উঠি আহিছে। তিনিদিন আগৰ সেই ৰঙিয়াল চেনেহীজনীৰ ঠাইত এতিয়া ধুমুহাই বিধ্বস্ত কৰি থৈ যোৱা অতি দুৰ্বল মানুহ এজনী মোৰ সন্মুখত থিয় হৈ আছে এতিয়া।তাইৰ অৱস্থা দেখি এই তিনিদিন ধৰি তাইৰ ওপৰত উঠি থকা খংটো নিমিষতে মাৰ গ'ল। তাইক বহিবলৈ দি পানী এগিলাচ দিলো আৰু লাহে লাহে সুধিলো ক'ত, কি হ'ল।

"বাইদেউ নক'ব আৰু, আমাৰ নিচিনা মানুহবোৰ পৃথিৱীত জনম লোৱাটোৱেই পাপ। জনম লোৱাটোতো ভুলেই, তাতোকৈ ভুল বিয়া হোৱাটো!"— এটা হুমুনিয়াহ এৰি চেনেহীয়ে দুৰ্বল মাতেৰে কথাবোৰ আৰম্ভ কৰিলে।

তাৰ পিছত তাই যিখিনি কথা ক'লে তাৰ সাৰমৰ্ম হ'ল, গিৰিয়েকে মাজতে জুৱা খেলি দহ হাজাৰ টকা হাৰি আহিল— সেয়াও আকৌ ধাৰে লোৱা টকা। এতিয়া ধাৰে দিয়া মানুহকেইজনে গিৰিয়েকক তাগিদা দিয়া আৰম্ভ কৰিছে টকা পৰিশোধ কৰাৰ বাবে। দিন হাজিৰা কৰি খোৱা মানুহ তাইৰ গিৰিয়েক, এতিয়া দহ হাজাৰ টকা আনি দিয়েনো ক'ৰ পৰা? ফলত তাইক এতিয়া কুটুৰি আছে তাইৰ বাপেকৰ পৰা দহ হাজাৰ টকা আনি দিবলৈ। তাইৰ বাপেক কাঠমিস্ত্ৰী। নিজৰ সীমিত আৰ্জনেৰে কিবাকৈ ঘৰখন চলাই আছে। এতিয়াও আৰু তিনিজনী ভনীয়েক আছে বিয়া দিবলৈ, ভায়েকটো আটাইতকৈ সৰু। তাই বাৰু কোন সতেৰে সেইজন বাপেকক টকাৰ কথা কয়— তাকো

আকৌ জোঁৱায়েকে জুৱাত হৰা পইচাৰ ধাৰ মাৰিবলৈ, হাজাৰ হ'লেও তাইৰ লাজ বোলা বস্তুটো আছে নহয়! ৰাতি টেঁটুৰ গুৰিলৈকে মদসোপা গিলি আহি সি তাইক জোৰ কৰিছে; তাকে লৈ দুয়োৰে মাজত তৰ্কা-তৰ্কি আৰু শেষত সি খঙৰ ভমকত তাইক বৰ বেয়াকৈ পিটিলে। দুদিন ধৰি বিচনাতে পৰি আছিল হেনো, আজি অলপ ভাল পাই খবৰটো জনাবলৈ আহিছে।

তাইৰ কথাখিনি শুনি মনটো বেয়া লাগি আহিল। আমি নাৰী দিৱস পাতি কিমান ডাঙৰ ডাঙৰ কথাৰে ভাষণ দি আহিছোঁ, নাৰী সবলীকৰণৰ ওপৰত চিঞৰ-বাখৰ লগাই আছোঁ, অথচ আমাৰ আশে-পাশে কিমান মহিলা এনেকৈয়ে দিনৰ পাছত দিন পুৰুষৰ (বেছিভাগ ক্ষেত্ৰতে নিজৰ গিৰিয়েকৰ!) অত্যাচাৰ সহ্য কৰি আছে। হঠাৎ মোৰ নিজৰ লিখিবলগীয়া লেখাটোৰ কথা মনত পৰি গ'ল। ভাবিলো, এইটোও দেখোন এটা ভাল গল্পৰে প্লট হ'ব। অকণমান সজাই-পৰাই ল'ব পাৰিলেই হ'ল। ভাবিলো, তাইৰ লগত আৰু অলপ আলোচনা কৰি চাওঁ, কিজানি আৰু কিবা সমল বিচাৰি পাওঁ!

মই তাইক সুধিলো— "তই পুলিচ থানাত গৈ গোচৰ নিদিলি কিয়? তাক লৈ আহি অলপ শিক্ষা দিলেহেঁতেন!"

"কি যে কথা কয় বাইদেউ, নিজৰ মতাটোক মই পুলিচৰ মাৰ খুৱাব পাৰোঁ নেকি? সি খঙতহে তেনেকুৱা কৰিছিল।"— তাই প্ৰতিবাদ কৰি উঠিল।

"কিন্তু সি যে তোক ইমান বেয়াকৈ পিটিলে, তেতিয়া তাৰ মনত পৰা নাছিল নেকি তই তাৰ ঘৈণী বুলি?"— মোৰো খং উঠি আহিছিল, ইমান হোৱাৰ পিছতো তাই গিৰিয়েকক ৰক্ষণাবেক্ষণ দিয়া দেখি। তাইৰ খং উঠাবলৈ আকৌ ক'লো— "তোক মাতেহে চেনেহী বুলি, চেনেহৰ নামত দেখোন এচিকুটমানো মৰম নাই!"

"এঃ খং দেখুৱালেই সি কিবা মোক বেয়া পোৱা বুলি বুজাব নে? এতিয়া পইচাৰ খেলিমেলি লাগি তাৰ মূৰটো নষ্ট হৈ আছে, এনেই সি মানুহটো ইমান বেয়া নহয়।" চেনেহীৰ কথাখিনিৰ পৰা বুজিলো, গিৰিয়েকে যিমান অত্যাচাৰ কৰিলেও তাই তাক বেয়া বুলি নকয়। ভাৰতীয় নাৰীৰ পতি পৰম গুৰু বোলা চিৰাচৰিত ভাবধাৰা তাইৰ মনতো সোমাই আছে।

"হ'লেও তাৰ পইচাৰ সমস্যা তোৰ বাবে হোৱা নাই নহয়, তাৰ বে-হিচাপী কামৰ বাবেহে হৈছে। তাৰ বাবে সি তোক কিয় জোৰ কৰিব বাপেৰক পইচা খুজিবলৈ? মতা মানুহ হৈ সি লাজ পোৱা নাই ঘৈণীয়েকক পইচা বিচাৰি পিটিবলৈ?"— মোৰ আকৌ খং উঠি আহিল তাইৰ গিৰিয়েকৰ ওপৰত।

"তেতিয়া দেখোন আপুনিও দাদাক বেয়া বুলি ক'ব লাগিব। দাদাইও এইকেইদিন কিবা বিজিনেচৰ কামত টকা বিচাৰি আপোনাক ঘৰলৈ ফোন কৰিবলৈ কৈ থকা মই শুনিছোঁ নহয়। নিজৰ মানুহ বুলিহে বিচাৰিছে, নহয় জানো?"— চেনেহীৰ মাতত এইবাৰ মোৰ প্ৰতি অলপ অভিমান, অলপ উষ্মা আহি পৰিল।

সেই মুহূৰ্ত্তত তাই তেনেকৈ নকৈ মোক হয়তো এপাট চৰ সোধালেও মোৰ কষ্ট ইমান নহ'লহেঁতেন, যিমান তাইৰ কথাকেইষাৰ শুনি হ'ল। এনেকুৱা লাগিল, চেনেহী যেন এখন দাপোণ— য'ত ইমানপৰে মই মোৰেই প্ৰতিবিম্ব দেখি আছিলো...!

# বৃষভ

## কবিতা বৰা কলিতা

দিনত গোপিনীৰ বৰসবাহ আছিল। বেলাটো নামঘৰতে পাৰ হ'ল। ঘৰুৱা জঞ্জাল নাই বুলি আনবোৰতকৈ সোমেশ্বৰী বুঢ়ীয়ে নামঘৰত অলপ বেছি সময় দিবলগীয়া হয়। বাহী-বন সামৰি-সুতৰি লাল চাহ এবাটিৰে ডিঙিটো তিয়াই থিতাদহে বুঢ়ী নামঘৰ পাইছিলগৈ।

বেলি লহিওৱাৰ কতখিনি পৰৰ পিছতহে বুঢ়ী ঘৰমুৱা হৈছিল। আহিয়ে চৰুত চাউল এমুঠি বহাই সোনকালে খাই-বৈ আজৰি হৈ একবাৰে পাটীত পৰিল। আনদিনাতকৈ সোনকালে পাটীত পৰাৰ কাৰণেই নেকি পাটীত পৰি বুঢ়ীৰ টোপনি নহা হ'ল। মাথোঁ ইকাটি-সিকাটি কৰি থাকিল। প্ৰতিবাৰ গাটো লৰাওঁতে বাঁহৰ বিছনাখনে কেৰমেৰাই উঠিল। বুঢ়ীৰ একেলেঠাৰিয়ে কেইবাটাও হামি আহিল। মুখ মেলি হামিয়াওঁতে হামিয়াওঁতে বুঢ়ীৰ কোৱাৰি ফটাৰ উপক্ৰম হ'ল। পিয়াহত ডিঙিৰ তলিলৈকে শুকাল। বুঢ়ীয়ে খেপিয়াই-জেপিয়াই আন্দাজতে জুইশলাটো আমি কেৰাচিন তেলৰ চাকিটো জ্বলাই ল'লে। মাটি কলহটোৰ পৰা পানী বাকি ভালকৈ দুবাটিমান পানী খাই ল'লে। চাঙত উঠিবলৈ লওঁতেই বুঢ়ীৰ আকৌ বাহিৰলৈ যাব লাগিল। পিৰালিৰ কাণতে সৰুপানী চুই নাদৰ পানীৰে আঠুলৈকে ধুই ল'লে। আকাশত মেঘে গাজনি মাৰিছে। বুঢ়ীয়ে মূৰ তুলি চালে।

—এৰা, দক্ষিণ আকাশত মেঘে গাজিছে। ক'তনো বৰষুণ দিব! বোলে দক্ষিণে গাজিলে মাৰে খৰ, পূবে গাজিলে মাৰিবা ল'ৰ। ক'ৰ পৰা বৰষুণ দিব।

পৃথিৱীত মহাপাপ হৈছে। চাৰিওপিনে গছ-লতা, তৰু-তৃণ শুকাই গৈছে। পথাৰৰ মাটি ছিৰাল ফাট দিছে। শইচ টুটিব, মইচ টুটিব, টুটিব বিৰিখৰ গুটি, বৰ বৰ মানুহৰ বাইক লৰিব, লৰিব ধৰমৰ খুঁটি।

বুঢ়ীয়ে বাঁহৰ দুৱাৰখনত দাংডাল লগাই ফু-মাৰি কেৰাচিন তেলৰ চাকিটো নুমুৱাই পাটীত পৰিল। ওচৰৰ বাঁহনিডৰাৰ পৰা এজাক শিয়ালৰ হোৱা ভাহি আহিল। বাৰীৰ ঢাপত থকা শিমলুজোপাত বাহ লোৱা হেটুলুকাটোৰ মাতটোৱে নিশাটো আৰু গভীৰ কৰি তুলিলে। সোমেশ্বৰী বুঢ়ীয়ে কীৰ্তনৰ ঘোষা আওৰাই টোপনি যাবলৈ চেষ্টা কৰিলে। ঠিক সেইকণ পৰতে বুঢ়ীৰ পদূলিত নঙলাডাল পৰাৰ শব্দ হ'ল। বুঢ়ীৰ ষষ্ঠ ইন্দ্ৰিয় সজাগ হৈ পৰিল।

—ই মহীয়ে হ'ব পায়।

পদূলি পাৰ হৈ খোজৰ শব্দ লাহ লাহে চোতাল পালেহি। চোতালৰ সেইখিনিতে ৰৈ বুঢ়ীৰ শোৱা ঘৰৰ একমাত্ৰ দুৱাৰখনত ঠেলা এটা মাৰিলে। বুঢ়ী যেন সেইকণ সময়ৰ বাবেই ৰৈ আছিল। গলহেকাৰি এটা মাৰি তৎপৰতাৰে কৈ উঠিল— 'ঐ মহী, আহিলি?' তাৰ পিছত সকলো নিচুপ। সম্ভৱতঃ মহীও শুলে আৰু সোমেশ্বৰী বুঢ়ীৰো টোপনি আহিল।

বহুদিনৰ আগৰ দুপৰীয়া এটাৰ কথা। সিদিনা বুধবাৰ আছিল। ৰূপহীত বুধবৰীয়া হাট বহে। জেঠৰ বাৰখৰ মাৰিছে। চৌফলীয়া ৰ'দ। মহীধৰৰ পুতেক মনাই বোলাটো চাইকেল ঠেলি ঠেলি আহি আছে। আগে আগে দমৰা এটা। তাৰ বাবে নিচেই অচিনাকি কেঁচা আলিটোৰে দমৰাটো যেনি তেনি যাব খুজিছে। মনায়ে হেঃ হেঃ কৈ তাৰ ডিঙিত মেৰাই লোৱা পঘাডাল হাতৰ মুঠিত টানি টানি পিঠিত দুই-এচাট দিছে। পথাৰৰ দাঁতিৰ গছৰ ছাঁত জিৰণি লোৱা পথৰুৱা দুই-একে সেই দৃশ্য দেখি সুধিছে—

—বোলো মনাই কিমান পৰিল?

—দদাই, পুৰাপুৰি বিছ কুৰি।

গৰমৰ প্ৰকোপত ভাতমুঠি পেটলৈ নিয়া টান গুণে মুখৰ জুতি বিচাৰি কচু এমুঠি আনো বুলি সোমেশ্বৰী বুঢ়ী পুখুৰীৰ পাৰলৈ গৈছিল। বুঢ়ীয়েও দেখিছিল দমৰাটোৰ সৈতে মনাইক। বুঢ়ীৰ মনাইলৈ বেথা উপজিছিল! বেচেৰা

মনাইটো! ৰ'দৰ তাপত গোটেইটো কেহেৰাজ বটা যেন হৈ পৰিছে। গ'ল কথা গুচিল। তাৰ দুদিন পিছত মহীধৰ বোলাটো গ'ল। বুধবৰীয়া হাটৰ পৰা কিনি অনা দমৰাটোৰ গলত ৰঙা ফিটা এডাল বান্ধি মনাইয়ে গাঁৱৰ মূৰৰ শিৱথানখনত দি আহিলগৈ। ঘৰে ঘৰোৱাহে গৈ মন্দিৰত চাকি-বন্তি জ্বলাই শৰাই এভাগ দিলে। দমৰাটো শিৱথানত দিলে হয়, পিছে সিনো ক'ত মন্দিৰত থাকে? দিনটোৰ কোনোবা অকণ সময় মন্দিৰত থাকে যদিও বাকী সময়খিনিত গাঁৱত সোমাই মানুহৰ বাৰী-ঘৰ লুৰুকি ফুৰে। তাৰ উৎপাতত আনকি গোহালিৰ গাই গৰুকিজনীও শান্তিৰে থাকিব নোৱৰা হ'ল। সোমেশ্বৰী বুঢ়ী নিছুৰীয়া মানুহ। গৰু-গাইনো কেলেই। তথাপি দমৰাটোৰ কাণ্ড-কাৰখানা দেখি-শুনি বুঢ়ী খঙত জ্বলি-পকি থাকে। এদিন সি সোমেশ্বৰীৰ বাৰীতো সোমাল। বুঢ়ীৰ যতনত সাৰ-পানী পাই লহপহকৈ ডাঙৰ হোৱা জলকীয়া, বেঙেনা পুলিকেইটা সি টকলা কৰি খালে। বুঢ়ীয়ে বাৰীচুকত কিবা কৰি আছিল। হাততে পোৱা জেওৰাডাল লৈ দমৰাটোক মৰিয়াই-খতিয়াই ঘৰৰ চৌহদৰ পৰা বাহিৰ কৰিলে। কিয় জানো, দমৰাটোক দেখিলেই বুঢ়ীৰ তলৰ পৰা ওপৰলৈকে সৰ্বশৰীৰ শিৰশিৰাই উঠে আৰু মুখত যিহকে আহে তাকে কৈ পাৰে মানেগালি-শপনি পাৰে।

—চালা কটা নিধক, লোকৰ চুৱাপাত চেলেকা, গিৰিহঁত যেনেকুৱা তয়ো তেনেকুৱা; সিটো গ'লেই, এতিয়া লোকৰ বাৰীচুকে-কলাতলে সঁচ এৰিবলৈ তোকো এৰি থৈ গৈছে!

সেইটো মহীধৰ— সৌ সিদিনালৈকে তাৰ তেজতনো কম পিৰপিৰণি আছিল নে? ঘৰত গোসাঁনীহেন তিৰোতাজনী থাকোঁতেও কেৱল তাৰ পৰৰ তিৰোতালৈহে চকু। অৱশ্যে তিৰোতা বুলি ক'লে ভুল কোৱা হ'ব। মুঠতে নাৰীৰ প্ৰতি সি খুব আসক্ত। শাৰীৰিক সৌন্দৰ্যৰে আনক মোহিত কৰিব নোৱাৰিলে কি হ'ব, মাত-কথাত তেনেই মৌ বৰষা। গাঁৱৰ জীয়ৰী-বোৱাৰীহঁতে মহীধৰক দেখিলে দূৰৈতে ফৰিং ছিটিকা দিয়ে। এনে হেন চোকা দৃষ্টি মানুহটোৰ। যাৰফালে দৃষ্টি নিক্ষেপ কৰে, পিন্ধা কাপোৰ সৰকি একেবাৰে অন্তঃস্থল চুই যায়গৈ। ওচৰতে পালে আইজনী, দেহাজনী বুলি মাতি মূৰত ধৰি মৰম কৰে।

ছেগ বুজি কেতিয়াবা কাৰোবাক জোখতকৈ যেন অলপ বেছি মৰম কৰিবলৈ চায়। মহীধৰৰ অবাধ্য হাতৰ আঙুলি বুকু, পিঠি পৰ্যন্ত বাগৰি যায়। কেৱল বুকু, পিঠি চোৱাতে মহীধৰৰ হাত সীমাৱদ্ধ হৈ থকা হ'লে! বিয়াৰ পিছতে মহীধৰৰ ঘৈণীয়েক অশৌচত পৰিল। শাহু, ননদ নথকা ঘৰ। বায়েকক ইখন-সিখনত সহায় কৰিবলৈ মহীধৰৰ খুলশালী ছোৱালীজনী আহিল। তাইকো সি এৰি নিদিলে। ঘৈণীয়েকক আঁৰ কৰি তাইৰ নিষিদ্ধ বননিত সি অবাধ বিচৰণ কৰিলে। এটা সময়ত তাইৰ গা ধোৱা বন্ধ হ'ল। এই লৈ মহীধৰৰ ঘৈণীয়েকৰ লগতো মহাৰণ চলিল। পিছত মহীধৰে খুলশালী ছোৱালীজনীক ঘৰলৈ পঠাই দিলে। ঘৰত গৈ তাইৰ ল'ৰা এটা উপজিল। সেইফালে মহীধৰৰ এটা সঁচ ৰ'ল।

এবাৰ মহীধৰ গাঁওখনত বহুদিন ধৰি নাছিল। গাঁৱত বু-বু-বা-বা চলিল। সি বোলে দুলীয়াজানৰ তেল কোম্পানীত কিবা কাম এটা পালে। তাত থাকোঁতে সি কঠিয়া এটা এৰি থৈ আহিল। কথাটো তেতিয়া কোনেও জনা নাছিল। এদিন দুলীয়াজানৰ পৰা ল'ৰা এটা আহি ওলালহি। মহীধৰক 'দেউতা' বুলি সম্বোধন কৰাৰ পিছত ঘৰখনত সৰু-সুৰা হৈ-চৈ এখনৰ সৃষ্টি হ'ল। কথাটো প্ৰথমে চুবুৰীয়াই জানিলে। পিছত ইকাণ-সিকাণকৈ গোটেই গাঁও জুৰি কথাটো বিয়পি পৰিল। এনে চৰিত্ৰহীন, লম্পট মানুহৰ স'তে সংসাৰ নকৰোঁ বুলি মহীধৰৰ ঘৈণীয়েকে টালি-টোপোলা বান্ধি ঘৰ এৰি যাবলৈ ওলাল। মহীধৰে একেবাৰে ঘৈণীয়েকৰ ভৰিত পৰিল। পাটীৰ তিৰোতাজনী নাথাকিলে তাৰ এই ভাটী বয়সত দেহাৰ খজুৱতি মাৰিবগৈনো ক'ত? সি একেবাৰে ল'ছালীকেইটাৰ মূৰত ধৰি শপত খালে যে সি শুধৰণি হ'ব। এতিয়াৰ পৰা সি আৰু পৰৰ তিৰীৰ চকুলৈকে নাচায়। মহীধৰৰ ঘৈণীয়েক যেনিবা তিমানতে সৈমান হ'ল। পিছে যাৰ যি স্বভাৱ। ঘৰত কোনো নথকাৰ সুযোগ লৈ এদিন সি তিলেমাইৰ বেঙী ছোৱালীজনীক পিছফালৰ পৰা গবা মাৰি ধৰিলেগৈ। বেঙী ছোৱালীজনীয়ে তিনিদিনীয়া চুৱা ধুবলৈ বুলি গা-ধোৱা ঘৰটোত সোমাইছিল। মহীধৰ জানো কি সকামত তিলেমাইৰ ঘৰলৈ গৈছিল। কিবা জুতিত বাঁহৰ বেৰৰ জলঙাৰে বেঙীজনীক দেখি সি ৰ'ব নোৱৰা হ'ল। তৎমুহূৰ্ততে সি বিয়াগোম ষাড়টো যেন

হৈ পৰিল। বেঙীজনীয়ে অস্ফুট মাতেৰে এ, ওকৈ আটাহ পাৰিলে। সেই সময়তে ঘৰৰ ভিতৰত তিলেমাইৰ মাত শুনি মহীধৰ বাৰীৰ চুকেদিয়ে পলাল।

এবাৰ সি নিজৰ মাহীয়েকৰ ছোৱালীজনীৰ শৰীৰ চুৱা কৰিলে। আৰু এদিন এই মহীধৰৰ শেন চকুৰ পৰা সোমেশ্বৰীও সাৰি নগ'ল। সোমেশ্বৰীৰ দেহত তেতিয়া ভৰ যৌৱন। গাভৰু জীৱনৰ অকাল বৈধব্য। সোমেশ্বৰীৰ পূৰঠ মঙহাল শৰীৰটো দেখি মহীধৰ ৰ'ব নোৱৰা হ'ল। অকলশৰীয়া মানুহজনীনো কেনে আছে, কি খাইছে, কেনেকৈ চলিছে ইত্যাদি অনেকটা কথাৰ আচিলা লৈ সোমেশ্বৰীৰ ঘৰৰ চোতালত মহীধৰৰ খোজ পৰিল। যিটো মানুহে গিৰীয়েক জীয়াই থাকোঁতে এদিনৰ বাবেও ভুমুকি মৰা নাছিল, সেইটো মানুহ প্ৰায়ে আহি থাকিবলৈ ল'লে সোমেশ্বৰীৰ ওচৰলৈ। সোমেশ্বৰীৰ বৰ অসহ্য লাগে। তথাপিও ঘৰলৈ অহা মানুহক উলিয়াই খেদিব নোৱাৰি বুলিয়েই সোমেশ্বৰীয়ে মহীধৰক চাহ-তামোল যাঁচে। মনত এনেকুৱা এটা ভাব— চাহকাপ দিলেই, তামোলখন যাঁচিলেই যায় যদি যাওক। সোমেশ্বৰী কিন্তু মহীধৰক লৈ জোখতকৈ যেন অলপ বেছি সচেতন। সদায় এক নিৰাপদ দূৰত্ব বজাই ৰাখি তাৰ লগত কথা-বতৰা পাতে। পিছে কথাৰ লাচতে ছেগ বুজি মহীধৰে তাইক আশ্বাস দিয়ে, সি থাকোঁতে তাই একো অসুবিধাত নপৰে। যেতিয়াই যি বস্তুৰে প্ৰয়োজন হয়, তাক জনাবলৈ যেন তাই হোহোকা-পিছলা নকৰে। মহীধৰে কয়, 'ককাইটি নাই বুলি দুখটো থাকিবই দেচোন; তথাপি আমি আছোঁ নহয়, গোটেই গাঁৱৰ মানুহবিলাকক এটা পৰিয়াল বুলিয়েই ধৰচোন। তই কষ্টত থাকিলে জানো শান্তিত থাকিব পাৰোঁ?' সংসাৰৰ দুখ-যন্ত্ৰণাই ম্লান কৰিব নোৱৰা সোমেশ্বৰীৰ ৰূপ-যৌৱন। তাইক লতা বুলি কৈ সি নিজে বৃক্ষ হ'ব খোজে। ওৰেটো জীৱন তাৰ গাতে বগাই যোৱাৰ প্ৰতিশ্ৰুতি আদায় কৰিব খুজি মহীধৰ হতাশ হৈ পৰে। আৰু এদিন মহীধৰে তাইক চিধাচিধিকৈয়ে প্ৰস্তাৱ দিয়ে। অন্যৰ ক্ষেত্ৰত হোৱা হ'লে সি ইমানদিনলৈ বাটেই নাচালেহেঁতেন। কিন্তু সোমেশ্বৰীক সি বলে পৰা নাই। তগবগ যৌৱনেৰে পুষ্ট সোমেশ্বৰী যেন সঁচাকৈয়ে একুৰা জুই। যিয়ে পলকতে দগ্ধ কৰি পেলাব পাৰে তাক। অথচ সেই অগ্নিশিখা চুই চোৱাৰ প্ৰতি সি উত্ৰাৱল হৈ পৰিছে। সি যেন উন্মাদ হৈ যাব।

এদিন নিশা মহীধৰে সোমেশ্বৰীৰ পদূলিৰ নঙলা খুলি শোৱা ঘৰৰ দুৱাৰ হেঁচুকিলেহি। মাতটো যিমান পাৰি সিমান তলিৰ পৰা উলিয়াই লৈ ক'লে— 'আই অ' সোমে, দুৱাৰখন খোলচোন, মাথোঁ এৰাতিৰ বাবে তোৰ পাটীত শুবলৈ দে।' দগমগ অগ্নিৰ স্ফুলিংগ এটাহে যেন ছিটিক আহি মহিধৰৰ গাত পৰিলহি— 'চালা চুৰা চেলেকা, নিজৰ পাটীৰ তিৰোতাৰে তোৰ ভোক নুগুচিল, এতিয়া লোকলৈ হাত মেল কটা নিধক। দাখন লৈ যামনে চিধা ৰাস্তা ল'বি?' এহাতেৰে মিট দাখন খামুচি আনখন হাতেৰে কেৰাচিন তেলৰ চাকিটো লৈ চুলি মেলি ওলাই অহা সোমেশ্বৰীৰ ৰণচণ্ডী মূৰ্তি দেখি মহীধৰ আৰু এক মুহূৰ্তও নৰ'ল। সেইদিন ধৰি সোমেশ্বৰীৰ পদূলিত আৰু মহীধৰৰ ছায়া নপৰিল। মহীধৰৰ নামটো মনলৈ আহিলে এই বৃদ্ধাৱস্থাতো সোমেশ্বৰীৰ ঘৃণাত নাক কোঁচ খাই আহে। উস্ কুমজেলেকুৱাৰ বিজলুৱাৰ লেখীয়া আছিল যেন মহীধৰৰ মুখৰ পৰা নিৰ্গত কথাবোৰ!

সেইটো মহীধৰৰ বেলি লহিওৱাৰ দিনকেইটা খুব ভয়ংকৰ ভাৱে পাৰ হ'ল। বহু দিন, বহু মাহ বিছনাত পৰি লেকাট ভূঞ্জিলে। বিছনাতে পেচাব, পায়খানা সকলো কৰে। বেমাৰৰ আদি অন্ত নাই। এই বোলে পেচাবৰ দোষ, এই বোলে পায়খানা লাগিল মাত্ৰকে ৰ'ব নোৱাৰে। চোতালতে পৰি কঁকালটোও ভাগিল। কাঁহটো মাৰিলে থোপা-থোপে তেজ সৰে। কাঠখৰিৰ দৰে শুকাই যোৱা মানুহটোক টনা-আঁজোৰা কৰোঁতে মহীধৰৰ ঘৈণীয়েকৰ মৃতপ্ৰায় অৱস্থা। পিছলৈ মহীধৰে গোটা আহাৰকণো গিলিব নোৰৰা হ'ল। ঘৈণীয়েকে পিঠাগুৰি গুলি পি খুৱাই দিয়ে। পিছে পিঠাগুৰি খাই আৰু কিমানদিন টিকিব? এইবোলে ধৰ ধৰ, মাৰ মাৰ; বাহিৰলৈ উলিওৱাৰ যো-জা চলে, পিছমুহূৰ্ততে আকৌ কিছু ভাল যেন দেখে। মহীধৰক পৰ দিবলৈ অহা মানুহকিটাৰ ধৈৰ্যচ্যুতি ঘটে। মানুহমখাৰ মাজত গুণ গুণ কথা চলে, 'ভগৱন্তই তাক সোনকালে মুক্তি দিয়ক আৰু। এনেকৈ মৰাটোৰ লগতে আৰু কিমান শাস্তি খাবা?'

—এনেকৈ সহজতে নমৰিব নহয়, বেটাই উচিত শিক্ষা পাই গৈছে; বোলে এইখনেই স্বৰ্গ আৰু এইখনেই নৰক।

মানুহটোৰ যমৰ যাতনা দেখি মহীধৰক ঘৈণীয়েকে অ'ত চোৱালেগৈ ত'ত চোৱালেগৈ। যিয়ে যি ক'লে তাকে কৰিলে। ক'লা মাছ, ক'লা পাচলিৰে দহজন ভকতক ঘৰলৈ মাতি চাউল সিজোৱা খুৱালে। বৰ নামঘৰলৈ শৰাই-শলিতা আগবঢ়ালে। গীতা পাঠ কৰালে। আনকি ঘনকান্ত শৰ্মাক মতাই মানুহটোক পৰাচিত এটাও কৰালে।

এদিন ভৰদুপৰীয়া এটাত ভাটীৰ ফালৰ পৰা এজন জঁটাধাৰী সন্ন্যাসী আহি ওলালহি। কঁপালত ৰঙা তিলক, ডিঙিত পেটলৈকে ওলমা এজাপ ৰুদ্ৰাক্ষৰ মালা, গাত ৰঙা কৌপিনেৰে সাক্ষাৎ দেও যেন লগা বাবাজীজনে মহীধৰৰ চোতালত ভৰি থৈয়ে গম পাই গ'ল সিহঁতৰ ঘৰৰ অৱস্থাৰ কথা মহীধৰৰ ঘৈণীয়েকে ভাবে-ভক্তিৰে বাবাজনক নি গিৰীয়েকৰ ওচৰ পোৱালেগৈ। বাবাজীজনে মহীধৰক চাই-চিতি ক'লে বোলে মহীধৰক শিৱথানৰ দোষে চুইছে। এই দোষৰ পৰা পৰিত্ৰাণ পাবলৈ শিৱথানত দমৰা এটা দান দিব লাগে। কথামতেই কাম। মহীধৰৰ ঘৈণীয়েকে আৰু এক মুহূৰ্তও পলম নকৰিলে। পিছদিনা বুধবাৰ আছিল। মনাই পুৱাতে ৰূপহী হাট পালেগৈ। ৰূপহী হাটৰ পৰা কিনি অনা দমৰাটো শিৱথানত দিয়াৰ পিছতে মহীধৰৰ প্ৰাণ বায়ু উৰিল। শৱটো নিবৰ পৰত মহীধৰৰ ঘৈণীয়েকে হিয়া ঢাকুৰি কান্দিলে। চকুৰ পানী, নাকৰ পানীৰে কঁপালৰ সেন্দূৰৰ ফোঁট ভাহি-ভোহাৰি গোটেই মানুহজনীৰ মুখখন ৰাঙলী হৈ পৰিল।

—ভাল জীৱ আছিল অ', মুকুতি পালে।

নিজান ৰাতি মহীধৰৰ ঘৈণীয়েকৰ ইননি-বিননি চৌদিশে বিয়পি গ'ল। সকলোৱে ইচ্ ইচ্ হায় হায় কৰিলে। বোলে ইমানখিনি হৈ যোৱাৰ পিছতো মানুহজনীয়ে তাক ভাল জীৱ বুলিহে ক'লে।

মহীধৰৰ শৰাধ আদি হৈ যোৱাৰ বহুদিন পিছত এদিন দুপৰীয়া সময়ৰ কথা। সোমশ্বৰী বুঢ়ী চাউল ধোৱা পানীকণ পেলাওঁ বুলি আগচোতাললৈ ওলাই আহিছিল। সেইকণ সময়তে মনাইয়ে এৰি দিয়া দমৰাটো কো-কোৱাই সোমাই আহিল। চৌফলীয়া ৰ'দ। কিয় জানো সেইদিনা বুঢ়ীয়ে তাক মৰিয়াই-খতিয়াই নেখেদিলে। চাউল ধোৱা পানীকণ নেপেলাই দমৰাটোৰ মুখৰ আগত দিলে।

পানীকণ খাই দমৰাটো চোতালতে পেট পেলাই শুই পৰিল। আই অ’ দেহী, অমাত জীৱ। সেইদিনাৰ পৰা বুঢ়ীয়ে তালৈ চাউল ধোৱা পানী, দাইল ধোৱা পানী যি য’ত থাকে, চববোৰ গোটাই চৰিয়া এটাত থৈ দিয়ে। খাবলৈ পাই নিতৌ দমৰাটো বুঢ়ীৰ ঘৰলৈ আহে। নিজৰ গাই-গৰু নাথাকিলেও তাৰ গোবৰকণ পেলাবলৈ বুঢ়ীয়ে অকণো এলাহ নকৰে। গোবৰকণ অৱশ্যে বুঢ়ীৰ কামত আহে। সাৰ-পানী পাই জলকীয়া, বেঙেনা পুলিকেইটা পুনৰ বাঢ়ি আহিল। আজিকালি সি আগৰ দৰে বুঢ়ীৰ বাৰীৰ কোনো বস্তু নষ্ট নকৰে। সোমেশ্বৰী বুঢ়ীয়ে তাক নাম এটা দি লয় মহী। মুখ বাগৰি গাঁৱৰ সকলোৰে মাজত ষাড়টো এতিয়া ‘মহী’ নামে জনাজাত। মহীয়ে দিনৰ দিনটো গাঁওখনত ঘূৰি-পকি ৰাতি হ’লে সোমেশ্বৰীৰ চোতালত শুই থাকেহি। যিদিনা মহী নাহে সেইদিনা বুঢ়ীৰ চোতালখন কিবা ৰিঙা ৰিঙা যেন লাগে। যিজনী সোমেশ্বৰীয়ে মহীক দেখিলে জেওৰা লৈ খেদা মাৰি গৈছিল, সেইজনী সোমেশ্বৰীয়ে এতিয়া মহী নাহিলে ৰিঙা ৰিঙা যেন অনুভৱ কৰা হ’ল। বুঢ়ীৰ এই পৰিৱৰ্তন দেখি দাঁতিৰ সৰুমনৰ মাকে বুঢ়ীক সুধিলে— ‘জেঠাইদেউ, আজিকালিচোন আপুনি মহীক দেখিলে আগৰ দৰে খেদা মাৰি নাযায়?’ সোমেশ্বৰী বুঢ়ীয়ে হুটা মাতটো উলিয়াই কৈ যায়— ‘হেৰ’ অমাত জীৱ দেচোন; জ্ঞান থকা হ’লে এনেকৈ মাৰ-কিল খায়ো আকৌ আহেনে? কিবা বোলে আমাৰ গুৰুজনাই কৈছিল নহয়, কুকুৰ শৃগাল কিবা আত্মা ৰাম, সবাকো কৰিয়ো পৰনাম। বুজিলি সৰুমনৰ মাক?’ বুঢ়ীয়ে ঘূৰি দেখে ওচৰত কোনো নাই। সোমেশ্বৰী বুঢ়ীৰ এবাৰ মুখখন মেল খালে যে সহজে বন্ধ নহয় সেই কথা গাঁওখনৰ চবেই জানে। সৰুমনহঁতৰ ঘৰৰ ফালে চাই বুঢ়ীয়ে কৈ উঠে— ‘যা যা, কাম কৰি গোটেইখন দুফাল ফাল কৰগৈ; বোলো কথা শুনাৰ ধইয নায়ে যদি সোধ কেলেই? মোৰ হ’বলা বেটীৰ কাম-বন নাই?’ এইবুলি পিৰিক্ কৰে তামোলৰ পিকখিনি পেলাই বুঢ়ী ভিতৰলৈ সোমাই যায়। «

# আবেলি

## ধনজিৎ কলিতা

দৰ্জাখনত দুই এটা সবল আৰু বহুকেইটা দুৰ্বল তথা অনিয়মিত হাৰত পৰা চাপৰত চিকুণ পুৱাৰ তন্দ্ৰালসাৰ পৰা অলপ জাগ্ৰত অৱস্থালৈ আহিলো যদিও কম্বলৰ তলতে জুপুকা মাৰি ৰ'লো। এই মুলুকত সাধাৰণতে কোনো কাৰো ঘৰলৈ বৰ বেছি অহা-যোৱা কৰা এতিয়ালৈকে দেখা নাই। ৰাতিপুওৱা ভালেমান পৰ হ'ল যদিও মোৰ ইয়ালৈ বুলি সপ্তাহত দুই-এবাৰ অহা বন্ধুকেইজনে যে এই ঠেঁটুৰৈ ধৰা শীতত বিচনাৰ এতৰপ ইলেকট্ৰনিক চাদৰেৰে গৰম কৰি লৈ দুতৰপ লেপৰ তলত সোমাই থকাৰ পৰা তলপেট ফাটি যাওঁ যাওঁ কৰিলেও সৰুপানী চুবলৈও নুঠে সেই বিষয়ে মোৰ ভালেখিনি জ্ঞান আছে।

ড্ৰিলিং মেচিনৰ কৰ্কশ শব্দ এই বন্ধ হ'ব এই বন্ধ হ'ব বুলি ৰৈ থকাৰ দৰে দুৱাৰত পৰা চাপৰৰ শব্দখিনিও বন্ধ হ'ব বুলি ৰৈ থকা আশাত চেঁচাপানী ঢালি যেতিয়া বেছ কিছু সময়লৈ পৰ্বটি চলিয়ে থাকিল, উপায়ন্তৰ হৈ উৰি থকা কম্বলখনকে মেৰিয়াই দৰ্জাখন খুলিলো।

: সুপ্ৰভাত! আশা কৰোঁ, আপোনাৰ ধুনীয়া ৰাতিপুৱাটিৰ কাৰ্যসূচীত ব্যাঘাত জন্মোৱা নাই?

আকাশত সূৰ্যটি ডাৱৰৰ আৰত লুকাই থাকিলেও আশীঊৰ্ধ্ব বুঢ়ীগৰাকীয়ে ৰাতিপুৱাৰ ৰঙা বেলি এটি মুখত লৈ, আচল নে নকল বুলি সন্দেহ কৰিব পৰা দাঁতযোৰ উলিয়াই ভমকাফুলীয়া হাঁহি এটি মাৰি সুধিলে।

: সুপ্ৰভাত! নাই নাই তেনেকুৱা একো নহয়।

মুখত নিৰ্দয়ভাবে ফুটি উঠা বিৰক্তিখিনি যিমান পাৰি লুকুৱাবলৈ যত্ন কৰি, ৰাতি উদৰ পুৰাই খোৱা গাহৰি মাংসখিনিৰ পৰা ওৰে ৰাতি পোৱা শক্তিৰ সমস্তখিনি প্ৰয়োগ কৰি ওঁঠলৈ হাঁহি এটা আনিবলৈ চেষ্টা কৰি ক'লো।

: আপোনালোক ভাৰতীয়সকলে গ্ৰেপফ্ৰুত বৰ ভাল পায় নহয়, সেয়ে এয়া আনিছিলো।

অভ্যাগতাই গোলনেমুৰ দৰে, কিন্তু তাতকৈ ডাঙৰ টেঙাজাতীয় ফলকেইটামান মোৰ হাতত গুজি দিলে।

কেতিয়াও গ্ৰেপফ্ৰুত খাই নোপোৱা বা জন্মাবধি ভাৰততে থাকি, যোৱা সাতটি বছৰত ভাৰতবৰিষৰ অৰ্ধখণ্ড ঘূৰা-পকা কৰিও এই ফলটিৰ বিষয়ে ন্যূনতম জ্ঞান আহৰণত অপাৰগ হৈ থকাৰ পিছতো 'ভাৰতীয়সকলে ভাল পায় বুলি কেনেকৈ জানিলে' বুলি সুধিবলৈ মন গৈছিল যদিও ততাতৈয়াকৈ যান্ত্ৰিক ধন্যবাদ এটিৰে ফলকেইটা হাতত লৈ বৃদ্ধাগৰাকীক দুৱাৰমুখৰ পৰাই বিদায় দি মোৰ চিলমিলিয়া টোপনিৰ জিলমিলিয়া সপোনটোত কি হ'ল তাৰ পম খেদাহে শ্ৰেয় গুণিলো। আৰু কি কি লাগিব, মোৰ ওচৰত এইটো আছে, সেইটো আছে, কিবা লাগিলেই ক'বা ধৰণৰ উপৰ্যুপৰি কেবাটিও বাক্যৰ আশিসেৰে মোৰ টোপনিৰ আধা জ্বাল কটাই দিয়াৰ পিছত কেনেবাকৈ যেনিবা বৃদ্ধাগৰাকী গ'লগৈ। যাওঁতে যাওঁতে তেওঁৰ লগত কথা পতাৰ বাবে অশেষ ধন্যবাদ দিবলৈও নাপাহৰিলে। গম পালো, বুঢ়ীগৰাকী একেটি চৌহদৰে পাঁচ নম্বৰ ঘৰটিত থাকে।

সৰুৰে পৰা ওচৰচুবুৰীয়াই ইটো নিয়া, সিটো দিয়া পৰিৱেশৰ মাজতে ডাঙৰ হৈছোঁ।

: অ' ধনৰ মাক, আলিগুটি দুটামান দেচোন, এইবাৰ শুকুৰবৰীয়া বজাৰৰ পৰা আনি ঘূৰাই দিম দে।

: তহঁতৰ জাতি পাণজোপাৰ পৰা দুপাতমান নিছোঁ দেই; আলহী আহিব আজি। দুটামান বুঢ়া তামোলো বাৰু হ'ব নেকি বোৱাৰী?

কত শুকুৰবৰীয়া বজাৰ যায়, কত আহে; আলুগুটি বা চাউল সেৰ হ'লে ঘূৰি নাহে আৰু তাৰ বাবে কোনোৱে বৰকৈ মূৰো নঘমায়। অনা-নিয়া চলিয়ে থাকে। মাহঁতেও লাগ বুলিলেই চাউলখিনি চালিবলৈ, ধান দুনি জাৰিবলৈ মানুহ পায়। তাৰ পিছত দুদিনমানলৈ অনা-নিয়াৰ পৰ্বটি অলপ জোৰকৈয়ে চলে। দুদিনমানলৈ কোনেও আৰু সাপ্তাহিক বজাৰৰ নাম নলয়। আলহী নাহিলেও পিৰালিত থকা কলঠোকৰ এআষি-দুআষি নিব পাৰি বুলি ধৰি লয়। মা-আইতাহঁতেও নিজলৈ চাই অভাৱ-অনাটনৰ মাজত থকা চুবুৰীয়াখিনিক যিমান পাৰি দিবলৈ যত্ন কৰে।

এই অনা আৰু নিয়া সংস্কৃতিৰ মাজত আমাৰ চুবুৰিৰ 'চাবি-তলা' বুঢ়ী আছিল অন্যতম। বুঢ়ীৰ আচল নাম কি কোনেও নাজানে। বুঢ়ীৰ ঢোবাং-বাং ঘৰটিৰ চাৰিখন বেৰৰ তিনিখনেই উৰলি যোৱা যদিও বুঢ়ীয়ে হেনো আগফালৰ দুৱাৰত সদায় তলা লগাইহে ঘৰৰ বাজ হৈছিল। 'চাবি-তলা' নামটো ডঙুৱা ডেকাকেইটাই প্ৰথমে বুঢ়ীক জোকাবলৈ বুলি ব্যৱহাৰ কৰিছিল। বুঢ়ীক 'চাবি-তলা বুঢ়ী' বুলি মাতে আৰু বুঢ়ীয়ে চৌদ্ধ পুৰুষ উজাৰি অশ্ৰাব্য গালি পাৰে। ল'ৰাবোৰেও ৰং পায়। লাহে লাহে বুঢ়ীৰ গালি পাৰিবলৈ এলাহ লগা হ'ল। বুঢ়ীক জোকোৱা ল'ৰাবোৰো চেঙেলীয়াৰ পৰা বাপেকী হ'ল। কিন্তু বুঢ়ীৰ নামটো তেনেকৈয়ে ৰ'ল।

মাৰি-মৰঙত ডেকা পুতেক দুটা আৰু গিৰীয়েকক হেৰুওৱা বুঢ়ীজনী অকলশৰেই চুবুৰিৰ এচুকৰ জুপুৰি এটিত থাকে। এসময়লৈ হেনো ইঘৰ-সিঘৰত কাম-বন কৰিছিল, পিছে ককাল পৰি অহাৰে পৰা ইঘৰৰ একাপ চাহ, সিঘৰৰ এমুঠি ভাত, কাষৰীয়া গাঁওখনৰ সবাহৰ ভোগ বা ওচৰ-পাজৰৰ বিয়া-বাৰুৰেই বুঢ়ী চলি থাকে। অত্যন্ত লেতেৰা বাবে বুঢ়ীক মানুহে অলপ লেই লেই চেই চেই কৰি দূৰতে ৰাখিব খোজে। বুঢ়ীৰ ঘৰৰ চৌপাশৰ জাবৰৰ দম আৰু আগফালৰ পৰাই পোৱা কিঁয়া মাছৰ দৰে কেচেমা-কেচেম গোন্ধটিৰ বাবে বুঢ়ীৰ ঘৰত সোমাবলৈ কোনেও সাহস নকৰে। কেতিয়াবা খাবলৈ কিবা খুজিলেও

বহুতে বুঢ়ীক কটু কথা শুনায়। বুঢ়ীৰ হেনো হাতখনো অলপ লৰ। আমাৰ আইতাই সেয়েহে বুঢ়ীয়ে বৰকৈ আগফাল-পাছফাল কৰি থকাটো ভাল নাপায়। আইতাই বুঢ়ীক কেতিয়াবা বেছিকৈ কথা শুনালে অৱশ্যে দেউতাই কয়,— হ'ব দে, আজিলৈনো কোনটো লাগৰ বস্তু নোহোৱা হৈছে? এমাহ আগতে পিছচোতালত থকা ফুটা কেৰাহীটো নোহোৱা হৈছিল। তাৰ কেইদিনমান আগতে মামৰ ধৰি হৈ এলাগি পৰি থকা দা এখন। মাজে মাজে পিছফালৰ পিৰালিত আইতাই কৰবাৰ পৰা গোটাই থোৱা সুগন্ধি গোপিনী পাণকেইখিলা বা আইতাৰ বাহিৰ ফুৰিবলৈ ব্যৱহাৰ কৰা পুৰণি মেখেলাখন নোহোৱা হয়। অৱশ্যে দুদিনমান পিছত কথাৰ লাচত বুঢ়ীয়ে নিজেই কয় বোলে— সিবিধ ময়ে নিলো দে সিদিনা। আইতাই বুঢ়ীক 'মৰঙত মাৰি' বুলি চিঞৰি গালি পাৰি কয়— আমিনো তোক কোনদিনা কিবা লাগৰ ভাগৰ বস্তু খুজিলে নিদিয়াকৈ আছোঁ যে তই বস্তুকেইপদ মনে মনে নিব লগা হ'ল? 'চাবি-তলা' বুঢ়ীয়ে আইতাক একো উত্তৰ নিদিয়ে। বুঢ়ীৰ এই ইহাত-সিহাত অৱশ্যে চলিয়ে থাকে।

লাহে লাহে অলৰ হৈ অহা বুঢ়ীগৰাকী বছৰদিয়েক পিছত মানুহৰ কেটেৰা-জেঙেৰাৰ মাজেৰেই সিপুৰীলৈ গ'লগৈ। জীৱনৰ আধা বয়স অকলশৰে কটাই, জীৱনৰ সীমনা পাৰ হৈ বুঢ়ী গিৰীয়েক-পুতেকহঁতৰ লগ হ'লগৈ। বুঢ়ী মৰিবৰ আগে আগে নাকত গামোচা বান্ধি বুঢ়ীক খুৱোৱা-ধুৱোৱা কৰিবলৈ যোৱা গাঁৱৰ মানুহকেইজনে কৈছিল যে বুঢ়ীৰ ঘৰটো হেনো ইবিধ-সিবিধ অব্যহাৰযোগ্য আওপুৰণি বস্তুৰে ভৰি আছিল। বুঢ়ীয়ে সেহাই সেহাই হেনো বস্তুবিলাকত হাত দিবলৈ মানা কৰি কৈছিল যে সেইবিলাক হেনো বুঢ়ীৰ শেষ সময়ৰ সম্পত্তি। তাৰ কেইদিনমান পিছত বস্তুবিলাক তেনেকৈয়ে এৰি থৈ বুঢ়ী অজান দেশলৈ গ'লগৈ। বস্তুবোৰ পিছে বুঢ়ীৰ শেষ সময়ৰ সহায় হ'বগৈ নোৱাৰিলেগৈ।

লাহে লাহে মই এই অজান্তি মুলুকত অভ্যস্ত হৈ আহিব ধৰিছোঁ। আটাইতকৈ সস্তা 'মাফিন' ক'ত পায়, ক'ত আটাইতকৈ কম খৰচত চুলি কটাব পাৰিৰ পৰা আৰম্ভ কৰি কোনদিনাৰ ৰাগবি খেলখনৰ উত্তেজনা আতাইতকৈ বেছি আছিল ধৰণৰ কথাবোৰ কাকো এবাৰো নোসোধাকৈ ক'ব পৰা হৈছোঁ।

অকণমান ৰ'দ ওলোৱাৰ সুবিধা লৈ চাহকাপৰ সৈতে আগফালৰ বাৰান্দাত বহি লৈ ৰাস্তাৰে অহা-যোৱা কৰা সকলো অচিনাকি মানুহকে 'বতৰটো বৰ ভাল, আপোনাৰ দিনটো কুশলে যাওক' বুলি কৈ সম্ভাষণ জনাব পৰা হৈছোঁ। সিদিনাৰ অচিনাকি চহৰখনৰ চিনাকি হৈ অহা পথবোৰত এনেয়ে তহল দি ফুৰোঁ। ভাল লাগে। সু-সজ্জিত চহৰখনত প্ৰকৃতি আৰু মানুহৰ সৃষ্টিশীলতা সুন্দৰভাবে বিৰাজমান। প্ৰতিটো চাৰিআলিৰে মাজৰ গোলখিনিতে থকা খ্ৰীষ্টমাছ গছজোপাৰে সৈতে থকা ফুলবোৰে বা ৰাস্তাৰ কাষত প্ৰতিঘৰ মানুহৰ ঘৰৰ সম্মুখত থকা সৰু বাগিচাবোৰে মনটোলৈ এটি প্ৰশান্তি আনে। ঐশ্বৰ্যৰ মাজত থকা কিন্তু সম্পত্তিৰ হাবিয়াস নকৰা, প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক ৰাখি ভাল পোৱা, জাতিগতভাবে নিজকে নিজৰ ৰাষ্ট্ৰীয় পক্ষীটিৰ নামেৰে মাতি ভাল পোৱা, জীৱনৰ পৰা চেপি চেপি ৰস নিগৰাই ইয়াক সম্পূৰ্ণকৈ উপভোগ কৰাতেই জীৱনৰ পৰমাৰ্থ বুলি ভবা এই দেশখনৰ মানুহখিনিৰ বাবে স্বাধীনতা আৰু স্বনিৰ্ভৰশীলতা বৰ প্ৰিয় বস্তু। গতিকে স্বাভাবিকতে কাৰোবাৰ লগত বৰ বেছি দিয়া-লোৱা কৰা দেখা নাযায়।

কিন্তু এলেনোৰৰ বাবে  যেন এই প্ৰচলিত ধাৰাণা অচল। যেন সাত-সাগৰ তেৰ নদী পাৰ হৈয়ো (সাত সাগৰ নহ'লেও চাৰি পাঁচমানতো হ'বই! নদী অৱেশ্য তেৰখনতকৈ নিঃসন্দেহে বেছি হ'ব!) আমাৰ গাঁৱৰ কোনোবা আপোন চুবুৰীয়াহে। বুঢ়ীগৰাকীৰ নাম এলেনোৰ।

ইতিমধ্যে কেবাদিনো এলেনোৰৰ কৃপাত বিভিন্ন শাক-পাচলি, ফল-মূল পৰম প্ৰশান্তিৰে উদৰস্থ কৰিছোঁ। দুদিনমান তেওঁৰ পাকঘৰত সোমাই পিজ্জা-পাই আদি খোৱাৰ সৌভাগ্যও বৰ উদাৰতাৰেই আদৰি লোৱা হৈছে। দিয়া-লোৱাৰ (আচলতে অকল লোৱাৰহে) এই পৰ্বত এলেনোৰৰ খুওৱাৰ ইচ্ছা আৰু খোৱা-লোৱাৰ প্ৰতি থকা অমাৰ উদাৰ মনোভাবেৰে সৈতে আগ্ৰহৰ সুবাদত লাহে লাহে এলেনোৰ নামৰ আমাৰ সুশীল প্ৰতিবেশীগৰাকীৰ লগত এক আত্মিক সম্পৰ্ক গঢ়ি উঠিছে। ময়ো চাহ খোৱাৰ সময় সলনি কৰি পিৰালিত বহি এলেনোৰৰ লগত এষাৰ কথা পাতি ভাল পোৱা হ'লো।

চৌহদত সোমোৱাৰ বাটত প্ৰথম ঘৰটোৱেই মই থকাটো হোৱা বাবে ক'ৰবালৈ যাওঁতে-আহোতে এলেনোৰে মই ঘৰত থাকিলে এবাৰ ভুমুকিয়ায় (এলেনোৰ অৱশ্যে যাবনো ক'লৈ বা মইনো ঘৰত থাকোৱেই কেতপৰ! কেতিয়াবা এবাৰ এনেয়ে ফুৰিবলৈ গৈ কিবা বস্তু কিনি ওভতে বা কেতিয়াবা বস্তু দুই-এপদ কিনিবলৈ গৈ এপাক ফুৰি আহেহে মাথোঁ)। এলেনোৰৰ নিত্য কৰ্মৰ ভিতৰত কিছু সস্তীয়া পাওৰুটি বা বিস্কুট কিনি আনি খিৰিকী কাষত বনৰীয়া চৰাইবোৰৰ বাবে ৰখাটো অন্যতম। এলেনোৰৰ ঘৰৰ সম্মুখৰ বাৰাণ্ডাখনৰ কাষত থকা সৰু জোপোহাকেইটাত চৰাইবোৰে যেতিয়া বৰকৈ কিচ্-মিচাই থাকে, এলেনোৰে সিহঁতক মৰমেৰে দবিয়ায়, বোলে, মই চৌৰাশী বছৰীয়া বুঢ়ীজনীয়ে তহঁতক খুৱাব লাগে যে নিজে জোগাৰ কৰি খাব নোৱাৰ নেকি? চৰাইবোৰে বেয়া নাপায়। তাৰপিছত অলপ পাওৰুটি গুড়ি কৰি ছটিয়াই দি বুঢীয়ে এটি প্ৰশান্তিৰ হাঁহি মাৰে। বৃদ্ধাৱস্থাত হোৱা চানি পৰা ৰোগৰ বাবে এলেনোৰে চকুৰে ভালকৈ মনিব নোৱাৰে। প্ৰায়ে ব্ৰেইল পদ্ধতিৰ সহায়ত কিবা নহয় কিবা কিতাপ এখন পঢ়ি থাকে। নহ'লে হেনো প্ৰকাণ্ড তিনি কুঠলীয়া ঘৰটোৱে তেওঁৰ লগত সেইবোৰ কথা পতাত ব্যস্ত হৈ পৰে, যিবোৰ কথালৈ হেনো এলেনোৰৰ আজিকালি সেই দ্বিতীয় মহাযুদ্ধৰ জাৰ্মান-জাপানৰ বোমাবৰ্ষণতকৈও ভয় লগা হ'ল। ঘৰটোৰ ভিতৰত বিৰাজ কৰা নৈশব্দবোৰ হেনো সেই যুঁজৰ বিমানৰ শব্দবোৰৰ দৰেই বুকুৰ ভিতৰলৈ গো-গোৱাই যায়।

দ্বিতীয় মহাযুদ্ধৰ সময়ত ইউৰোপৰ আন বহু চহৰৰ দৰেই আয়াৰলেণ্ডৰ এলেনোৰৰ গৃহ চহৰখনো যুদ্ধৰ ক'লা ছায়াই প্ৰায় মৰিশালি কৰি তুলিছিল। সেই ক'লা ধোঁৱা আৰু ছাইৰ মাজত যেতিয়া এলেনোৰে এখনো চিনাকি মুখ বিচাৰি উলিয়াব পৰা নাছিল, তেতিয়াই চিৰদিনৰ বাবে চহৰখন এৰাৰ সিদ্ধান্ত লৈছিল। কেইবছৰমান লণ্ডনৰ এখন মিচনেৰিত ব্যৱহাৰিক শিক্ষা গ্ৰহণৰ পিছত বৃটিচ চৰকাৰৰ ফালৰ পৰা এই সপোন যেন ধুনীয়া দ্বীপৰাষ্ট্ৰখনলৈ গাণনিকৰ চাকৰিৰ বাবে আহিল।

তাৰ পিছৰ ত্ৰিছ-পঁয়ত্ৰিছ বছৰ, এলেনোৰৰ ভাষাত, চৰাইকেইটিয়ে দুটি পাউৰুটি খোৱাৰ জোখৰ সময়তে হেনো পাৰ হ'ল। সপোন কোঁৱৰজনক

ইয়াতেই লগ পাই বিয়া পাতিলে। এলেনোৰ আৰু পিটাৰৰ তিনিটি ল'ৰা-ছোৱালীৰে সংসাৰ মুখৰিত হ'ল। প্ৰকৃতিৰ বৰপুত্ৰ যেন এই ঠাইতে চকুৰ পঁচাৰতে সিহঁতৰ পাখি গজিল। চাওঁতে চাওঁতেই এদিন নিজৰ বাহ বিচাৰি সিহঁতে উৰা মাৰিলে এলেনোৰৰ বুকুৰ পৰা। বুকু ডাঠ কৰি সংসাৰৰ চিৰাচৰিত নিয়ম মানি ল'লে এলেনোৰে। সময় চলিয়ে থাকিল যদিও, এলেনোৰৰ ভাষাত, ঘড়ীটি হেনো বেছ ভাগৰুৱা হৈ পৰিছিল। হঠাৎ এদিন বিশেষ আগজাননী অবিহনেই পিটাৰৰ জীৱন ঘড়ীও থমকি ৰ'ল। তাৰ পিছত যোৱা তেইছ বছৰ এলেনোৰৰ বাবে তেইছটি যুগৰ দৰে পাৰ হ'ল।

: আপুনি আকৌ বিবাহ নকৰালে কিয়?— যিমান পাৰোঁ মোৰ ভিতৰৰ ভাৰতীয়জনক লুকুৱাই ৰাখিবৰ চেষ্টা কৰি সুধিলো।

: মোৰ সৰু ছোৱালীজনীৰ বিয়াৰ বিছ বছৰৰ পিছত জোঁৱায়ে আন এজনী তিৰোতাৰ লগত থাকিবলৈ লৈছে; তেওঁলোকে এতিয়া এজনে আনজনক বুজিবলৈ সময় পাব জানো?— উত্তৰত এলেনোৰে এটি প্ৰশ্নহে কৰিলে। মই একো নুশুনা যেন এটি ভাবেৰে মুখখন আনফালে ঘূৰালো। লুকাই-চুৰকৈ এলেনোৰৰ মুখখনৰ পিনে চাই ডাঠ ফ্ৰেমৰ চচমাৰ তলত তেওঁৰ দুচকু জিলমিলাই উঠা দেখিলো। যেন বিলৰ পানীত অস্তমিত সূৰুযৰ হেঙুল।

পাখি লগা কাঁড়ৰ দৰেই সময়বোৰ গৈ আছে। ভাড়া আৰু আন কিছু সুবিধা বিশিষ্ট কাৰণত এসময়ত একেখন চহৰৰে আন এটি ঘৰলৈ বুলি বাসস্থান সলনি কৰিবলগা হ'ল।

পৃথিৱীৰ সকলো হস্পিটেলৰ যেন একেই সেই পৰিৱেশ। কৰিদৰবোৰত অনবৰতে কিবা এটা গোমা ভাব এক অদ্ভুত আৰু অসহ্যকৰভাৱে বিৰাজমান। যেন এই আহিব এই আহিব বুলি কোনোবা কোণত লুকাই থাকে এজাক ধুমুহাৰ এটি ভয়াল জাননী। হঠাৎ ব্ৰহ্মপুৱাতে চিতি কাউন্সিলৰ মানুহজনৰ পৰা টেলিফোন কল এটি পাই দৌৰা দৌৰিকৈ চিতি হস্পিটেললৈ বুলি ঢপলিয়াই আহিলো। প্ৰথমতে ভালদৰে বুজিব পৰা নাছিলো যদিও কৰবাত কিবা এটা যে ঘটিছে তাক গমিব পাৰিলো।

কাউন্সিলৰ মানুহজনে মোৰ মোবাইল নম্বৰ এলেনোৰৰ টেলিফোন ডায়েৰিৰ ‘কন্তেক্ত ইন ইমাৰ্জেন্সি’ শিতানত লিখি থোৱা পাইছিল। বহুদিনেই হৈছিল এলেনোৰক লগ ধৰিবলৈ নোযোৱাৰ। মাজতে বহুদিন যাম যাম বুলিও বেছিভাগ সময়ৰ অভাৱত বা কেতিয়াবা এলাহতে যোৱা হোৱা নাছিল। তাৰ পিছত গৈ এলেনোৰক যে এনেদৰে লগ ধৰিব লগা হ’ব সেয়া কাহানিও ভবা নাছিলো।

মৃতঘৰৰ ভিতৰৰ তীব্ৰ ঠাণ্ডাতো মোৰ কপালত ঘামৰ টোপাল স্পষ্টভাৱে অনুভৱ কৰিলো। কিবা এক অসহ্য বেদনাত উচপিচাই চিঞৰি দিবৰ মন গ’ল। নোৱাৰিলো। যন্ত্ৰবৎ মানুহজনক অনুসৰণ কৰি গ’লো।

এলেনোৰৰ ঘৰৰ পৰা কিঁয়া মাছৰ দৰে কিবা এক কেচেমা কেচেম গোন্ধ পাই হেনো ওচৰৰ মানুহঘৰে চিতি কাউন্সিলক ফোন কৰি গোন্ধটিৰ বিষয়ে জনাইছিল। পোষ্ট ম’ৰ্টেম ৰিপোৰ্টত পোৱা মতে, তিনিদিন আগেয়েই মৃতকে অন্তিম উশাহ লৈছিল। ঘৰৰ মজিয়াতে হেনো পৰি আছিল মৃতদেহটি।

: আপোনাৰ লগত কেনেকুৱা সম্পৰ্ক আছিল বাৰু?— মানুহজনে মোক সোধাত বহুসময়লৈ মই একো উত্তৰ বিচাৰি নাপাই মনে মনে ৰ’লো।

: অৱশ্যে তেওঁৰ পুতেক আৰু জীয়েকহঁতক খবৰ দিয়া হৈছে।— মানুহজনে মই অস্বস্তিত ভোগা বুলি গম পাই যেন মোক সকাহ দিবলৈকে ক’লে।

: এয়া চাওক।— মানুহজনে বাকচ এটি খুলি শৱদেহটিৰ পিনে দেখুৱাই ক’লে। ডাঠ স্বচ্ছ প্লাষ্টিকেৰে মেৰিয়াই থোৱা এলেনোৰ যেন গভীৰ প্ৰশান্তিৰে ৰাতিপুৱাৰ টোপনি এটিত মচগুল। মোৰ বুকুৰ ঢপ-ঢপনি তীব্ৰ হৈ আহিল। ভয় হ’ল, সেই ঢপ-ঢপনিত এলেনোৰৰ চিকুণ টোপনি ভাগি তেওঁ সাৰ পাই নুঠেতো!

গাঁৱৰ ‘চাবি-তলা’ বুঢ়ীৰ অন্তিম সময়ৰ বাবে গোটাই থোৱা সম্পত্তিবোৰৰ কথা মনত দোলা দি গ’ল। হয়, সঁচাইচোন পৃথিৱীখন ঘূৰণীয়া।«

মাফিন: http://en.wikipedia.org/wiki/Muffin

# আধালিখা গল্পটো

## মনোৰঞ্জন মজুমদাৰ

আজি বন্ধৰ দিন। অলপ আজৰি পাইছোঁ। গল্প এটা লিখা আৰম্ভ কৰিলো। পাপনে মোৰ কাষতে খেলি আছে। কলমটো মাজে মাজে মুখত লৈ গল্পটোৰ বিষয়ে চিন্তা কৰিছোঁ, মাজে মাজে লিখিছোঁ। পাকঘৰত গাখীৰ বহাই থৈ আহিছিলো নেকি? গাখীৰ উতলি পৰাৰ দৰে গোন্ধ পালো। লৰালৰিকৈ পাকঘৰলৈ দৌৰি গ'লো। হয়, মই ভবাটোৱেই হয়। গোটেই গেছ ষ্টোভটো গাখীৰেৰে বগা হৈ গৈছে। ছেঃ পাপনৰ কাৰণে গৰম কৰিছিলো গাখীৰখিনি; নষ্ট হৈ গ'ল চব। বাৰ্ণাৰটো বন্ধ কৰি ষ্টোভটো চাফা কৰিবলৈ ধৰিলো। আধা ঘণ্টামান লাগিল। ঘূৰি আহি আধা লিখা গল্পটো লিখিবলৈ বহিলো। এয়া কি? নোটপেডটোতচোন কাগজখিলা নাই! ওচৰত পাপনো নাই। লগে লগে দৌৰি ঘৰৰ পিছফাললৈ আহিলো। দেখিলো, পাপনে গল্পটো লিখা কাগজখিলাৰে এখন ৰকেট সাজিবলৈ আৰম্ভ কৰিছে। কিয় জানো, সেই মুহূৰ্তত মোৰ খংটো নুঠিল। পাপনৰ মুখত ফুটি উঠা প্ৰশান্তিলৈ লক্ষ্য কৰিলো। সি একান্তমনে ৰকেটখন সজাত ব্যস্ত। এপাকত সি ৰকেটখন সম্পূৰ্ণ কৰি হাতেৰে দুবাৰমান পিন্ধি থকা চোলাটোত ঘঁহাই উৰুৱাই দিলে। ৰকেটখন উৰি গ'ল। আমি দুয়ো উৰি যোৱা ৰকেটখনলৈ তধা লাগি চাই ৰ'লো। সেইখন গৈ কাষৰ বৰুৱাহঁতৰ বাৰীত পৰিল। মই পাপনক কোচত লৈ ৰূমলৈ উভতি আহিলো।

লাহে লাহে আবেলি হৈ আহিল। পাপন তেতিয়া ঘোৰ টোপনিত। দুপৰীয়া ভাত খাই উঠি অলপ সময় শোৱাটো তাৰ নিয়ম। মাক নোহোৱা ল'ৰা, তাক মই কোনো কথাতে দুখ পাবলৈ নিদিওঁ। তাৰ কাষত বহি থাকোঁতে চিলমিলকৈ মোৰো টোপনি আহিছিল নেকি! আগফালৰ দুৱাৰখনত টোকৰৰ শব্দ শুনিলো। উঠি গৈ দুৱাৰখন খুলি দিলো। দুৱাৰমুখত কাষৰ ঘৰৰ স্মিতা। তাইৰ হাতত সেই তেতিয়াৰ ৰকেটখন।

—অ' আহাঁ ভিতৰলৈ।

—এইখন বোধহয় আপোনাৰ। আপোনাৰ হাতৰ আখৰ আছে ইয়াত।

—গল্প এটা লিখি আছিলো। পাপনে এইখনেৰে ৰকেট সাজি উৰুৱাই দিলে আৰু তোমালোকৰ বাৰীতে গৈ এইখন পৰিল। মোৰ কথাক কোনো গুৰুত্ব নিদি স্মিতাই ব্যস্তভাৱে কৈ উঠিল— কিন্তু নায়কজনৰ কি হ'ল কওকচোন।

মই অলপ অপ্ৰস্তুত হ'লো। কাৰণ তেতিয়ালৈকে গল্পটোৰ সামৰণিটো মই চিন্তা কৰা নাছিলো। মোৰ পৰা কোনো উত্তৰ নাপাই স্মিতাই কৈ উঠিল— নায়কজনে প্ৰেমিকাৰ আবেদন স্বীকাৰ কৰিলেনে?

—কিন্তু তেওঁৰ যে পত্নী ঢুকাইছে। পত্নীক তেওঁ পাহৰিব পৰা নাই।

—প্ৰেমিকাগৰাকীয়ে হয়তো নায়কৰ অতীতক স্বীকাৰ কৰি ল'ব।

—নায়ক আৰু তেওঁৰ পূৰ্বৰ পত্নীৰ প্ৰেমৰ চিনস্বৰূপে যে এটা সৰু ল'ৰাও আছে, সেয়া জানো ছোৱালীজনীয়ে স্বীকাৰ কৰি ল'ব পাৰিব? তাক আঁকোৱালি ল'ব পাৰিব?

—কিয় নোৱাৰিব? নায়কে মাথোঁ এবাৰ সুধি চাওক। স্মিতাৰ হাতৰ পৰা কাগজৰ ৰকেটখন খহি পৰিল। অকস্মাৎ মোৰ বুকুত মুখখন গুজি তাই মোক ক'লে— আপোনাৰ আধালিখা গল্পটো মোক সম্পূৰ্ণ কৰিবলৈ দিবনে? «



আমাৰ পৰৱৰ্তী প্ৰকাশন

# নীলা চৰাইৰ কবিতা

নীলা চৰাই
www.nilacharai.com অসমীয়া ই-আলোচনী

আ পো না ৰ ম তা ম ত প্ৰে ৰ ণ ক ৰ ক

editor@nilacharai.com অথবা nilacharai@yahoo.com ঠিকনাত। আমাৰ ফেচবুক পৃষ্ঠা https://facebook.com/nilacharai অথবা ফেচবুক গ্ৰুপ https://facebook.com/groups/nilaacharai -তো আপোনাৰ অনুভৱ প্ৰকাশ কৰিব পাৰে।